# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ৩০/০৩/২০২৩ বৃহস্পতিবাৰ

ইংৰাজী ৩০-০৩-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিবেশন ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ১৬১, সন্মানীয় সদস্য শ্ৰী আফতাৰ উদ্দিন মোল্লা।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আফতাৰ উদ্দিন মোল্লা, (জলেশ্বৰ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত ধুবুৰী জিলাত মেদোৰটাৰীত ২০১২ চনত নাও দুৰ্ঘটনাত প্ৰায় ৫০ জনকৈ অধিক মানুহ মৰিছিল। সেই সময়ত সেই অঞ্চলৰ মানুহে বহুত বাৰ এখন উচ্চ শিক্ষাৰ বিদ্যালয়ৰ কাৰণে দাবী জনাই আহিছিল। আজি মোৰ প্ৰশ্নৰ উত্তৰত মই সন্তুষ্ট হৈছো যে, মন্ত্ৰী মহোদয়ে তাত এটা ব্যৱস্থা গ্ৰহণ কৰিব বুলি কৈছে।

মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক আকৌ অনুৰোধ জনাইছো যে, হাইস্কুলখন কৰাৰ কথা যি চলি আছে। এইটো যাতে অতি সোনকালে, এই বছৰতে শিক্ষা আৰম্ভ কৰিব পৰা যায়, তেনেকুৰা ধৰণৰ এটা পদক্ষেপ লৈ ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়,মেদোৰটাৰী মধ্য ইংৰাজী বিদ্যালয়খনত প্ৰায় ৪৫০ জন ছাত্ৰ-ছাত্ৰী আছে। ইতিমধ্যে আমাৰ বিভাগে এই বিদ্যালয়খনক উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ কাৰণে বিবেচনা কৰিছে আৰু এনে প্ৰস্তাৱৰ ক্ষেত্ৰত যি স্কুল মেনেজমেন্ট সমিতি থাকে, SMDC থাকে, তেওঁলোকে এটা পৰিকল্পনা প্ৰস্তুত কৰি চৰকাৰলৈ প্ৰেৰণ কৰিলে ভাল। পৰিকল্পনা দুটা ক্ষেত্ৰত প্ৰয়োজন হয়, যে তাত অন্তঃগাঠনি কি আছে আৰু ওপৰঞ্চি আন্তঃগাঁথনি কি লাগিব।

দ্বিতীয় পৰিকল্পনাটো হৈছে তাত শিক্ষক কিমান আছে। শিক্ষক যিসকল আছে, সেইখিনি যথেষ্ট সংখ্যক শিক্ষক আছে বুলি ক'ব পাৰি। আমি এটা কথা বিবেচনা কৰি আছো যে প্ৰাথমিক পৰ্য্যায়ত যিসকল শিক্ষক আছে, তেওঁলোকৰ শিক্ষাগত অৰ্হতা intermediate। কিন্তু তাত কৰ্মৰত বহুত গ্ৰেজুয়েট শিক্ষক আছে, যিসকলৰ শিক্ষাগত অৰ্হতা আছে, তেওঁলোকে ওপৰৰ শ্ৰেণীটো পাঠদান কৰিব পাৰে। ইয়াৰ তথ্যসমূহ আমি সংগ্ৰহ কৰিছোঁ। গতিকে এই এম ই স্কুলখনত যিসকল কৰ্মৰত শিক্ষক, তেওঁলোকৰ মাজত গ্ৰেজুয়েট বিএড ডিগ্ৰী থকা কিমান শিক্ষক আছে। এইখিনি এটা পৰিকল্পনা যুগুত কৰি সমিতি বা বিদ্যালয়ৰ কৰ্তৃপক্ষৰ তৰফৰ পৰা আমালৈ প্ৰেৰণ কৰে, আমি খুৰ সোনকালে সিদ্ধান্ত গ্ৰহণ কৰিম। সিদ্ধান্ত গ্ৰহণ কৰি এনে অঞ্চলত যাতে যিখন এম ই স্কুল আছে, সেইখনক উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিব পৰা যায়, তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

গতিকে মই পুনৰ বাৰ কৈছো যে স্কুল সমিতিয়ে এটা পৰিকল্পনা প্ৰস্তুত কৰি প্ৰেৰণ কৰিব লাগে।

**শ্ৰী আফতাৰ উদ্দিন মোল্লা, (জলেশ্বৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে জনাইছো যে তাত যথেষ্ট infrastructure আছে, বিল্ডিং আছে, কোনো অসুবিধা নাই। গতিকে আপুনি তাত দিলে ভাল হ'ব।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ কথাখিনিকে স্কুল সমিতিয়ে লিখিত ভাৱে আমালৈ প্ৰেৰণ কৰিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ১৬২, সন্মানীয় সদস্য শ্ৰী দিগন্ত বৰ্মন।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ উত্তৰটো পাইছো আৰু যিখন লিষ্ট সেইখন website ত দিয়া বুলি কৈছে।

কিন্তু কথাটো হ'ল, মই সদ উত্তৰ নাপালো। যিখন ২০১৭ চনৰ আইন আছে, সেই আইনখনত কলেজ সম্পৰ্কত লিখা আছে "Venture Degree College" means a Degree College imparting education beyond Higher Secondary stage established by the people of the locality prior to 1.1.2006 । মই মন্ত্ৰী মহোদয়ক এই কথাটো কৈছিলো যে অসমত যিবিলাক কলেজ বা স্কুল চলি আছে, সেই কলেজ স্কুল সমূহ ৰাইজে বান্ধিছিলে, ৰাইজৰ দান বৰঙণিৰ জৰিয়তে। এতিয়া কথা হ'ল যে এই ২০০৬ পিছত affiliation পোৱা কলেজখিনিয়ে যদি এটা ভাল ৰিজাল্ট নাপায় বা সুফল নাপায়, তেতিয়া খুব বেয়া কথা হ'ব। মই সেই কাৰণে মন্ত্ৰী মহোদয়ক বহুত কেইবাৰ আগতেও কৈছিলো যে কিবা এটা কৰক। মই জনা ৩৯ খন কলেজ, বাকী কলেজবিলাকৰ ক্ষেত্ৰতো আপোনালোকে ব্যৱস্থা ল'ব লাগে। মোৰ সমষ্টিৰ কলেজখন হ'ল বামুন বৰী শ্বহীদ সোঁৱৰণী কলেজ, এই কলেজখনত ১২ শ ছাত্ৰ ছাত্ৰী আছে। অন্ততঃ এই কলেজখন চাব লাগে যে কিমান ল'ৰা-ছোৱালীয়ে পঢ়ি আছে, affiliation পাইছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। গতিকে এই ক্ষেত্ৰত এটা সু-ব্যৱস্থা ললে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া ঃ

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিধানসভাই আইন পাছ কৰি দিছে, সেই আইনৰ ভিত্তিত প্ৰাদেশীকৰণ হৈছে। এই মুহুৰ্তত বিভাগৰ হাতত এই আইনখন সংশোধন কৰাৰ কোনো প্ৰস্তাৱ নাই। গতিকে ২০০৬ চনৰ যিটো cut of year আছিল, সেই cut of year ৰ আগত যিসমূহ মহাবিদ্যালয় প্ৰাদেশিকীকৰণৰ আওতাৰ ভিতৰত পৰিল, সেইখিনি আমি প্ৰাদেশিকীকৰণ কৰিলো। মহাবিদ্যালয়ৰ ওপৰিও সেই আওতাৰ ভিতৰত পৰা বিভিন্ন মহাবিদ্যালয়ৰ যিসমূহ শাখা আছিল, (Science, Arts stream) সেইসমূহ প্ৰাদেশিকীকৰণ কৰিলো।

এতিয়া বাকী যি ৯২ খন বিদ্যালয় আছে, এই বিদ্যালয়ৰ ক্ষেত্ৰত একাংশ বিদ্যালয়, সেইখিনি সম্পূৰ্ণৰূপে ব্যক্তিগত খণ্ড আৰু একাংশ মহাবিদ্যালয় যিখিনি প্ৰাদেশিকীকৰণৰ আওতাত নাই, সেইখিনিক venture মহাবিদ্যালয় বুলি অভিহিত কৰো। এই venture মহাবিদ্যালয়ৰ ক্ষেত্ৰত বৰ্তমান এই মূহুৰ্তত আমাৰ আইনৰ কোনো ব্যৱস্থা নাই।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ মন্ত্ৰী মহোদয়, আপুনি যিটো কথা কলে যে বিধানসভাই পাছ কৰা আইনমতে কৰিছে। মই সেইকথাটোৰে কৈছে যে এই পবিত্ৰ সদনত এটা সিদ্ধান্ত ল'ব পাৰে। ৰাইজৰ মঙ্গলৰ কাৰণে আমি যিহেতু ইয়ালৈ আহিছো। এই ক্ষেত্ৰত শিক্ষা বিভাগে এটা বিহিত ব্যৱস্থা গ্ৰহণ কৰক যাতে ১.১. ২০০৬ চনৰ পিছত যিখিনি affiliation পাইছে, সেইখিনিয়ে যাতে এটা ভাল ফল পায় আৰু তেওঁলোকে যাতে প্ৰাদেশীকৰণ হয়।

**माननीय অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া ।

**ডাঃ ৰণোজ পেগু,(মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিধানসভাত বিল পাছ কৰে। মাননীয় বিধায়ক গৰাকীয়েও ইয়াৰে সদস্য। আজিৰ তাৰিখত আইন যিটো স্থিতি মই সেইটো জনাব পাৰিম। ভৱিষ্যতৰ কথাটো মই জনাব নোৱাৰিম। কাৰণ এইটো বিধানসভাৰ অধীনত। বিধানসভাই বিল পাছ কৰিব, নকৰিব, এইটো ভৱিষ্যতৰ কথা। কিন্তু আজিৰ তাৰিখত স্থিতিটো হ'ল যে মহাবিদ্যালয়খিনি প্ৰাদেশিকীকৰণ আইন ২০১৭ চনৰ ভিতৰত নপৰে।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় বিৰোধী দলৰ দলপতি ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যদি জনাব পাৰে যে কিমান পদ এনেধৰণে প্ৰাদেশিকীকৰণ কৰা হ'ল, যিহেতু মহাবিদ্যালয় প্ৰাদেশিকীকৰণ নকৰি অকল পদ প্ৰাদেশিকীকৰণ কৰা হৈছিল আৰু তেওঁলোকৰ অৱসৰৰ পিছত এই মহাবিদ্যালয়সমূহৰ অসুবিধা হ'ব, কোনো ছাত্ৰ-ছাত্ৰীয়ে তিনি চাৰি বছৰীয়া কোৰ্চত থাকে। এনেকুৱা হৈ যাব পাৰে যে গোটেইখিনি পদে অৱসৰ হৈ যাব, তেতিয়া হ'লে কি হ'ব ভৱিষ্যতলৈ, এই কথাবিলাক অলপ চিন্তা কৰা উচিত।

সেই কাৰণে আমি বিচাৰো আইনখন সংশোধনী কৰি হলেও যাতে শিক্ষা ব্যৱস্থাটো চলি থাকে, সেই বাবে এটা বিবেচনা কৰিব নেকি মাননীয় মন্ত্ৰী মহোদয়ে ? যিহেতু আমাৰ বহু মহাবিদ্যালয় এই সমস্যাটো আগন্তুক দিনলৈ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত বিদ্যালয় আৰু মহাবিদ্যালয়ৰ সমস্যাটো বেলেগ বেলেগ। বিদ্যালয়ৰ ক্ষেত্ৰত আমি বিদ্যালয় প্ৰাদেশীকৰণ কৰা নাই। কিন্তু শিক্ষক- শিক্ষয়িত্ৰীৰ পদসমূহ প্ৰাদেশিকীকৰণ কৰিছোঁ। কিন্তু তাৰ ওপৰিঞ্চি এই আইনত এটা কথা আছে যে কোনো বিদ্যালয়ৰ আন্তঃগাঁথনি যদি উন্নত, সেই বিদ্যালয়খন merge কৰাৰ কাৰণে ওচৰত যদি উপযুক্ত base স্কুল নাই, তেনেহলে সেই বিদ্যালয়খনক আমি self base school হিচাপে লওঁ। অৰ্থাৎ সেই বিদ্যালয়খন প্ৰাদেশিকীকৰণ কৰা হ'ব। absolute term ত কেৱল শিক্ষক পদ প্ৰাদেশীকৰণ কৰা হৈছে। বিদ্যালয় প্ৰাদেশিকীকৰণ হোৱা নাই, এই কথাটো শুদ্ধ নহয়। প্ৰয়োজন সাপেক্ষে এইটো কাম কৰা হৈছে। ইতিমধ্যে আমি বহু কেইখন বিদ্যালয়ক self base school হিচাপে ঘোষণা কৰিছোঁ।

দ্বিতীয় ঘটনাটো হ'ল ১৩৪ খন মহাবিদ্যালয়, ইয়াৰে পূৰ্ণাঙ্গ মহাবিদ্যালয় ১০৬ খন, ২৮ খন মহাবিদ্যালয়ত অতিৰিক্ত শাখা প্ৰাদেশিকীকৰণ কৰা হৈছে। এতিয়া প্ৰাদেশিকীকৰণ কৰা যিহেতু হৈছে তাৰ পদসমূহ নিশ্চিতভাৱে ৰাখিব লাগিব । এই পদসমূহৰ ভিতৰত টিউটৰ পদ বহু সংখ্যক আছে । এজন টিউটৰ যেতিয়া অৱসৰ গ্ৰহণ কৰিব তেতিয়া টিউটৰৰ পদটো বিলুপ্তি ঘটিব । তাত যিহেতু শিক্ষকৰ প্ৰয়োজন আছে নিশ্চিত ভাৱে সেই শিক্ষকৰ পথ সৃষ্টি কৰা বা পদ সমূহৰ ৰিটেনশ্বন কৰাৰ বাবে চৰকাৰে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ কৰিছে ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং- ১৬৩ । শ্ৰী জাকিৰ হুছেইন লস্কৰ । তেখেত অনুপস্থিত। প্ৰশ্ন নং- ১৬৪ । শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা দুটা প্ৰশ্নৰ উত্তৰ মই বিচাৰিছিলো। তেখেতে প্ৰশ্নৰ উত্তৰ লিখিত ভাৱে দিলে । ইয়াৰ লগতে মই এটা পৰিপূৰক প্ৰশ্ন কৰিব বিচাৰিছো যে এছ. এছ. লিমিটেডৰ কিছুমান গুডাম

নিৰ্মাণৰ কাৰণে কেইটামান অনুমোদন দিয়া হৈছে। মই বিশেষভাবে এটা কাচিকটাত অৱস্থিত এছ. এছ. লিমিটেড তাৰ গুডাম আৰু অফিচটো জৰাজীৰ্ণ অৱস্থাত আছে যে গুডামত এতিয়া চাউল ৰাখিব নোৱাৰি, এটা ভাড়া ঘৰত ৰাখিব লগীয়া হৈছে । তাৰ কাৰণে এইটো গুডাম নিৰ্মাণ কৰাৰ বাবে মন্ত্ৰী মহোদয়ে কিবা এটা ব্যৱস্থা ল'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয় ।

**শ্ৰীমতী নন্দিতা গৰ্লোছা, (মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, according to question that has been raised by the Hon'ble Member, Shri Joyanta Basumatary for Sidli, this constituency even though it falls the BTR. It is the responsibility under the BTR that all this function are being held. From the department concerned of the godown that has been asked, there have been many others godowns which are being repaired and which have been renovated. But at this very moment, the question that he has put on of his particular society where he is a part of it, I will look into it if there are any other, in consultation with the BTR that the fund that has been given by them under SOPD, if it falls under that, we will definitely look into it. Thank you.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং- ১৬৫ । শ্ৰী টেৰছ গোৱালা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী টেৰছ গোৱালা, (দুলীয়াজান) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ পাইছো আৰু উত্তৰটো চাই ভাল লাগিছে। কিন্তু দুখৰ কথাটো হ'ল যে সংখ্যালঘু বুলি কৈছে ইয়াত-মুছলিম, খৃষ্টান, শীখ, জৈন, পাৰ্চি আৰু বোদ্ধিষ্ট । আমাৰ উজনি অসমত বিশেষকৈ দুলীয়াজান সমষ্টিত চাহ জনগোষ্ঠীৰ বহুলোক খৃষ্টান ধৰ্মত আছে কিন্তু সংখ্যালঘু কল্যাণ পৰিষদে আগবঢ়োৱা সা-সুবিধা বিলাক পোৱা নাই । বুদ্ধ ধৰ্মৰ মানুহ আছে তেওঁলোকেও পোৱা নাই । কিছু মুছলিম লোকো আছে তেওঁলোকেও নাপায় । গতিকে দুলীয়াজান বিধান সভা সমষ্টিত যিসকল সংখ্যালঘু লোক আছে তেখেত সকলক কেনেকৈ এই সুবিধা প্ৰদান কৰিব সেই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো । ইয়াৰোপৰি ৰাজ্য চৰকাৰে প্ৰায় ২৬ টা আঁচনি ৰূপায়ণ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰৰ বৃত্তিমূলক আঁচনিখন বাদ দি প্ৰায় ৩৪ টা আঁচনি ৰূপায়ণ কৰিছে । ইমান এক বিশাল আঁচনি ৰূপায়ণ কৰি বিভাগে উজনি অসমত এই আঁচনি সঠিকভাবে ৰূপায়ণ কৰিব পৰা নাই। এই আঁচনি সমূহ কেনেকৈ ৰূপায়ণ কৰিব আৰু জিলা পৰ্য্যায়ত কোনটো বিভাগে এই বিষয় সমূহ তদাৰক কৰি আছে, আমি ক'ত যোগাযোগ কৰিব লাগিব এই সম্পৰ্কে জানিব বিচাৰো ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আগতে সংখ্যালঘু সম্প্ৰদায়ৰ অধ্যুষিত অঞ্চল সমূহত এম এছ ডি পি ব্লক আছিল আৰু এই ব্লক বিলাকে এনেধৰণৰ কাৰ্য্যসূচী সমূহ ৰূপায়ণ কৰিছিল। এক নিৰ্দ্ধাৰিত জনসংখ্যাৰ ওপৰত ভিত্তি কৰি এই ব্লক সমূহ গঠন কৰা হৈছিল। কিন্তু উজনি অসমৰ মাৰ্ঘেৰিটাৰ বাহিৰে আন ঠাইত এম এছ ডি পি ব্লক গঠন হোৱা নাছিল বাবে মাৰ্ঘেৰিটাৰ বাহিৰে আন অঞ্চলত এই কাৰ্য্যসূচী সমূহ ৰূপায়ণ কৰিব পৰা নগ'ল। কিন্তু এতিয়া ভাৰত চৰকাৰে এম এছ ডি পি ৰ ঠাইত এতিয়া প্ৰধানমন্ত্ৰী জন কল্যাণ কাৰ্য্যসূচীৰ অধীনত এই আঁচনি সমূহ ৰূপায়ণ

কৰিব পৰা যাব । সংখ্যালঘু সম্প্ৰদায়ৰ ২৫ শতাংশ মানুহ যদি ১৫ কিলোমিটাৰ অঞ্চল সমূহত এই আঁচনি সমূহ ৰূপায়ণ কৰিব পৰা যাব । এতিয়া এম এছ ডি পি ব্লকৰ যি বাধ্যতামূলক ব্যৱস্থা কৰা হৈছিল সেইটো এতিয়া আৰু বাহাল নাথাকিব ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য।

**শ্ৰী টেৰছ গোৱালা, (দুলীয়াজান)** ঃ অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন- 'চ'ত আছিল যে- সংখ্যালঘু অন্তৰ্ভুক্ত জাতি-জনগোষ্ঠী সম্প্ৰদায়সমূহে অসমত ব্যৱহাৰ কৰা উপাধিসমূহৰ তালিকা চৰকাৰৰ হাতত আছে নেকি? যদি আছে, গোষ্ঠি ভিত্তিক সবিশেষ তথ্য দিব। এতিয়া কথা হ'ল কোনটো বিভাগে এই তালিকা সমূহ দিব সেইটো জনালে ভাল হয় ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, যি বিলাক উপাধি এইটো সংখ্যালঘু বিভাগৰ হাতত নাই। বিভাগৰ হাতত কেৱল কোন বিলাক জাতি সংখ্যালঘু সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত হয় সেইটোহে আছে, উপাধি সমূহ নাই।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া জাকিৰ হুছেইন সিকদাৰ ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰত জনাইছে যে সংখ্যালঘু সম্প্ৰদায়ৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰ ২৬ টা আৰু কেন্দ্ৰীয় চৰকাৰৰ ৩৪ টা আঁচনি বৰ্তমান চলি আছে । তাৰ ভিতৰত Diploma in Medical Laboratary Training (DMLT), Bachelor of Medical Laboratory Traing (BMLT), ANM and GNM Training আদিৰ জৰিয়তে পূৰ্বতে যিদৰে সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী সকল উপকৃত হৈছিল বৰ্তমান কিন্তু সেইটো যথেষ্ট হ্ৰাস পাইছে । গতিকে কিহৰ বাবে হ্ৰাস পালে আৰু আসনৰ সংখ্যা বৃদ্ধি কৰিব নেকি সেই বিষয়ে জনালে ভাল হয় । এই ক্ষেত্ৰত যদি আসনৰ সংখ্যা বৃদ্ধি কৰে নিশ্চিত ভাবে সংখ্যালঘু সকল উপকৃত হ'ব । তাৰ লগে লগে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু সকলৰ কাৰণে যি সমূহ আঁচনি আছে তাক ৰূপায়ণৰ ক্ষেত্ৰত যি ধৰণে চৰকাৰী প্ৰশাসন ব্যৱস্থা বা বিষয়া সকলে ক্ষীপ্ৰতাৰে কৰিব লাগিছিল সেই ধৰণে কৰা দেখা নাযায় । এই বিষয়ে মাননীয় মন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা গ্ৰহণ কৰিব জনালে ভাল হয় ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, এই যিটো আমাৰ পেৰামেডিকেল ষ্টাফ বা জি এন এম বা এ এন এম পঢ়োৱা হৈছিল তাত আমি যি সুবিধা কৰিছিলো সেইখিনি সুবিধা থাকিব আৰু এইবাৰো আমি এছ অ' পি ডি ত তাৰ পৰা পইছা বিচাৰিছো এইবাৰ বাজেটত। গতিকে এই বাজেট পাছ হোৱাৰ পিছত আমি ভাবো আপোনাৰ যিটো শংকা সেইটো আঁতৰি যাব আৰু দ্বিতীয় কথা যে আমাৰ বিভিন্ন আঁচনি ৰূপায়ণ ভালকৈ হোৱা নাই বুলি কৈছে আমাৰ সংখ্যালঘু বিভাগৰ কোনো জিলা ভিত্তিক অফিচ নাই । গতিকে উপায়ুক্তই সৰ্বোচ্চ অধিকাৰী ৰূপত কাম কৰে । গতিকে যিবিলাক আঁচনি বিভিন্ন সমষ্টি বিলাকত লোৱা আছে, বিশেষকৈ আমাৰ নামনি অসমৰ বা উত্তৰ অসমত। যিখিনি আচলতে আঁচনি লোৱা হৈছে, এই আঁচনি বিলাক ৰূপায়নৰ ক্ষেত্ৰত মাননীয় সদস্য আপোনালোক সকলোৰে সহযোগ বিচাৰিছো। কাৰণ সমূহ দেখিছে যে, একোখন স্কুলত প্ৰায় ৩০ কোটিতকৈ বেছি টকা দিয়া হৈছে। কিন্তু সেই স্কুলসমূহ যি হিচাপত আচলতে construction হ'ব লাগিছিল তেনেকুৱা ধৰণৰ প্ৰগ্ৰেছটো হোৱা নাই। গতিকে এই সম্পৰ্কত ইতিমধ্যে আমি উপায়ুক্ত সকলৰ লগত যোৱা দুইমাহত প্ৰায় তিনিখন ভি.চি. কৰিছো আৰু উপায়ুক্ত সকলক utilisation certificate দিবলৈ কোৱা হৈছে। Utilisation Certificate নিদিলে ভাৰত চৰকাৰে পইচাটো release নকৰিব। গতিকে আজি মই জনামতে নলবাৰী জিলাৰ বাহিৰে বাকী

জিলাসমূহে এতিয়ালৈকে utilisation certificate দিব পৰা নাই। গতিকে কামৰ প্ৰগ্ৰেছটো তেতিয়াহে হ'ব, যদি utilisation certificate দিয়ে কামবিলাক চাই। মাননীয় সদস্য সকলকো মই অনুৰোধ কৰিছো আপোনালোকৰ অঞ্চলত থকা যিখিনি অনুষ্ঠান ইয়াৰ জৰিয়তে কৰা হৈছিল। সেইসমূহ আপোনালোকে তদাৰক কৰিলে ভাল হ'ব। যোৰাকালি মাননীয় উপাধ্যক্ষ ডাঙৰীয়াকো মই অনুৰোধ কৰিছো তেখেতৰ তাতে এখন স্কুল আছিল, তেখেতক মই সুধিলো স্কুলখন কিমান আগবাঢ়িছে। তেখেতে কৈছে স্কুলখন almost 95% complete হৈছে। ঠিক তেনেধৰণে আমাৰ মঙ্গলদৈৰ চিপাঝাৰতো শ্ৰীপৰমানন্দ ৰাজবংশী ডাঙৰীয়াৰ তাত এখন স্কুল আছে। স্কুলখনৰ progress ভাল হোৱা নাই। ঠিক তেনেধৰণে বিভিন্ন ঠাইত আমাৰ progress বিলাক ভাল হোৱা নাই। হাইলাকান্দিৰ যিখন স্কুল, সেইখনৰ progress হোৱা নাই। চিৰাঙৰ স্কুলখনৰ কথা মাননীয় সদস্য গৰাকীকো কৈছো স্কুলখন ভালকৈ চাব আৰু চিৰাঙৰ উপায়ুক্তক মই ইমান পৰ্য্যন্ত কৈছো অধ্যক্ষ ডাঙৰীয়া, নহ'লে স্কুলখন তাৰপৰা স্থানান্তৰ কৰি দিম বেলেগ ঠাইলৈ। গতিকে চিৰাঙতো এতিয়া কামটো আৰম্ভ হৈছে। বিলাসীপাৰা সমষ্টিত এতিয়া যিখন স্কুল হৈছে, সেইখনৰ performance ভাল হৈছে। জনীয়াত যিখন হৈছে, সেইখন ভালকৈ আৰম্ভ হৈছে। তেনেকৈ গোলকগঞ্জৰো স্কুল ভাল হৈছে। গতিকে মই ভাৱো মাননীয় সদস্য সকলে এই কামখিনি যদি অকনমান আপোনালোকে তদাৰক কৰে, আমাৰ সকলোৰে কল্যাণ হ'ব।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট) ঃ** চাৰ, এক মিনিট। ছাত্ৰ ভিত্তিত ২০২১-২২ বিত্তীয় বৰ্ষত ছাত্ৰ-ছাত্ৰী সকলে বৃত্তিৰ পইচাতো পোৱা নাই। কিয় পোৱা নাই?

**মাননীয় অধ্যক্ষ ঃ** এইটো প্ৰশ্নৰ লগত কোনো সম্পৰ্ক নাই। আপোনালোকে লিখিত ভাৱে দিয়ক। প্ৰশ্ন নং-১৬৬ শ্ৰীশ্বেৰমান আলী আহমেদ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Hon'ble Speaker Sir, before I raise by question I would like to just tell the gist of two section of the Waqf Act as per section-46. Every Waqf Estate should submited annual statement and expenditure to the Waqf Board and as per section 32 - F. After submission of the scheme to the Waqf Board, the Waqf Board will have to scrutinised and approve to scheme only then thereafter the particular Waqf Estate can spent the money for welfare activities. This is the statutory provision. এতিয়া মাননীয় অধ্যক্ষ মহোদয়, My question was related to specific two Waqf properties only and these two Waqf properties were the manager of the two Waqf properties are three time former Ex-Cabinate Minister and also former Minority Welfare Minister and he belongs he is also a Member of the house now and he belongs to a party.

**মাননীয় অধ্যক্ষ ঃ** Question Please.

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Sir please, he belongs to a party which proclaims itself to be the apocell of secularism and saviour of all

downtrodden. এতিয়া এই দুটা waqf property ৰ managment চালে আমি গোটেই Waqf property ৰ it is just tip of iceberg এতিয়া চাৰ, উত্তৰত দিয়া মতে এই Waqf Estate বোৰৰ Maula Box Waqf Estate ৰ কোনো annual income, আৰু expenditure ২০০৯ ৰ পৰা ২০১৬-২০১৭ চনলৈকে দিয়াই নাই। This is the quality of the manager and who belongs to a party proclaiming to be an apocell of secularism . 7% of the contribution দিয়া হোৱা নাই। দুটা মূল্যবান Waqf property নগাওঁৰ আৰু মন্ত্ৰী মহোদয়ে আৰু বিষয়া সকলে ভালদৰে study কৰা নাই বোধহয়। তেওঁলোকে কৈছে এইটো appoval নালাগে। আপোনাৰ বিষয়া সকলে যদি ভালদৰে study য়েই নকৰে, they are not aware of the provision of the Waqf Act, how the Waqf properties will be managed? In the reply, it has been given that these are not to be approved by the board but it is a statutory the provision all the expenditure and income should be approve. এতিয়া কথা হ'ল যে তেওঁলোকে the party which proclaims it to be the apocell of the sercularism. They did not do. Why you cannot do ? why you are not doing. I will request you please do the needful.

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই যি দুটা কৈছে যে Mandan Saikia Waqf Estate আৰু Maula Box Waqf Estate, এই কেইটাৰ হিচাপ দিয়া নাই বুলি আমাক কৈছে, হিচাপটো দিছে। বিত্তিয় বৰ্ষ তেওঁলোকে বিত্তীয় বৰ্ষ ২০২১-২২ লৈকে এই হিচাপ টো দিছে, তাৰ আগতে ওদিছে ২০০১-০২ ৰ পৰা পইচা কম আহিছে। এইটো এটা gap আছে, মাজত। Gap টো যিটো দেখিছে, তেওঁলোকে fillup কৰি দিছে আৰু আপুনি শুনি আচৰিত হ'ব, ইয়াৰ পৰা পইচা ২০০২-২০০৩ পইচা দিছে, মাত্ৰ ৫০০ টকা। তাৰ পাছত এক বছৰ লৈ, তাৰ পাছত দিছে, তাৰ পিছৰ বছৰ এক বছৰ লৈ, তাৰ পাছৰ বছৰ দিছে এক হাজাৰ টকা আৰু তাৰ পাছত এনেকৈ কিছু বছৰ তেওঁ লোকে একেলগে পইচাটো দিলে ২ লাখ ৩৯ হাজাৰ ৯শ ৬০ টকা দিলে। ২০১৭-১৮, এই কথাটো আপুনি জানে যে বিধান সভাত মই কৈছিলো যে আমাৰ মাননীয় সদস্য কিছুমান ইয়াৰে incharge হৈ আছে। গতিকে তেখেতসকলে পইচাটো দিব লাগে। এই কথাটো মই appeal কৰিছিলো। কেৱল নগাওঁৰে নহয়, আমাৰ কাছাৰতো এনেকুৱা আছে। গতিকে এই কথাটো appeal কৰাৰ পাছত তেওঁলোকে গোটেই বছৰটো arrear হিচাপে 2017-18 তাত আমাক ২ লাখ ৩৯ হাজাৰ ৯ শ ৬০ টকা দিছে। ২০১৮-১৯ তো দিছে ২৩ হাজাৰ ৭ শ ৬০ টকা। তাৰ পাছত ২০২১ ত দিয়া নাই। একেলগে দিছে, ২০২১-২২ ত ৯০ হাজাৰ ৬ শ ৬৬৮। গতিকে এইটো Financial Year 2019-2020 and 2020-2021. আৰু তাৰ পাচত Financial Year ত 2023 দিয়া হ'ল ৫৫ হাজাৰ ৩০০ শ ২২ টকা। গতিকে এইখিনি পইচা তেওঁলোকে দিছে। তেনেকৈ Maula Box টো যিখিনি দিছে upto 2021-2022 লৈকে দিছে, ২০২২-২০২৩ এতিয়ালৈকে দিয়া নাই। গতিকে আপোনাৰ যিটো concern মই বুজি পাইছো। Waqf Board ৰ ক্ষেত্ৰত মই এটা কথা আস্বস্ত কৰিব বিচাৰিছো, যেতিয়া Board আছিল, Board থাকোতে Waqf Board ৰ income কমি যায়। আৰু যেতিয়া চৰকাৰে চলায় তেতিয়া ইয়াৰ revenue টো বাঢ়ি যায়।

গতিকে এইটো কি ৰহস্য মই নাজানো। গতিকে তেনেকুৱা এটা হৈছে. মই মাননীয় সদস্য গৰাকীক আস্বস্ত কৰিছো আৰু মই তেখেতৰ লগত ব্যক্তিগত ভাৱে কথাও পাতিছো, আৰু কথা পাতিম আৰু আগলৈ আমি কাম কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Specific question টো কৰক। Problem টো ক'লে যিখিনি হিচাপ দিলে ভাল পাওঁক বেয়া পাওঁক হিচাপ হিচাপ। আপুনি কি জানিব বিচাৰে?

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Sir, এতিয়া কথাটো হ'ল যে আমাৰ তিনিবাৰৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি জানিব বিচাৰে? তিনিবাৰ হওঁক, পাঁচবাৰ হওঁক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** Sir, তিনিবাৰৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী, বৰ্ত্তমানৰ বিধায়ক এজনৰ management এনেকুৱা হয়, গোটেই অসমত কি হ'ব।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** এইটোৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াৰ লগত বহি suggesstion দিয়ক।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** H'onble, Member আপোনালোকৰ কি হৈ গ'ল।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্যসকল, আমাৰ প্ৰশ্নকালীন ঘণ্টা খুবেই গুৰুত্বপূৰ্ণ। প্ৰত্যেকজন বিধায়কৰে কিবা নহয় কিবা প্ৰশ্ন থাকে আৰু সেই প্ৰশ্নৰ কাৰণে পৰিপূৰক প্ৰশ্ন সোধা হয়, যদিহে উত্তৰটো সন্তোষজনক বা সদস্যজনৰ আৰু জানিবলগীয়া থাকে। প্ৰশ্ন সুধোতে এনেকুৱা নহয় যে তেখেতে বিচৰাধৰণেই উত্তৰটো দিব লাগিব।.................interruption.................... প্ৰশ্নকৰ্তাই যিটো সুধিছে মন্ত্ৰী ডাঙৰীয়াই সেইটোৰেই উত্তৰ দিছে। মাননীয় মন্ত্ৰী মহোদয়ে 'Waqf Board' ৰ ৰাজহ সংগ্ৰহৰ তথ্য দিছে। ক'ৰবাত যদি 'Waqf Board' এ ৰাজহ দিয়া নাই বা দিব পৰা নাই, তাৰ হিচাবসমূহো দিছে। চৰকাৰৰ কি চিষ্টেম আছে সেইটো জনাইছে। ইয়াৰোপৰিও আপোনালোকে লিখিতভাৱে 'Waqf Board' ৰ ভালৰ কাৰণে কি কৰিব পাৰে তাৰ বাবে পৰামৰ্শ দিব পাৰে। কিন্তু ইয়াত ইয়াৰ ওপৰত বাৰে বাৰে প্ৰশ্ন কৰি থাকিব নোৱাৰে।

**(সদনত হুলস্থলীয়া পৰিৱেশৰ সৃষ্টি হয়)**

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে ৰাজনীতি কি পৰ্য্যায় পাইছে গৈ, সেই কথাখিনিকে জনাব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধান সভাত কোনো ৰাজনীতিৰ কথা নাই। প্ৰশ্নকৰ্তাই প্ৰশ্ন সোধে আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ে। তাত যদি সকলোৱে ক'বলৈ যায়, তেতিয়া নিজৰ মাজত আক্ৰমণ-প্ৰতি আক্ৰমণ চলি থাকিব।

**(সদনত হুলস্থলীয়া পৰিৱেশৰ সৃষ্টি হয়)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-১৬৭ । আশ্ৰাফুল হুছেইন ডাঙৰীয়াই কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো অসমৰ উচ্চ শিক্ষাক কেন্দ্ৰ কৰি আৰু এই প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ। মই এই প্ৰশ্নটোত মূলতঃ অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত গুণগত মানদণ্ড কেনেকৈ চলি আছে, সেইটো জানিব বিচাৰিছো। সদনে জনাটো উচিত যে অসমৰ যিসমূহ মহাবিদ্যালয় আছে, তাৰে ১৯৭খনহে 'NAAC Accredited' আৰু বেছিভাগ কলেজেই 'B' আৰু 'C' গ্ৰেডত সমাপ্ত হৈছে। ১৪০খন কলেজ আৰু ১৫ খন

বিশ্ববিদ্যালয়ে Not Accredited by 'NAAC'. অর্থাৎ 'NAAC' ৰ মুখামুখী হ'বলৈ তেওঁলোকৰ পৰ্য্যাপ্ত আন্তঃগাঁথনি নাই বা পৰ্য্যাপ্ত গুণগত মানদণ্ড নাই, সেই কথাটো আজিৰ উত্তৰত স্পষ্ট হৈছে। কলেজসমূহে নামভৰ্ত্তিৰ কাৰণে যিখিনি পইচা পাবলগীয়া আছিল, সেইখিনি হয়তো আজিৰ দিনলৈ চৰকাৰ বা বিভাগৰ ফালৰ পৰা মুকলি কৰি দিয়া হোৱা নাই। মই যোৱা সপ্তাহলৈ এইখিনি খবৰ জানো। যি সময়ত গোটেই অসমত 'NAAC' ৰ পৰীক্ষা-নিৰীক্ষা চলি আছে, সেই সময়তো কিন্তু বিভাগে এই পইচাখিনি জব্দ কৰি থৈছে। অসমৰ কলেজসমূহে Drop Out ৰ দিশত গোটেই ভাৰতবৰ্ষৰ ক্ষেত্ৰত ৰেকৰ্ড কৰিছে আৰু দ্বিতীয় স্থানত আছে। এইক্ষেত্ৰত মোৰ প্ৰশ্নটো হ'ল যে-Quality Control কৰিবলৈ, Quality Assure কৰিবলৈ Department of Higher Education এ কি কাম কৰি আছে। তেওঁলোকে কৈছে যে State Level Quality Assurance Cell ৰ জৰিয়তে কৰি আছে। মাত্ৰ চাৰিশখন কলেজ আছে আৰু এই চাৰিশখন কলেজ Quality Assure কৰিবলৈ এই বিভাগটো বিফল হৈছে। কলেজসমূহৰ নাম, শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ আৰু কলেজৰ পৰা যি feedback আৰু reporting আহে সেইখিনি কেনেকৈ আৰু উন্নত কৰিব পাৰি তাৰ চিষ্টেমটো জনাব লাগে।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইউ জি চি ৰ অধীনত 'NAAC' ৰ দ্বাৰা আমাৰ মহাবিদ্যালয়সমূহৰ Quality উন্নত কৰাৰ কাৰণে ৰাজ্য চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। আমি সকলো অধ্যক্ষকে মাতি আনি প্ৰত্যেকখন মহাবিদ্যালয় যাতে Accrediation ৰ কাৰণে আবেদন কৰে, তাৰ বাবে যি যাৱতীয় ব্যৱস্থা ল'ব লাগে তাৰ ওপৰত আমি কৰ্মশালা অনুষ্ঠিত কৰি প্ৰশিক্ষণ দিছো। ইয়াৰ ফলস্বৰূপে 'NAAC' ত আবেদন কৰা আমাৰ মহাবিদ্যালয়ৰ সংখ্যা বাঢ়িছে। এই সময়ছোৱাৰ ভিতৰত তেওঁলোকে কি গ্ৰেড পাইছে তাতকৈ বেছি তেওঁলোকে Accrediation ক'ৰাত আমি বিশেষভাৱে গুৰুত্ব দিছো । যিবিলাক মহাবিদ্যালয়ে 'B' গ্ৰেড পাইছে , সেই মহাবিদ্যালয়সমূহে পৰৱৰ্তী সময়ত কেনেকৈ তাতকৈ ওপৰলৈ যাব পাৰে তাৰ পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। কিন্তু ইয়াৰ মাজত বহু ভাল সংবাদো আছে যে অসমৰ বহুকেইখন মহাবিদ্যালয়ে A, A+ গ্ৰেড পাইছে আৰু সেই মহাবিদ্যালয়সমূহ জিলিকি উঠিছে। সোণাপুৰ, জাগীৰোড, ধুবুৰীৰ বি এম মহাবিদ্যালয় আছে, যি সমূহ মহাবিদ্যালয়ৰ ফলাফল ভাল। ২০২১ চনৰ পৰা আমাৰ মহাবিদ্যালয়সমূহৰ শিক্ষকসকলৰ যি প্ৰাদেশিকীকৰণ হ'ল আৰু সেই প্ৰাদেশিকীকৰণৰ পিছত আমি নিযুক্তিও আৰম্ভ কৰিলো। তাৰ ফলস্বৰূপে ফেকাল্টিৰ যি নাটনি আছিল, সেইটোও বহু পৰিমাণে সমাধান হ'ল। ২০২১ চনৰ আমাৰ যি প্ৰাদেশিকীকৰণ হ'ল, তাৰ অধীনত ৮২৩গৰাকী আমি টিউটৰ এচিষ্টেণ্ট প্ৰফেচাৰ আৰু ৫৪৫ গৰাকী এচিষ্টেণ্ট প্ৰফেচাৰ আমি নিযুক্তি দিবলৈ সক্ষম হৈছো। ২০২১ চনত নতুন চৰকাৰ গঠন হোৱাৰ পিছৰে পৰা মহাবিদ্যালয়সমূহত এচিষ্টেণ্ট প্ৰফেচাৰৰ যি নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ল, সেই প্ৰক্ৰিয়াত ৯৭৯ এচিষ্টেণ্ট প্ৰফেচাৰৰ নিযুক্তি সম্পূৰ্ণ কৰিলো আৰু ১০০ গৰাকীৰ নিযুক্তি প্ৰক্ৰিয়া চলি আছে। এইখিনি ইতিমধ্যে Governing Body এ বাছনি কৰি দিছে আৰু তেওঁলোকৰ নিযুক্তি আমি মে' মাহৰ ভিতৰত সম্পূৰ্ণ কৰিম। Gr.-III, Gr.-IV, Librarian ইত্যাদি পদসমূহৰ ক্ষেত্ৰত যি নাটনি আছিল, সেই পদসমূহ পূৰণ কৰাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো আৰু নতুন চৰকাৰ গঠন হোৱাৰ পিছত নতুন নিযুক্তি হিচাপে এতিয়ালৈকে ২৯ গৰাকী Librarian ৰ নিযুক্তি আমি সম্পূৰ্ণ কৰিছো। বিদ্যালয় তথা মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ বিপৰীতে যি Fee

Weaver Scheme আছিল, এই আঁচনিত যোৱা বছৰ যি অংশ বাকী থাকিছিল আৰু এই বছৰৰ যি পইচা আছে, সেইটো আমি অসমৰ এক নাম জনা ছাত্ৰ নেতা বড়ো জনগোষ্ঠীৰ পিতৃ পুৰুষ উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নামত ৩১ মাৰ্চৰ দিনটো ছাত্ৰ দিৱস হিচাপে পালন কৰি কাইলৈৰ দিনটোত এই Fee weaver scheme ৰ গোটেইখিনি পইচা আমি মুকলি কৰি দিয়াৰ লগতে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত যিসমূহ ছাত্ৰ-ছাত্ৰীলৈ অনুদান আছিল, যেনে ছোৱালী ছাত্ৰীসকলৰ বাবে Mobility grant, ছাত্ৰ-ছাত্ৰীসকললৈ Book grant, mess Dues আৰু বিশেষকৈ Class IX, X, XI, XII ত পঢ়ি থকা সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰীসকলৰ বাবে বিশেষ জলপানিৰ ব্যৱস্থা আমি কৰিছো। আমাৰ প'ৰ্টেলত ২৬ হাজাৰ গৰাকী ছাত্ৰীয়ে আবেদন জনাইছিল আৰু এই ২৬ হাজাৰ সংখ্যালঘু ছাত্ৰীলৈ আমি কাইলৈ ধনৰাশি মুকলি কৰি দিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁলোকে vacancy সমূহ পূৰণ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু, আজিৰ তাৰিখতো কলেজসমূহত ৮,৫৯০ গৰাকী সহকাৰী অধ্যাপকৰ পদৰ ভিতৰত ৪৪০ টা পদ আৰু ৩,৫০০ non-teaching staff ৰ ভিতৰত ৮৩৪ টা পদ খালী হৈ আছে। এই বিষয়টো সদনে জনা উচিত। অধ্যক্ষ মহোদয়, উচ্চ শিক্ষাত Recruitment ৰ পলিচিসমূহ পাঁচ বছৰত অতিকমেও পাঁচ বাৰ সলনি হয়। শেহতীয়াকৈও সলনি হ'বলৈ গৈ আছে। মন্ত্ৰী মহোদয়ে যদি সদনত এইখিনি জনায় যে অনাগত দিনত তেওঁলোকে সলনি কৰি কি কৰিব বিচাৰিছে? উচ্চ শিক্ষাত অধ্যাপক, সহকাৰী অধ্যাপক বা অন্যান্য Recruitment ৰ ক্ষেত্ৰত ইমান পলিচি সলনি হয় যে অন্য কোনো বিভাগত ইমান পলিচি সলনি হোৱা দেখা নাই। এইবাৰ সলনি কৰি কোনটো পৰ্যায়লৈ যাব বিচাৰিছে এই কথাটো সদনত স্পষ্ট কৰক। শুনিছো কিবা ভালৰ দিশে গৈ আছে, সদনে জানিলে অন্তঃত উপকৃত হ'ব।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা, ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পলিচিসমূহ সময়ে সময়ে সলনি হয়। কিন্তু, সদনে এই কথাটো জনা উচিত যে শিক্ষা বিভাগত কেচ-মোকৰ্দ্দমাৰ সংখ্যা বেছি। মানুহে কথাই কথাই আদালতলৈ যায়। আজিৰ তাৰিখত শিক্ষা বিভাগৰ অধীনত প্ৰায় ২.৫ হাজাৰ কেচ হাইকোৰ্টত চলি আছে। নিযুক্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰতো আমাৰ বহুখিনি কেচ, বিশেষকৈ মহাবিদ্যালয়, ইঞ্জিনীয়াৰিং কলেজ, পলিটেক্‌নিক আদিৰ কেচ চলি আছে। এই কেচ চলি থকাৰ বাবে ২০১৭ চনৰ পৰা আজিলৈকে আমি ইঞ্জিনীয়াৰিং কলেজ, পলিটেক্‌নিকত নিযুক্তিবোৰ দিব পৰা নাই। সেয়েহে, আমি এতিয়া শেষ পৰ্য্যায়ত এটা সিদ্ধান্ত লৈছো যে, আমি ছাত্ৰ-ছাত্ৰী বা প্ৰাৰ্থীসকলৰ academics ৰ ভিত্তিত নিযুক্তি দিবলৈ নাযাওঁ। কাৰণ, academics ৰ ভিত্তিত নিযুক্তি দিবলৈ গ'লে বিভিন্ন ধৰণৰ বিতৰ্ক শিক্ষাৰ্থী তথা প্ৰাৰ্থীসকলে উত্থাপন কৰে। সেই কাৰণে আমি যদি পোনপটীয়াকৈ তেওঁলোকৰ বাবে পৰীক্ষা অনুস্থিত কৰোঁ, তেন্তে যিমান সংখ্যক পদবী থাকিব, সিমান সংখ্যকে পৰীক্ষাত পাছ কৰি সেই ভিত্তিত প্ৰাৰ্থীসকলে চাকৰি পাব। সেয়েহে, আমি এতিয়া এই নীতিৰ ফালে আগবাঢ়িছো। এতিয়ালৈকে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ ক্ষেত্ৰত নিযুক্তি প্ৰক্ৰিয়া আছিল যে Governing Body য়ে Selection Committee গঠন কৰে য'ত বিশ্ববিদ্যালয়ৰ বিভিন্ন প্ৰতিনিধি, বিভিন্ন বিষয়ৰ expert থাকে আৰু তেওঁলোকে বাচনি কৰি দিয়া প্ৰাৰ্থীকে অসম চৰকাৰে নিযুক্তি দিয়ে। কিন্তু, এইখিনিতে এটা কথা হ'ল যে এজন উপযুক্ত প্ৰাৰ্থীয়ে একেটা সময়ত পাঁচখন মহাবিদ্যালয়ত আবেদন জনায় আৰু তেওঁ পাঁচখন মহাবিদ্যালয়তে নিৰ্বাচিত হোৱাৰ পিছত যিকোনো এখন মহাবিদ্যালয়তহে তেওঁ

যোগদান কৰে আৰু চাৰিখন মহাবিদ্যালয় তেওঁ refuse কৰে। এই যি চাৰিখন মহাবিদ্যালয়ত প্ৰাৰ্থী গৰাকীয়ে নিৰ্বাচিত হৈয়ো যোগদান নকৰিলে সেই মহাবিদ্যালয়কেইখনে পুনৰ বাৰ বাচনি প্ৰক্ৰিয়া আৰম্ভ কৰি নতুনকৈ বিজ্ঞাপন প্ৰকাশ কৰিব লাগে। এতেকে, চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে যে এটা Centralized Recruitment Board হ'ব আৰু ইয়াত এজন প্ৰাৰ্থীয়ে এবাৰহে apply কৰিব। তেওঁ যি নিৰ্বাচিত মহাবিদ্যালয়ত পাব তাৰ পিছত আমি বাৰে বাৰে বিজ্ঞাপন দি থকাৰ সমস্যাটো নহ'ব। আজি মই সদনক জনাই দিব বিচাৰো যে ইতিমধ্যে যিসমূহ মহাবিদ্যালয়ে বিজ্ঞাপন প্ৰকাশ কৰিলে, সেই মহাবিদ্যালয়সমূহক এই বাচনি প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ কৈছো। তাত আমি আধাতে হস্তক্ষেপ নকৰো। Governing Body ৰ অধীনত যিসমূহ মহাবিদ্যালয়ে বিজ্ঞাপন প্ৰকাশ কৰিলে তেওঁলোকে বাচনি প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰক। যিসমূহ মহাবিদ্যালয়ে বিজ্ঞাপন প্ৰকাশ কৰা নাই তেওঁলোকক এতিয়া আমি বিজ্ঞাপন প্ৰকাশ কৰাটো স্থগিত ৰাখিবলৈ জনাইছো যাতে Centralized Recruitment system ৰ জৰিয়তে এই বিদ্যালয়সমূহৰ recruitment আমি বাচনি কৰি দিব পাৰো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী অখিল গগৈ। একেবাৰে to the point সুধিব।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হ'ল যে উচ্চ শিক্ষাত ভেঞ্চাৰ কলেজৰ সংখ্যা এতিয়া ৩৮খন আছে, Senior Secondary school ৭৭ খন ভেঞ্চাৰ হৈ আছে, এল.পি. স্কুল ৯২৬ খন, এম.ই. স্কুল ৮৮৯ খন আৰু হাইস্কুল ৬৭৯ খন এতিয়ালৈকে ভেঞ্চাৰ হৈ আছে। Drop out শিক্ষক লৈকে গোটেইখিনিৰ এটা survey কৰা হৈছিল। গোটেইখিনি মিলাই আচলতে শিক্ষা ক্ষেত্ৰত মুঠ ১৯,৭১৭ জন শিক্ষক এতিয়া বঞ্চিত হৈ আছে। যদি আচলতে অসমৰ শিক্ষা খণ্ড ঠিক কৰিব লাগে, তেতিয়া হ'লে এই ১৯,৭১৭ জন শিক্ষক, যিমানবিলাক অপ্ৰাদেশীকৃত ভেঞ্চাৰ স্কুল কলেজৰ আছে, এওঁলোকক যদি ৰেগুলাৰাইজ কৰা যায় তেনেহ'লে গোটেই বেমেজালিটো নাইকিয়া হৈ যায়। দ্বিতীয়তে, ..... interruptions....

**মাননীয় অধ্যক্ষঃ** Question টো কৰক, no suggestions .

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** আৰু এটা বাক্য কৈ সুধি আছো। মাজতে, ৪,৫৩৭ জন মানুহক শিক্ষক নকৰি Tutor কৰি দিলে। টেট শিক্ষকসকলৰ ২৬,৩০১ জন আৰু ষ্টেট পুলৰ ১০,২২৬ জন, প্ৰায় ৩০,০০০ জন মান, ইফালে ১৯,০০০ আৰু ইফালে ৩০,০০০ মুঠতে ৫০, ০০০ জন মান শিক্ষকৰ সাংঘাতিক ধৰণৰ সমস্যা এটা হৈ আছে। গতিকে, মই অনুৰোধ কৰিম -এই ভেঞ্চাৰ স্কুল-কলেজসমূহৰ ১৯,৭১৭ জন শিক্ষকক provincialize কৰিবৰ কাৰণে, ৪৫৩৭ জন Tutor ক শিক্ষক হিচাপে গণ্য কৰা আৰু টেট শিক্ষক আৰু ষ্টেট পুলৰ শিক্ষকসকলক যদি ৰেগুলাৰাইজ কৰি দিয়া যায়, তেনেহ'লে অসমৰ শিক্ষা খণ্ডৰ গোটেই সমস্যা নাইকিয়া হ'ব আৰু এইটোৰ ব্যৱস্থা কৰিব নে অধ্যক্ষ মহোদয়?

**ডাঃ ৰণোজ পেগু,(মন্ত্ৰী, শিক্ষা, ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক শব্দটোৱেই এনেকুৱা যে ইয়াৰ লগত ছাত্ৰ-ছাত্ৰী সদায় জড়িত হৈ থাকে। যদি ছাত্ৰ-ছাত্ৰী নাই, কোনো শিক্ষক হ'ব নোৱাৰে, যদি ছাত্ৰ-ছাত্ৰী নাই কোনো Tutor হ'ব নোৱাৰে। গতিকে, যেতিয়া আমি তথ্য দিওঁ, সেই তথ্য দিয়াৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ তথ্যখিনিও আমি দিব লাগে। এতিয়া আমাৰ এই প্ৰাদেশিকীকৰণ আইনৰ অধীনত বহুত শিক্ষক-শিক্ষয়িত্ৰীৰ পদ provincialization নহ'ল। কিয় নহ'ল? আইনখনত লিখা আছে যে ছাত্ৰ-ছাত্ৰী নাই কাৰণে বা প্ৰয়োজনীয় ছাত্ৰ-ছাত্ৰী তাত নাই কাৰণে সেই বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰীসকলৰ পদ provincialization কৰিব পৰা

নহ'ল। আইনখনত অন্যান্য কিছুমান ব্যৱস্থা আছে । ২০০৬ চনটোৰ কথা আছে। গতিকে, গোটেইখিনি অধ্যয়ন কৰি চাই, ইয়াক তন্ন তন্নকৈ পৰীক্ষা কৰি যিখিনি যোগ্য বিবেচিত হ'ল, সেইখিনিৰ provincialization হৈ গ'ল, যিখিনি যোগ্য বিবেচিত নহ'ল সেইখিনিৰ provincialization নহ'ল। এতিয়া মহাবিদ্যালয়ৰ ক্ষেত্ৰতো একেটাই কথা যে মহাবিদ্যালয় এখনৰ কাৰণে তেওঁলোকে এটা বিভাগ খুলিছে, তাত concurrence ৰ প্ৰয়োজন আছে, তাত বিশ্ববিদ্যালয়ৰ অনুমোদনৰ, affiliation ৰ প্ৰয়োজন আছে, সেই যাৱতীয় তথ্য বিলাক চোৱাৰ পিছতহে যিখিনি মহাবিদ্যালয়ক আমি provincialization কৰিব পাৰিলো, তেওঁলোকক কৰা হ'ল। যিখিনিক কৰিব নোৱাৰিলো, সেইখিনিক কৰা নহ'ল। কিন্তু, ইয়াৰ মাজত আমাক মহাবিদ্যালয়ৰ প্ৰয়োজন আছে। এতিয়া এইবিলাকক ভেঞ্চাৰ মহাবিদ্যালয় বুলি কৈ দিয়ে, কিন্তু, আমাৰ ভেঞ্চাৰ বুলি কোনো তেনেকুৱা শব্দ আইনগতভাৱে কোনো বিশেষ পঞ্জীয়ন বা আইনগতভাৱে স্বীকৃতিৰ কোনো ব্যৱস্থাও নাই। গতিকে এই মহাবিদ্যালয় বিলাকক আমি এতিয়া প্ৰাইভেট মহাবিদ্যালয় বুলিয়ে ধৰিম আৰু আমাৰ অসম চৰকাৰে যিদৰে বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত ২০০৬ চনৰ এখন Non Government Educational Institution Act এখন আছে, একেধৰণে মহাবিদ্যালয়ৰ ক্ষেত্ৰতো আমি Non Government Educational Institution Act এখন অনাৰ কথা গুনাগথা কৰি আছো। আমি এই বিষয়টো পৰীক্ষা কৰি চাই আছো। এতেকে ঘটনাটো পৰিসংখ্যাবিলাক বিভিন্ন সময়ত বিভিন্ন ধৰণে দিয়া যায় আৰু মই বিশেষভাৱে অনুৰোধ জনাম যে বিদ্যালয়ৰ ক্ষেত্ৰত যিসকলে প্ৰশ্ন উত্থাপন কৰে তাৰবাবে আজি ভাৰত চৰকাৰে এটা ধুনীয়া Application Portal বনাইছে schoolgis.nic.in. এই Application Portal টোত log in কৰি যদি বিদ্যালয়সমূহ চায়, তেতিয়া গম পাব একো একোটা গাওঁ বা পঞ্চায়তত অতিৰিক্তভাৱে বিদ্যালয়ৰ প্ৰয়োজন আছে নে নাই। GIS map খনতেই এইটো ওলাই যায় আৰু তাত বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান আছে সেইটোও গম পোৱা যায়। আজি আমাৰ অসমত ৫০,০০০ বিদ্যালয় আছে আৰু আজি ৰাতিপুৱা মই তথ্য লাভ কৰিছো যে ১৯৯ জনতকৈ বেছি ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ সংখ্যা কিমান। ২০০ জনতকৈ বেছি ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ এই সংখ্যা ১০ শতাংশ, মাত্ৰ ৫,৫০০ বিদ্যালয়ত ২০০ জনতকৈ বেছি ছাত্ৰ-ছাত্ৰী আছে। বাকীসমূহত ছাত্ৰ-ছাত্ৰী খুৱ কম। গতিকে শিক্ষক নিযুক্তি, শিক্ষক provincialization বিষয়টো ছাত্ৰ-ছাত্ৰীৰ অনুপাতৰ লগত সদায় সংযুক্ত হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** Question No.-168, শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো আৰু তেখেতৰ পৰা জানিব বিচাৰিছো আমাৰ চৰাইদেউ জিলাৰ একমাত্ৰ মহকুমা পুথিভঁৰালটো জিলা পুথিভঁৰাললৈ উন্নীত কৰিব পৰা কিবা ব্যৱস্থা কৰিছে নেকি বা কিবা সিদ্ধান্ত লৈছে নেকি? পুথিভঁৰালটোৰ চৌহদ যথেষ্ট ডাঙৰ, প্ৰায় ডেৰবিঘা মাটি খালী হৈ পৰি আছে আৰু পুথিভৰালটোৰ আন্তঃগাঁথনি তেনেই চালুকীয়া, দুৰ্বল, য'ত নেকি ২৫,০০০ গ্ৰন্থ থকা এই পুঁথিভৰালটোত টেবুলৰ অভাৱ লগতে পুঁথি থোৱা আলমাৰীৰ অভাৱ আৰু পাঠকৰ সংখ্যাও প্ৰায় ২৭০০ ৰো অধিক, তাত পঢ়া কোঠাৰো অভাৱ। গতিকে এই পুথিভঁৰালটো অন্ততঃ পুনৰ নিৰ্মাণৰ কাৰণে বা জিলা পুথিভঁৰাললৈ উন্নীত কৰিবৰ কাৰণে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা হাতত লৈছে নেকি তাৰ বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা অলপ জানিব পাৰিলে সুখী

হ'ম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰাইদেউ জিলাৰ মহকুমা পুথিভৰাঁলটো উন্নত কৰাৰ কাৰণে ইতিমধ্যে চৰকাৰে বিবেচনা আৰম্ভ কৰিছে আৰু মাননীয় ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াক মই জনাব বিচাৰো যে মোৰ জিলা ধেমাজিতো আপোনাৰ নিচিনা সমস্যা আছে। গতিকে অসমৰ যিমান বিলাক স্থানত মহকুমা পুথিভৰাঁল আছে সেইবিলাক আমি উন্নত কৰাৰ কাৰণে, কিছুমানত মাটি কম, কিছুমানত বেচি আছে, সেই সাপেক্ষে আমি ব্যৱস্থা গ্ৰহণ কৰিম আৰু নিশ্চিতভাৱে চৰাইদেউ জিলাৰ মহকুমা পুথিভৰাঁলটো উন্নীত কৰাৰ কাৰণে অগ্ৰাধিকাৰ ভিত্তিত বিভাগে বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং -১৬৯, শ্ৰী ৰূপেশ গোৱালা।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ সন্মুখত এই প্ৰশ্নটো দাঙি ধৰিছিলো আৰু তেওঁ যিটো উত্তৰ দিছে সেই অনুযায়ী মাৰ্ঘেৰিটা সমষ্টিত এটা আঁচনি লোৱা হৈছে। মই জিলাখনৰ বিষয়ে জানিব বিচাৰিছিলো, সমষ্টিৰ কথা সোধা নাছিলো। সমষ্টিৰ কথা এই কাৰণেই সোধা নাছিলো কাৰণ মই নিশ্চিত যে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ পৰা কোনো ধৰণৰ আঁচনি লোৱা নাই। এই আঁচনিবিলাকৰ বিষয়ে যেতিয়া আমি সমষ্টিৰ বিভিন্ন ৰাইজৰ ওচৰলৈ যাঁও আৰু তেখেতসকলক যেতিয়া সোধা হয় যে আপোনালোকে গম পায় নেকি, তেতিয়া তেওঁলোকৰ কোনো ধৰণৰ তথ্য নাথাকে বা আঁচনিবিলাকৰ বিষয়ে তেওঁলোক সজাগো নহয়। গতিকে এই আঁচনিবিলাকৰ সম্পৰ্কে বিশেষকৈ উজনি অসমত বহল প্ৰচাৰৰ বাবে মন্ত্ৰী মহোদয়ে পদক্ষেপ ল'ব নেকি, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। লগতে আৰু এটা কথা আছে সেইটো হ'ল উজনি অসমৰ বাগিছাবিলাকত ১০ ৰ পৰা ১৫ শতাংশ খ্ৰীষ্টান মাইনোৰিটি আৰু অলপ মুছলমান মাইনোৰিটিৰ মানুহ আছে। লগতে বুদ্ধ ধৰ্মৰ আছে। এই লোকসকলে মাইনোৰিটি বিভাগৰ তৰফৰ পৰা যিখিনি সুবিধা পাব লাগে তাৰ পৰা সদায় বঞ্চিত হৈ থাকে। গতিকে এই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে আগৰ প্ৰশ্ন এটাত কৈছো যে আগতে যিটো MSDP Block আছিল, সেই Block বিলাকতহে এনেকুৱা ধৰণৰ আঁচনি লোৱা হৈছিল। এতিয়া সেই MSDP Block ৰ concept টো নাই। PMJVK হৈ গ'ল - Prime Minister Jan Vikas Karyakram. গতিকে এতিয়া যি কোনো এটা ঠাইত এটা অনুষ্ঠান তাৰে ১৫ কিঃ মিঃ ৰ ভিতৰত ২৫ শতাংশ মাইনোৰিটি মানুহ থাকিলে য'ত তত এতিয়া কৰিব পৰা যাব। গতিকে ৰূপেশ গোৱালা ডাঙৰীয়াই যিটো কথা কৈছে, এইবাৰ যিবিলাক Utilization Certificate DC সকলৰ পৰা আহিব তাৰ পিছত আমি নতুন আঁচনি ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰিম। তাৰবাবে DC ৰ জৰিয়তে কাৰ্য্যসূচী আহিব লাগিব। গতিকে মাননীয় সদস্য সকলে concerned DC সকলৰ লগত আলোচনা কৰি তেখেতসকলৰ যি আঁচনি আছে, সেইখিনি পঠিয়ালে ইয়ালৈকে আহিব আৰু আমাৰ ইয়াত এখন State Selection Committee আছে, সেই কমিটিয়ে সেইখন পাচ কৰিব Chief Secretary ৰ Chairmanship ত আৰু তাৰ পাছত এইটো পঠিওৱা হ'ব।

**माननीय अध्यक्ष ঃ** धन्यवाद। এতিয়া প্ৰশ্ন নং-১৭০, শ্ৰী অমিয় কুমাৰ ভূঞা।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গ্ৰাম্য পুঁথিভৰাল নিৰ্মাণৰ বাবে চৰকাৰে কি আঁচনি ৰূপায়ণ কৰি আছে, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলো। ইতিমধ্যে মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিলো ১৯৮৫-৮৬ চনতে Rural Library Complex আঁচনি ৰূপায়ণ কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত তাৰ কোনো তথ্য নাই। তাৰ পাছত ১৯৯ টা Library পতাৰ কথা কৈছিল আৰু এতিয়া ১৯২ টা কাৰ্য্যক্ষম হৈ আছে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম ১৯৭ টা যাতে কাৰ্য্যক্ষম কৰে আৰু Library সমূহত e-Library বা Digital Library সংযোজন কৰে। দ্বিতীয়তে 'কিতাপ পঢ়ো আহক' বুলি আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে বুলি কৈছে, এই আঁচনিখন আমি আচলতে মুখামুখি হোৱা নাই। গতিকে এই আঁচনিখন আৰু অধিক শক্তিশালী কৰিব লাগে আৰু 'কিতাপ পঢ়ো আহক' তেনেকুৱা এটা পৰিৱেশ নিৰ্মাণ কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব পাৰিব নেকি তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সামগ্ৰিকভাৱে Library সেৱা, পুঁথিভৰাল আন্দোলন, ইয়াক আমি শক্তিশালী কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো আৰু পুঁথিভৰাল আৰু শিক্ষা বিভাগৰ মাজত কেনেধৰণে সমন্বয় সাধন কৰিব পৰা যায়, তাৰকাৰণেও আমি কিছু আলোচনা আৰম্ভ কৰিছিলো। কিন্তু গ্ৰাম্য পুঁথিভৰাল আন্দোলনটো একপক্ষীয়ভাৱে, অকল চৰকাৰে ইয়াক সফলতালৈ নিব নোৱাৰিব। গতিকে গাঁৱৰ বিভিন্ন যুৱক, সংগঠন আৰু আমি বিদ্যালয় সমূহক গ্ৰাম্য পুঁথিভৰাল আন্দোলনৰ লগত যুক্ত হ'বলৈ মই আহ্বান জনাওঁ। সেইকাৰণে পুঁথিভৰাল সমূহত কিতাপ পঢ়ো আহক, কিতাপ পঢ়াৰ আনন্দ কাৰ্য্যসূচী লোৱা হৈছিল। অন্যহাতেদি শিক্ষা বিভাগৰ অধীনত পঢ়ে ভাৰত, বঢ়ে ভাৰত আঁচনি লোৱা হৈছিল। এতিয়া আমি বিবেচনা কৰিছো যে শিক্ষা বিভাগ আৰু পুঁথিভৰাল বিভাগৰ মাজত যদি সমন্বয় সাধন কৰিব পৰা যায় তেনেহ'লে আমাৰ পুঁথিভৰাল আন্দোলন বা গ্ৰন্থ আন্দোলনটোক আগুৱাই নিয়াত সহায় হ'ব। গতিকে মই বিধায়ক গৰাকীৰ পৰামৰ্শ গ্ৰহণ কৰিছো আৰু পৰৱৰ্তী সময়ত আমি এইখিনি বিবেচনা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Question Hour over.

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা point of order আছে। অধ্যক্ষ ডাঙৰীয়া, Rule-54 ত Forest ৰ ওপৰত এটা বিষয় মই সদনৰ মজিয়াত উত্থাপন কৰিছিলো। তাৰ উত্তৰটো মই এতিয়ালৈকে পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো চোৱা হ'ব।

কোৰেশ্চন আৱাৰ অভাৰ ।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** অধ্যক্ষ মহোদয়, ৰুল ৫৪ ত মই এটা ফৰেষ্টৰ কথা সদনত উত্থাপন কৰিছো কিন্তু এতিয়ালৈ উত্তৰ পোৱা নাই ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে এইটো হ'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ পূব) ঃ** অধ্যক্ষ মহোদয়, তেলেংগানাত আমাৰ মুখ্যমন্ত্ৰীৰ ফটো এটা লগাই ৱাশ্বিং পাউডাৰ নিৰমা- বুলি লিখিছে আৰু অলপ বেয়াকৈ লিখিছে , তেওঁলোকৰ ওপৰত একশ্যন ল'ব লাগে । এইটোৰ ওপৰত কেচ কৰিব লাগে । আমাৰ সন্মানৰ কথা আছে ।

**মাননীয় অধ্যক্ষ ঃ** প্লিজ .... প্লিজ বহক । এইবোৰ চলি থাকিব ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** অধ্যক্ষ মহোদয়, আমাৰ কোৱেশ্চনৰ এনছাৰবোৰ ৯.৩০ বজালৈ আপলোড নহয়। আজি ৯.৪০ বজালৈ আপলোড হোৱা নাই ।

**মাননীয় অধ্যক্ষ ঃ** আগতে আমাৰ হাউচত ডিচকাশ্যন হৈছে যে কোৱেশ্চন আৱাৰ ইয়াত আৰম্ভ হোৱাৰ লগে লগে এনছাৰবোৰ অন লাইনত যাব। ঠিক আছে হ'ব । এতিয়া আইটেম নং- ২ , কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন। অসম বিধান সভাৰ ২৯ মাৰ্চ ২০২৩ তাৰিখে কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত কৰা হয়। সভাই আলোচনাৰ অন্তত ৩ এপ্ৰিল ২০২৩ তাৰিখৰ সদনৰ কাৰ্য্যসূচীসমূহ উক্ত দিনৰ পৰিৱৰ্তে অহা ৬ এপ্ৰিল ২০২৩ তাৰিখে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে । আশা কৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে । এতিয়া আছে আমাৰ অসম বিধান সভাৰ প্ৰাক্ কলন সমিতিৰ সভাপতি শ্ৰীপ্ৰশান্ত ফুকনে সমিতিৰ ৮৮ তম আৰু ৮৯ তম প্ৰতিবেদন দুখন সদনত উপস্থাপন কৰিব।

**শ্ৰীপ্ৰশান্ত ফুকন, (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰাক্ কলন সমিতিৰ ৮৮ তম আৰু ৮৯ তম প্ৰতিবেদন দুখন মই সদনত উপস্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আমি দাবী মঞ্জুৰীৰ ওপৰত আলোচনালৈ আহিছো। এতিয়া শ্ৰীজাকিৰ হুছেইন সিকদাৰ ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া , পঞ্চায়ত ও গ্ৰামোন্নয়নৰ ৫৭ নং মঞ্জুৰীৰ বাবে কৰা দাবী ৮,৭৩, ৬৮৭ .৪৫ লাখ টকা এক টকালৈ হ্ৰাস কৰা হওক ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা কনফিউজন আছে সেই কাৰণে জানিব বিচাৰিছো- যোৱাকালি যেতিয়া কৰ্তন প্ৰস্তাৱ মুভ কৰিছিলে।

**মাননীয় অধ্যক্ষ ঃ** নহয়, তেওলোকে জেনেৰেল ডিচকাশ্যনত ভাগ ল'ব পাৰিব। মুভ নকৰে । জাকিৰ হুছেইনে কওঁক ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি কংগ্ৰেছ বিধায়িনী দলৰ পৰা পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মঞ্জুৰীৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছো সেই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত ক'বলৈ সুযোগ দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো । মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি সকলোৱে জানো অসমত ছাব্বিশ হাজাৰৰ ওপৰত গাঁও আছে । এই ছাব্বিশ হাজাৰ গাঁৱৰ উন্নয়ন হ'লেহে আমাৰ ৰাজ্যখনৰ উন্নয়ণ হ'ব । এই গাঁওবিলাকৰ উন্নয়নৰ ক্ষেত্ৰত পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগে মূল ভুমিকা লয় । যোৱা সময়ছোৱাত যদি আমি পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ কাম কাজ লক্ষ্য কৰো তেতিয়া দেখা পাম এই বিভাগটোৱে গ্ৰাম উন্নয়ণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । অধ্যক্ষ মহোদয়, যোৱা ছয় - সাত বছৰৰ কথা যদি উল্লেখ কৰো, তেন্তে নিশ্চিভাবে দেখা পাম যে পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ যিখিনি কাম কাজ সেইখিনি ৰাজ্যখনৰ গাঁওসমূহৰ তথা ৰাইজৰ যিখিনি উন্নতি সাধন হ'ব লাগিছিল সেইটো দিনে দিনে হ্ৰাস পাব ধৰিছে । গতিকে এইটো আমাৰ বাবে চিন্তনীয় বিষয় । আমি যদি এইবাৰৰ বিত্তীয় বৰ্ষটো যোৱাবাৰৰ বিত্তীয় বৰ্ষৰ লগত তুলনা কৰো তেনেহ'লে দেখা পাম এই বিভাটো উন্নতিৰ ক্ষেত্ৰতে হওক বা কৰ্ম সংস্থাপনৰ ক্ষেত্ৰতে হওঁক সকলোতে পিছ পৰি আছে আৰু এনেদৰে চলি থাকিলে অহা বিত্তীয় বৰ্ষতো এই বিভাগটোৰ কাম- কাজসমূহৰো যিটো কামৰ মানদণ্ড সেইটো কমি যাব । গতিকে এই বিভাগটো আলোচনা কৰাৰ সিদ্ধান্ত লোৱাৰ বাবে মই অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাইছো । এই বিভাগৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আছে সেইটোৰ ওপৰত শাসক- বিৰোধীয়ে সপক্ষে বিপক্ষে বহু ধৰণৰ মন্তব্য আৰু পৰামৰ্শ দিব । মাননীয় মন্ত্ৰী মহোদয়ে কথাবিলাক চিন্তা-

চৰ্চা কৰি আগন্তুক দিনত যাতে এই বিভাগটোৰ পুনৰুজ্জীৱিত কৰিব পাৰে লগতে তেনেকৈ অসমখনত উন্নত কৰিব পাৰে তাৰ বাবে বিহীত ব্যৱস্থা ল'ব লাগে । অধ্যক্ষ মহোদয়, কোনটা বিভাগ কেতিয়া আগুৱাই যায়, যেতিয়া সেই বিভাগত মেন পাৱাৰ পৰ্য্যাপ্ত থাকে । আজিৰ তাৰিখত যদি এই বিভাগৰ তথ্য যদি চায় তেন্তে দেখিব এই বিভাগটোত যিমান বিষয়া কৰ্মচাৰীৰ প্ৰয়োজন সেই অনুপাতে যথেষ্ট কম । যোৱা ২০১৬ -ৰ পৰা আজিৰ তাৰিখলৈ প্ৰথমবাৰৰ বিজেপি চৰকাৰৰ পাঁচ বছৰ আৰু দ্বিতীয়বাৰৰ দুই বছৰ পাৰ হ'ল কিন্তু এই বিভাগটোত যিমান বিষয়া কৰ্মচাৰী দৰকাৰ সেই অনুপাতে আজিও এই বিভাটোৰে পূৰণ কৰিব পৰা নাই । আজি কিছু দিন আগতে এই সদনত শাসক পক্ষৰ এজন বিধায়কে তেখেতৰ ডেভল'পমেন্ট ব্লকৰ পঞ্চায়ত সচিবৰ যিটো তথ্য দিছিল তাতকৈ আৰু দুখ লগা তথ্য হ'ব নোৱাৰে য'ত এশ শতাংশ বিষয়া কৰ্মচাৰী থাকিব লাগে তাত মাত্ৰ বিশ শতাংশ বিষয়া -কৰ্মচাৰীৰে ব্লক বা পঞ্চায়তসমূহ চলি আছে গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত মোৰ প্ৰথম দাবীটো হ'ল অতি সোনকালে এই বিভাগৰ যিবিলাক পদ খালি হৈ আছে সেই পদসমূহ পূৰণ কৰিব লাগে আৰু তেতিয়াহে বিভাগটোক কাম কাজৰ লগতে আঁচনিসমূহ ৰূপায়ণ কৰিব পাৰিব । আমি দেখা পাঁও যে এজন মানুহ যেতিয়া সু স্বাস্থ্যৰ অধিকাৰী হয় তেতিয়াহে তেওঁ ভালদৰে কাম কাজবোৰ কৰিব পাৰে ঠিক তেনেকৈ আমাৰ গাঁওবিলাকৰ স্বাস্থ্য ভাল হ'লেহে আমাৰ ৰাজ্য তথা ৰাষ্ট্ৰৰ স্বাস্থ্য ভাল হ'ব । মাননীয় মুখ্যমন্ত্ৰীৰ লগতে আন মন্ত্ৰীসকলেও বিভিন্ন সময়ত কৈ থাকে যে বিজেপি চৰাকাৰৰ লক্ষ্য হৈছে অসমক সমগ্ৰ ৰাষ্ট্ৰৰ ভিতৰত উন্নয়নৰ দিশত পাঁচ নং তালিকা ভূক্ত ৰাজ্য কৰিব । গতিকে অসমক পাঁচ নম্বৰলৈ আনিবলৈ হ'লে গাঁওসমূহৰ উন্নতি হ'ব লাগিব । গাঁৱৰ উন্নতি কৰিবলৈ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগে বিভিন্ন আঁচনিৰ লগতে দায়িত্ব আৰু কৰ্ত্তব্য সুচাৰুৰূপে পালন কৰিব লাগে । মই বিধান সভাৰ মজিয়াত আগতেও কৈছিলো আৰু এতিয়াও কঁও আমি সকলোৱে স্বাস্থ্যৰ প্ৰতি সচেতন হ'ব লাগে । এই ক্ষেত্ৰত আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই নিজৰ স্বাস্থ্যৰ ক্ষেত্ৰত কিমান যতন লয় আমি তেখেতৰ ফেচবুকত দেখিছো । গতিকে তেখেত সু স্বাস্থ্যৰ অধিকাৰী হওক আৰু অসমৰ ৰাজ্যৰ কাৰণে কাম কৰক ।

ঠিক তেনেকৈ গাঁৱৰো স্বাস্থ্যৰ যতন মাননীয় মন্ত্ৰী ডঙৰীয়াই ৰাতিপুৱাৰ পৰা যদি আৰম্ভ কৰি বিচনাত শোৱালৈকে যদি তেখেতে ধ্যান দিয়ে তেতিয়াহলে নিশ্চিতভাৱে আমাৰ গাঁৱৰ উন্নয়ন হ'ব আৰু ৰাজ্য খনৰ উন্নয়ন হ'ব। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, যে আমি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা চতুৰ্দশ, পঞ্চদশ বিত্তীয় বৰ্ষৰ বিভিন্ন কাম সমূহ চলি আছে। সেই কাম-কাজসমূহৰ ক্ষেত্ৰত নিশ্চিত ভাৱে বিভাগে চকু দিছে তাক মই অস্বীকাৰ নকৰোঁ। কিন্তু কাম-কাজ সমূহ তৰান্বিত কৰিবৰ কাৰণে, এই কাম-কাজ সমূহ এশ শতাংশ সফল কৰাৰ ক্ষেত্ৰত বিভাগে যি ধৰণে ব্যৱস্থা আৰোপ কৰিব লাগে, এতিয়াও কৰবাত নহয় কৰবাত ক্ৰুতি ৰৈ আছে। MGNREGA ৰ ক্ষেত্ৰত ইয়াৰ আগতেও পবিত্ৰ বিধান সভাত মই বিভিন্ন তথ্য উল্লেখ কৰিছোঁ। আজি আৰু পুনৰাই দোহাৰিব নিবিচাৰো, মাত্ৰ এটা কথাকে কওঁ যে, য'ত আমি প্ৰশ্ন উৎথাপন কৰো মাননীয় মন্ত্ৰী ডাঙৰীয়াই সেই প্ৰশ্নৰ উত্তৰত এই বিভাগৰ বিষয়া সকলে যিখিনি উত্তৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াক সাজু কৰি দিয়ে সেই উত্তৰ খিনি চাই মন্ত্ৰী ডাঙৰীয়াই যিটো সন্তুষ্টি লাভ কৰে, তেনেহলে কিন্তু এই বিভাগটোৰে সফল নহয়। আমি অনা বিভিন্ন অভিযোগ যেনেকৈ অসমত জব কাৰ্ড হ'ল্ডাৰে ১০০ দিনৰ কাম পাইছে নে নাই? সকলো জব কাৰ্ডে ১০০ দিনৰ কৰ্ম দিনৰ ক্ষেত্ৰত জিলা পৰ্য্যায়তে হওঁক, ব্ল'ক পৰ্য্যায়তে হওঁক, পঞ্চায়ত পৰ্য্যায়তে হওঁক তেখেত সকলে পদক্ষেপ গ্ৰহণ কৰিছে নে নাই? এই কথাবিলাক বিভাগক পৰ্য্যালোচনা হ'ব লাগেনে উপাধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মাননীয়

মন্ত্ৰী ডাঙৰীয়াক এটা কথাকে কওঁ MGNREGA ৰ ক্ষেত্ৰত বৰ্তমান অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ ১০০ শতাংশ বিফল হৈছে। আজি ১০০ দিনৰ কিমান জব কাৰ্ড হ'ল্ডাৰে কাম পাইছে? তাৰ তথ্য লক্ষ্য কৰক। আজি কিমান কৰ্মদিনৰ সৃষ্টি কৰা হৈছে অসমত, য'ত ৪১ কোটি কৰ্মদিনৰ সৃষ্টি কৰিব লাগে তাত ৭ কোটিৰ ওপৰত কৰ্মদিনৰ সৃষ্টি হৈছে। এয়া বিভাগৰ সফলতা নহয়, এয়া বিভাগৰ বিফলতা। এনে বিফলতাই অসম খনক বহুত পিছুৱাই লৈ যাব। MGNREGA ৰ ক্ষেত্ৰত অসমে কিমান টকা লাভ কৰিছে কেন্দ্ৰ চৰকাৰৰ পৰা? কেন্দ্ৰই আমাক টকা দিয়া নাই নেকি? কেন্দ্ৰই অসমক বঞ্চিত কৰিছে নেকি? কাৰণ MGNREGA এখন আঁচনিয়ে নহয়, এখন আইন। এই আইনৰ জৰিয়তে এই আইনে যিখিনি অধিকাৰ দিছে জব কাৰ্ড হ'ল্ডাৰ সকলক সেই অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি চমু কৰক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰক্ষেত্ৰী) ঃ** গতিকে আমাৰ বিশিষ্ট সকলে ক'ব। মই আপোনাৰ জৰিয়তে আকৌ মাননীয় মন্ত্ৰী ডাঙৰীয়াক মাত্ৰ এটা কথাকে কওঁ যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ বৰ্তমান অসমত ব্যৰ্থ হৈছে আৰু এই ব্যৰ্থতাৰ পৰা কেনেকৈ সফল কৰিব পাৰি মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিহীত ব্যৱস্থা লোৱাৰ আশাৰে মোৰ বক্তব্য সামৰিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য পৃথ্বিৰাজ ৰাভা।

**শ্ৰীপৃথ্বিৰাজ ৰাভা, (তেজপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা কালিৰে পৰা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যি ধন মঞ্জুৰী কৰা হৈছে এই মঞ্জুৰী কৰ্তনৰ প্ৰস্তাৱ বিৰোধী পক্ষ্যৰ সদস্য সকলে দাঙি ধৰিছে। এই প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুযাৰ কব খুজিছোঁ। এইবাৰ আমাৰ চৰকাৰে বাজেটত এটা কথা কৈছে যে আমাৰ গাওঁ আমাৰ গৌৰৱ। সকলোৱে জ্ঞাত যে অসমত প্ৰায় ৮৬ শতাংশ ব্যক্তি লোক পৰিয়াল গ্ৰাম্য অঞ্চলত বাস কৰে। গ্ৰাম্যাঞ্চলত বসাবাস কৰা এই সকলৰ ওপৰতে গোটেই অসমখন নিৰ্ভলশীল। কাৰণ সেই সকলে যদি শস্য উৎপাদন নকৰে সেই সকলে উদ্যান শস্য উৎপাদন নকৰে তেনেহলে অসমে কেতিয়াও আৰ্থিক ভাৱে উন্নতি লাভ কৰিব নোৱাৰে। আৰু ২৬,০০০ খন গাঁও অসমত আছে, এই ২৬,০০০ খন গাঁৱৰ সকলো গাঁৱৰ pattern একে নহয়। জিলা ভিত্তিত, পাহাৰত, ভৈয়ামত, বানপানী হোৱা অঞ্চলত বিভিন্ন ঠাইত বিভিন্ন ধৰণে গাঁও বিলাক গঢ় লৈ উঠিছে আৰু বিভিন্ন গাঁও বিলাকৰ আৰ্থিক স্থিতি সমান নহয়। গোটেই খিনি কাৰ্য্য কৰিবলৈ যাওঁতে তেখেত সকলৰ উন্নতি কৰিবলৈ যাওঁতে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে যি দায়িত্ব পালন কৰিবলৈ গৈ আছে আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এই গাঁও সমূহক কেনেকৈ আৰ্থিক ভাৱে উন্নতি লাভ কৰিব পাৰো সেই বিষয়ে কবলৈ যাওঁতে মই দুযাৰ কথা কব লাগিব। এইবাৰ বাজেটত কোৱা হৈছে যে গাঁৱৰ সত্বাক পুজিত উৎজিৰীত কৰাৰ লগতে গাঁও বাসীৰ মনত এটা একত্মাক গোট সৃষ্টি কৰাৰৰ উদ্যেশে প্ৰতিখন গাঁৱত গাঁও প্ৰতিষ্ঠা দিবস পালন কৰা হ'ব। ইয়াৰ প্ৰতিখন গাঁৱলৈ ৫,০০০ টকাকৈ উদগনিমূলক পুঁজি আগবঢ়োৱা হ'ব। আকৌ কৈছে যে ধান সংগ্ৰহৰ ক্ষেত্ৰত অসম চৰকাৰে কৃষক সকলক, কাৰণ গাঁও অঞ্চলতে যিহেতু ধান উৎপাদন হয়, এই গাঁও অঞ্চলত বসাবাস কৰা লোকসকলক আত্মনিৰ্ভৰশীল কৃষি এই নীতি গ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ পুঁজিৰে অসম কৃষি বিপনন পৰিষদ আৰু অসম গ্ৰাম্য আৰু অসামৰিক যোগান নিগমৰ দ্বাৰা ৰাজ্যৰ কৃষকৰ মাজত উদগনিমূলক দৰৰ মিলেড আৰু সৰিয়হ, ধানৰ উপৰিও মিলেড আৰু সৰিয়হ ক্ৰয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। স্বনিৰ্ভৰশীন নাৰী আঁচনিৰ অধীনত হস্ততাঁত আপোনালোক সকলোৱে জানে যে আমাৰ গাঁৱৰ শিপিনী সকলে কাপোৰ বয়, গামোচা, মেখেলা-

চাদৰ, বিচনা-চাদৰ আদি কৰি বিভিন্ন ধৰণৰ কাপোৰ বয় আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত তেখেত সকলৰ নিজা নিজা পোচাক আছে আৰু এই পোচাক বিলাক তেখেত সকলে নিজৰ নিজৰ ব'বলৈ আৰম্ভ কৰে উৎপাদন কৰে। তাত ক্ৰয় কৰিবৰ কাৰণে এটা ব্যৱস্থা ৰখা হৈছে, আমি চৰকাৰী যোগানৰ বাবে গাওঁ অঞ্চলৰ পৰা হস্ততাঁত উৎপাদিত বস্ত্ৰ ক্ৰয়ৰ হাৰ বৃদ্ধিৰ কাৰণেও ব্যৱস্থা ৰাখিছোঁ। এয়া হ'ল আমাৰ গাওঁ আৰু আমাৰ গৌৰৱ। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ যি বক্তব্য, সেই বক্তব্যখিনি আমি সকলোৰে বিশেষকৈ এই চৰকাৰ খনে দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি আহিছে। আপোনালোকে জানে যে মাননীয় ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই অমৃত সৰোবৰ নামাকৰণেৰে পুখুৰী খান্দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। এই পুখুৰী খান্দিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণ কেইবাটাও আছে। ভৰতবৰ্ষৰ অন্য ঠাইকে ধৰি অসমতো যি এতিয়া জলসম্পদ সুৰক্ষিত কৰিবৰ কাৰণে যি ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে climate change ৰ ওপৰত বিভিন্ন ধৰণৰ আইন ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে, বিভিন্ন আলোচনা বিলোচনা কৰি থকা হৈছে। তাৰ ওপৰত ভিত্তি কৰি মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই অমৃত সৰোবৰৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে তাত ৩০৭ স্থান চিনাক্ত কৰা হৈছে আৰু এই ৩০৭ টা স্থান ইতিমধ্যে এই অমৃত সৰোবৰৰ কাম চলি আছে। অমৃত সৰোবৰৰ কাম শেষ হোৱাৰ পিছত বা যেতিয়া সম্পন্ন হ'ব তেতিয় দেখিব যে অসমৰ যি ৩০৭ টা স্থানত অমৃত সৰোবৰ হ'ব তাত মৎস্য পালন, মৎস্য পালনৰ লগতে হাঁহ পালন, তাৰ লগতে পাৰ বিলাকত বিভিন্ন ধৰণৰ গছ-গছনি আৰু অমৃত সৰোবৰৰ যি বিলাক পাৰ আছে, এই পাৰ সমূহত অন্য অন্য বিভিন্ন ফাৰ্ম আদি খুলিবৰ বাবে শস্য আদি উৎপাদনৰ বাবে সমবায় সমিতিৰ সকলকো এই দায়িত্ব পালন কৰিবলৈ দিয়াৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কাৰ্বি আংলংত এই আঁচনি উদ্বোধন কৰে ২৮ এপ্ৰিলত। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ক্ষেত্ৰত অধীনত এই ৭ লাখ ৩৬ হাজাৰ ৫৮৭ টা ঘৰ প্ৰদান কৰা হৈছে। এটা সময়ত ইন্দিৰা আৱাস যোজনা আছিল, তদানীন্তন চৰকাৰ যেতিয়া আছিল, সেইখিনি সময়ত গ্ৰাম্য জীৱনত মানুহৰ থকাৰ যি ব্যৱস্থা আমি নিজে দেখিছো। অসমৰ গাঁওলীয়া জন জীৱনত আমি যেতিয়া হাইস্কুল, কলেজত পঢ়ি আছিলো তেতিয়া বাঁহৰ খুটা, খেৰৰ ঘৰ, বাৰিষা আহিলে পানী পৰে, ঘৰৰ ভিতৰত আকৌ এই খেৰ বিলাক মেৰামতি কৰা হয়। বহুত মানুহ আছিল মানুহৰ ঘৰত চৰিয়া থৈ বৰষুণৰ পানী সংৰক্ষণ কৰি বাহিৰলৈ পেলায় জীৱন ধাৰণ কৰিবলগীয়া হৈছিল। এতিয়া এই চৰকাৰে অসমৰ বিভিন্ন গাঁৱত PMAY ৰ জৰিয়তে যিবোৰ ঘৰ আজি হ'বলৈ ধৰিছে আজি সকলোৰে আনন্দিত। আনন্দিত এই কাৰণে যে তেখেতসকলে থাকিব কাৰণে এটা ঘৰ হৈছে। মাননীয় উপাধ্যক্ষৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো যে, বিভিন্ন জিলাত যি ধৰণে PMAY ৰ ঘৰ বিলাক আবন্টন হ'ব লাগিছিল, এই বিলাক যেন সঠিকভাৱে হোৱা নাই তেনে ধৰণে মই অনুভৱ কৰিছো। মোৰ সমষ্টি ৭৩ নং তেজপুৰ বিধান সভা সমষ্টিত দেখা যায় যে যি সকল প্ৰকৃততে দুখীয়া এই দুখীয়া মহিলা সকল মই বিধায়ক হিচাবে মোৰ ঘৰলৈ আহে, মোক লগ কৰে, তেখেত সকলৰ এটাই আপত্তি আজি বছৰ বছৰ ধৰি আমি এই PMAY ৰ ঘৰৰ কাৰণে এপ্লাই কৰি আছো কিন্তু আমাৰ ঘৰ বিলাক এতিয়াও পোৱা নাই। তাৰ কাৰণে এটা মনোযোগ দিব লাগে। প্ৰত্যকখন জিলাত PMAY ৰ সংক্ৰান্তত এটা গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগে মন্ত্ৰী মহোদয়ে আৰু বিভাগীয়ভাবে উন্নয়নখণ্ডৰ পৰ্য্যায়ৰ পৰা গাওঁ পঞ্চায়ত পৰ্য্যায়লৈকে যাতে PMAY ৰ কাম বিলাক ভালকৈ কৰে তাৰ বাবে মই দৃষ্টিগোচৰ কৰিলো। জলজীৱন মিছন আন এটা অধ্যায়,

জলজীৱন মিছনৰ জৰিয়তে আজি অসমৰ বিভিন্ন ঠাইত খোৱা পানী ব্যৱস্থা কৰি থকা হৈছে। আমাৰ কেইদিনমান আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৱাহাটীত এখন ঠিকাদাৰ, ইঞ্জিনিয়াৰ সমূহক মাতি নিৰ্দেশ দিছে যাতে জলজীৱন মিছনৰ কামৰ ক্ষেত্ৰত কোনো ধৰণৰ হেমাহী নকৰে। এই কাম বিলাক সময় মতে উলিয়াব লাগিব আৰু টাৰ্গেট ধৰি দিয়া হৈছে অহা বছৰৰ ২৪ মাৰ্চ ২০২৪ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যি কাম গাওঁত চলি আছে, গতিকে মাননীয় মন্ত্ৰী মহোদয়ে, এই বিষয়ত নজৰ ৰাখে। অসমে ভাৰতৰ অন্য অন্য ৰাজ্যৰ স্থান লাভ কৰিবলৈ সক্ষম হয়। গাওঁ পঞ্চায়তৰ জৰিয়তে ৰাজহুৱা শৌচালয় নিৰ্মাণ কৰিবলৈ কোৱা হৈছে। অংগনবাদী কেন্দ্ৰ সমূহত পানী যোগান আঁচনিসমূহ ব্যৱস্থা কৰিবলৈ কোৱা হৈছে। APDCL ৰ সৌভাগ্য আঁচনিৰ জৰিয়তে গাওঁ অঞ্চলত বিদ্যুতৰ ব্যৱস্থা কৰিবলৈ দিয়া হৈছে প্ৰতি ঘৰে ঘৰে। উজলা আঁচনিৰ যোগেদি প্ৰতি ঘৰত একোটাকৈ ৰন্ধন গেছৰ ব্যৱস্থা কৰিবলৈ দিয়া হৈছে। এই গোটেইখিনি আঁচনি গাঁও সকলক উন্নীতকৰণ কৰাৰ বাবে বিভিন্ন বিভাগৰ সন্মিলিত প্ৰচেষ্টাৰে আমি গাওঁ সমূহক উন্নীতকৰণ কৰিব লাগিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বহু ব্যক্তিলৈ উৎসাহ জনক ভাবে একো একোখন চিঠি পঠাব। ইন্দিৰা মিৰি বৃদ্ধ পেন্সন, বিধৱা পেন্সন, দিবাংগ পেন্সন চৰকাৰৰ পৰা ৩২৭.১০ কোটি টকাৰ বিপৰীতে ২৩২.১৬ কোটি টকা ধন ইতিমধ্যে লাভ কৰি ৯০ শতাংশ ধন ইতিমধ্যে ব্যৱহাৰ হৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মুঠ ৩ লাখ ২৯ হাজাৰ ৩৬৫ টা আত্ম সহায়ক গোট গঠন কৰা আৰু আত্মসহায়ক গোটলৈ ২৫ হাজাৰ পুঁজি প্ৰদান কৰাৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে, ইয়াৰ দ্বাৰা আমাৰ গ্ৰাম্য অঞ্চলৰ মহিলা সকলে, ৰাইজে সুবিধা লাভ কৰিব। এই সুবিধাৰ জৰিয়তে তেখেত সকলে গাঁৱলীয়া জীৱনক উন্নীতকৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো কৈছে, যি সকল নিবনুৱা আছে, তেখেত সকলৰ বাবে ২ লাখ পুঁজি আবন্টন দিয়া হ'ব যাৰ দ্বাৰা তেখেতসকলে গাঁৱলীয়া জনজীৱনৰ বসবাস কৰা ল'ৰা-ছোৱালীয়ে জীৱিকা নিৰ্বাহ কৰাৰ বাবে আগবাঢ়ি আহিব পাৰিব। PMAY ৰ ঘৰৰ কথা আমি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা লাভ কৰিছো। এইবাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, মুখ্যমন্ত্ৰীৰ আৱাস যোজনাৰ ব্যৱস্থাটো ৰখা হৈছে। এই আৱাস যোজনাত ৮০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ২০২২-২৩ চনত ১ লাখ পৰিয়ালক এই ঘৰ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এতিয়ালৈ মুঠ ধন দিয়া হৈছে ৮ লাখ ৭৩ হাজাৰ ৬৮৭.৪৫ যি ধাৰ্য্য কৰা হৈছে আমাৰ গাঁৱলীয়া জনজীৱন অৰ্থাৎ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা আমাৰ গাঁৱলীয়া জনজীৱন উন্নীত হ'ব। সকলো আঁচনি যদি সফলভাৱে ৰূপায়ণ কৰিবলৈ যাঁও তেতিয়া হ'লে অসমৰ গাঁৱলীয়া জনজীৱন চহৰতকৈ অধিক উন্নতৰ হ'ব। মোৰ সমষ্টিত তেজপুৰ যিখন নগৰ আছে, তাৰ ওচৰে পাজৰে যিখিনি গাঁও আছে আৰু আনকি গুৱাহাটীৰ দাঁতি কাষৰীয়া যিখিনি গাঁও পঞ্চায়তৰ অধীনত আছে লাহে লাহে চহৰীয়া মানুহে মাটি-বাৰী কিনি এইবিলাক টাউনলৈ পৰিণত কৰিছে। যধে-মধে পথাৰৰ মাজত পানী যোৱা ৰাস্তা বন্ধ কৰি তেখেত সকলে ঘৰ বাৰী বনাইছে। আনকি যি ৰাস্তা ঘাট কৰিছে তাত দুখন গাড়ী যাব নোৱাৰে। গতিকে এনে এখন আইন বনাব লাগে। পৌৰসভাত যেনেকৈ আইন তৈয়াৰ কৰা হয়। চহৰ এলেকাটো এনেকুৱা এখন আইন বনাব লাগে যে, ৰাস্তা-ঘাট বহল হ'ব লাগিব, নলা-নৰ্দমা যাতে আবদ্ধ কৰিব নোৱাৰে এই বিষয়ে এখন আইনৰ ব্যৱস্থা কৰিব লাগে। এই টাউনৰ মানুহ গৈ গাঁও এলেকা বিলাক যাতে গ্ৰাস কৰিব নোৱাৰে, তাৰ কাৰণে ব্যৱস্থা ৰাখিব লাগে বুলি মই অনুৰোধ কৰি যাতে এই কৰ্তন প্ৰস্তাৱটো মই সমৰ্থন নকৰি যি মঞ্জুৰী কৰা হৈছে, সেই মঞ্জুৰীৰ দ্বাৰা কাম কৰিব লাগিব, ইয়াতকৈ অধিক ধন মঞ্জুৰী কৰিব লাগিব বুলি

কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী তেৰচ গোৱালা।

**শ্ৰী তেৰচ গোৱালা, (দুলীয়াজান)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মঞ্জুৰী নং ৫৭ ৰ অধীনত পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ ৮ লাখ ৭৩ হাজাৰ ৬৮৭.৪৫ লাখ টকাৰ দাবী মঞ্জুৰী বিচাৰি যি প্ৰস্তাৱ উত্থাপন কৰাৰ বিৰুদ্ধে বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধ কৰি মই কেইটামান কথা ক'ব বিচাৰিছো। মই ২ নম্বৰ বাৰৰ বাবে বিধায়ক হৈছো, মই যোৱাকালি এটা নজিৰবিহীন ঘটনা দেখা পালো যে দাবী মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আনি মূল বিৰোধী দলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন নকৰি সদনৰ পৰা ওলাই যোৱাতো মই বুজি নাপালো, যে আচলতে তেওঁলোকে এই বিষয়টো কিয় আনিছিল। সেই কাৰণে মই ভাবো, যোৱা কালি তেওঁলোকে আলোচনাত ভাগ ললে আমি বহু কথা গম পালোহেঁতেন। কিন্তু তেওঁলোকে আলোচনাত ভাগ নোলোৱাৰ কাৰণে আমি বহু কথাৰ পৰা বিৰত থাকিব লগা হ'ল। প্ৰথম কথাটো হ'ল পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ এনেকুৱা এটা বিভাগ, যিটো বিভাগে আমাৰ পণ্ডিত দীনদয়াল উপাধ্যায়ৰ যি দৰ্শন, মহামানৱ মহাত্মা গান্ধীৰ যি দৰ্শন যি চিন্তা, প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ যি চিন্তা যি দৰ্শন, তাক বাস্তৱত ৰূপ দিয়াৰ কাৰণে কাম কৰি আছে। এইটো বিভাগে দুখীয়াতকৈ দুখীয়ালোকক ঘৰ দিবলৈ চেষ্টা কৰিছে। দুখীয়াতকৈ দুখীয়াজনক জৱকাৰ্ডৰ জৰিয়তে কাম দিবলৈ চেষ্টা কৰিছে। এই বিভাগটোৱে অমৃত সৰোবৰৰ দৰে পুখুৰী খান্দি নিবনুৱা সকলক কৰ্ম সংস্থাপনৰ হকে কাম কৰিবলৈ চিন্তা কৰিছে। 15th Finance Commission ৰ দৰে Commission ৰ অধীনটো উন্নয়নমূলক কাম কৰিবলৈ চেষ্টা কৰিছে। বিধৱাসকলৰ কাৰণে কাম কৰিছে, বৃদ্ধ সকলৰ কাৰণে কাম কৰিছে, দিব্যাংগ সকলৰ কাৰণে কাম কৰিছে। গতিকে ই এটা প্ৰকাণ্ড বিভাগ। ইমান এটা ডাঙৰ বিভাগ যি দুখীয়াতকৈ দুখীয়ালোক সকলৰ কাৰণে কাম কৰি থকা এই বিভাগটোৰ যি দাবী মঞ্জুৰী উত্থাপন কৰিছে মই ভাবো এই পইচাটো কম হৈছে। এই পইচাটো বৃদ্ধি কৰিব লাগে। এই বিষয়ত মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কেইটামান কথা ক'ব বিচাৰিম, এনেৰেগাৰ কামত ইতিমধ্যে আমি কেইবা লক্ষ দুখীয়ালোকক জৱকাৰ্ডৰ জৰিয়তে কাম দিছো। কিন্তু কিছু কাৰিকৰী কথাৰ কাৰণে এই জৱকাৰ্ড হ'ল্ডাৰ সকলে কাম পোৱা নাই। মোৰ দুলীয়াজান বিধান সভা সমষ্টিত এই বছৰ বিশেষকৈ সময় মতে কামৰ ডিমাণ্ড আপলোড কৰিব নোৱাৰাৰ কাৰণে এতিয়ালৈকে তাত জৱকাৰ্ডৰ কাম আৰম্ভ কৰিব নোৱাৰিলো। মই ভাবো অনাগত দিন বিলাকত জৱকাৰ্ড জি পি ডি পি ৰ জৰিয়তে এপ্ৰোভ কৰিব লাগে বা Adopt কৰিব লাগে। এই কাম বিলাক অফ চি'জনত যদি আপডেট কৰি ৰাখো, তেতিয়া হ'লে, সাধাৰণতে জৱকাৰ্ডৰ কাম বিলাক নবেম্বৰৰ পৰা মাৰ্চ মাহৰ ভিতৰত কৰাৰ পৰিবেশ থাকে বা আমাৰ যিটো বতৰ সেই বতৰে আমাক সমৰ্থন কৰে। সেই কাৰণে নবেম্বৰৰ পৰা মাৰ্চ মাহৰ ভিতৰত যাতে জৱকাৰ্ডৰ কামবিলাক কৰিব পাৰো। তাৰ কাৰণে অফ চি'জনত গোটেই প্ৰক্ৰিয়াটো বিভাগে শেষ কৰি নবেম্বৰৰ প্ৰথম সপ্তাহৰ পৰা যাতে কাম আৰম্ভ কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই অনুৰোধ জনাম। এতিয়া এটা অসুবিধা হৈছে যে যিহেতু আমি পোনপটীয়াভাবে জৱকাৰ্ড হল্ডাৰৰ মজুৰীটো একাউন্টত দিওঁ আৰু বেংক একাউন্ট দিয়াৰ কাৰণে বেংকবিলাকৰ জৱকাৰ্ডৰ লগত সম্পৰ্ক হ'ল। শেহতীয়াভাৱে জৱকাৰ্ডৰ লগত বেংক একাউন্ট আৰু আধাৰ কাৰ্ড সংলগ্নৰ কথাটো আহিল, আৰু এই আধাৰ কাৰ্ড সংলগ্ন কৰিবলৈ যাওঁতে এটা ডাঙৰ সমস্যাৰ সৃষ্টি হৈ আছে যে এই সকল দুখীয়া মানুহে সাধাৰণতে আইন কানুন ব্যৱস্থাৰ একো কথা বুজি নাপায়। তেওঁলোকে এটাই জানে যে আমি কাম পাব লাগে আমি কাম কৰিব লাগে

আৰু কাম কৰাৰ বিনিময়ত আমি মজুৰী পাব লাগে। কিন্তু যিহেতু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই যেনেকৈ অগ্ৰগতি লাভ কৰিছে, তাৰ লগত সংগতি ৰাখি চৰকাৰেও অতি সহজে কোনো ধৰণৰ দুখীয়াৰ মজুৰীৰ পইচা যাতে কোনেও আত্মসাৎ নকৰাকৈ তেওঁৰ পইচা তেওঁৰ একাউন্টত যাব পাৰে তাৰ কাৰণে বেংক একাউন্টৰ জৰিয়তে দৰমহা দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু বেংক বিলাকে সময়মতে আধাৰ লিংক কৰি দিয়া নাই, তেওঁলোকে কৰিব নোখোজে যাৰ কাৰণে মই দুলীয়াজান বিধান সভা সমষ্টিৰ টেঙাখাট ব্লকত মই দেখিছো, যে সৰ্বমুঠ জবকাৰ্ড আছিল ৫৬,৪৪৩ টা ,তাৰে এতিয়া active হৈ আছে ৩৭,৬১৯ টা, আধাৰ নংৰ সৈতে আছিল ৩৯,৩৭১ টা আৰু active হৈ আছে ৩১,৪৮২ টা আৰু আধাৰ কাৰ্ড সংলগ্ন নকৰাকৈ ১৭,০৭২ টা জৱকাৰ্ড এতিয়াও আছে। গতিকে এটা ব্লকত বা এটা সমষ্টিত, মোৰ সমষ্টিত আচলতে ১৬ টা পঞ্চায়ত আছে, তাৰে ১৪ টা পঞ্চায়তৰ কথাহে মই কৈ আছো। ১৭,০৭২ টা জৱকাৰ্ড এতিয়াও আধাৰ লিংক কৰিব পৰা নাই বা বেংক একাউন্টত আধাৰ  লিংক কৰিব পৰা নাই। যাৰ কাৰণে এই শ্ৰমিক সকলৰ যিটো প্ৰাপ্য তেওঁলোকে পাব পৰা নাই। সেই কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাম যে এই জৱকাৰ্ড বিষয়টো অলপ স্পেচিয়েল বিবেচনা কৰিব লাগে যে এই দুখীয়া মানুহ বিলাকক কোনো ধৰণৰ হাৰাশাস্তি নকৰাকৈ আমি তেওঁলোকৰ কামখিনি কৰিব পাৰো। মাননীয় মুখ্যমন্ত্ৰী মহোদয় অধিক শক্তিশালী আৰু সক্ৰিয়তাৰে ইতিমধ্যে কৈছে আগতে আছিল গাঁৱৰ মানুহ কাৰ্য্যালয়ত যাব লাগে, টাউনত যাব লাগে, চহৰত যাব লাগে নিজৰ সমস্যা বিলাক ক'ব লাগে, এতিয়া কৈছে যে অফিচ বিলাক বা কাৰ্য্যালয় বিলাকহে গাঁৱলৈ  যাব বা ৰাইজৰ ওচৰলৈ  যাব। এইটোও আছিল যে পঞ্চায়তৰ জৰিয়তে এইটো খুব ধুনীয়াকৈ কাম কৰি আছে। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাম যে এইবাৰ প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ অধীনৰ, মই দুলীয়াজান বিধান সভা সমষ্টিত প্ৰায় ১৭৪৭১ টা ঘৰ পাবলৈ সমৰ্থ হৈছো। এটা  বিধান সভা সমষ্টিত ইমান দুখীয়া মানুহক একেলগে একেসময়ত ইমান ঘৰ আৱন্টন দিবলৈ চেষ্টা কৰাৰ কাৰণে মই ধন্যবাদ জনাইছো। তাৰে ইতিমধ্যে eligible হিচাবে ৯৩৪১ টা ইতিমধ্যে চেংশ্যন হৈছে। কেৱল ইয়াত এটা কাৰ ভুলৰ কাৰণে হ'ল মই নাজানো। ইয়াত এটা তদন্তৰ প্ৰয়োজন আছে, যে প্ৰায় ৫১২৬ টা ঘৰ rejected by as per system যিটো দেখাই দিলে, দেখাই দিয়াৰ কাৰণে আমাৰ ৱাৰ্ড মেম্বাৰৰ লগতে পঞ্চায়ত প্ৰেচিডেন্ট সকল যথেষ্ট সমালোচনাৰ সন্মুখীন হৈছে বা তেওঁলোক সাধাৰ ৰাইজৰ আক্ৰমণৰ সন্মুখীন হ'ব লগা হৈছে। এই দুখীয়া বিধৱা মহিলা গৰাকীৰ ঘৰটো কেনেকৈ reject হ'ল, এই ক্ষেত্ৰত স্বাভাৱিকতে  যি গৰাকী ব্যক্তিক আমি চৰকাৰীভাবে জিঅ টেকিং কৰিবলৈ দিছিলো, মই ভাবো সম্ভৱত তেওঁ  সঠিকভাবে সেই ঘৰটোত নগৈ ক'ৰবাত বহি বা 2nd person, 3rd person ৰ জৰিয়তে হয়তো জি অ' টেগিং কৰাৰ কাৰণে  সেই ঘৰটো থাকি গ'ল। একে সময়তে এইটো ঠিক যে বিগত দিনত যি গৰাকীয়ে ঘৰ পাইছে, তেওঁৰ নামত আকৌ ঘৰ আহিছে। গতিকে সেই দুখীয়া মহিলা গৰাকী যেতিয়া আমাৰ ওচৰত আহি কান্দি কান্দি কয় যে অমুকে ঘৰ পাই আছে, এবাৰ নহয় দুবাৰ নহয় তিনিবাৰকৈ ঘৰ পাইছে। যিটো আগতেওঁ হৈ আছিল মই ভাবো সেইটো অলপ পৰীক্ষা কৰাৰ দৰকাৰ আছে। অতি দুখীয়া মানুহজনক বা হিতাধিকাৰীজনক যাতে আমি ঘৰ বিলাক দিব পাৰো। পি এম এৱাইৰ কাচ্ছা হাউচ ও মই যথেষ্ট পাইছিলো, ২০২১-২২ চনত প্ৰায় ৬,৪৭৪ টা ঘৰ পাবলৈ সমৰ্থ হৈছো। তাৰে ৬,৪৭৪ টা ঘৰ চেংশ্যন হৈছিল। আৰু ইতিমধ্যে ৪,৬০৭ টা ঘৰ সম্পূৰ্ণ হৈছে, ১,৮৭০ টা ঘৰৰ এতিয়াও কাম চলি আছে।  ঘৰ বনোৱাৰ ক্ষেত্ৰত বিভাগক আমি যি ধৰণে সমালোচনা কৰো, কিন্তু ক'ৰবাত নহয়

ক'ৰবাত আমাৰো দোষ আছে। আমি বিধায়কসকলেও যিহেতু ব্লক লেভেল ভিজিলেঞ্চ কমিটিৰ চেয়াৰমেন হৈ আছো, আমাৰো মনিটৰিং ক'ৰবাত দুৰ্বল হৈ আছে, যাৰ কাৰণে আমি ঘৰ বিলাক ক'ৰবাত নহয় ক'ৰবাত বনোৱাত হেমাহি হৈছে। গতিকে মই ভাবো যে এই ক্ষেত্ৰত আমি অলপ দায়িত্ব ল'ব লাগে যাতে দুখীয়াজনৰ ঘৰ সময়মতে যাতে নিৰ্মাণ কৰি উলিয়াব পাৰে, তাৰ কাৰণে আমি দায়িত্ব ল'ব লাগে। অমৃত সৰোবৰ এটা ভাল ব্যৱস্থা। মই প্ৰথম এই অমৃত সৰোবৰ বুজি পোৱা নাছিলো। কিন্তু এতিয়া যেতিয়া গোটেই কামখিনি প্ৰেকটিকেল কৰি আছে। কৰাৰ পিছত যেতিয়া মই গোটেই ব্যৱস্থাটো গম পালো, তাতো এতিয়া এটা এটা পুনৰ সংস্থাপন দিব পৰা হৈছে। কেৱল তাত এতিয়া যিহেতু আমাৰ ফৰেষ্টৰ লগত ৰিলেশ্যন থাকিব ফিচাৰি বিভাগৰ লগত ৰিলেশ্যন থাকিব, গতিকে কোঅৰ্ডিনেশ্যন কমিটি আমি বনোৱাটো বিচাৰো। কাৰণ যিহেতু তাত মাছ পুহিব লাগিব । মাছ পোহাৰ যিটো টেকনিকেল আমাক ফিচাৰি বিভাগে পৰামৰ্শ দিব। ঠিক তাত কৈছে যে শেষ পৰ্যায়ত আমি গছ ৰোপন কৰিব লাগিব, আজিৰ তাৰিখত যিবিলাক গছ ৰোপন কৰিলে আমি হয়তো ১০ বছৰ পাছত , ১৫ বছৰ পাছত সেই গছৰ পৰা এটা ৰাজহ পাব পাৰিম, তাৰ পৰা আমি এটা ইনকাম কৰিব পাৰিম।কোন বিলাক গছ ৰুলে আমাৰ ভাল উপকাৰ হ'ব। দ্বিতীয়তে আমি ফলমূলৰ গছ লগাব পাৰো নেকি? যিহেতু ফলমূলৰ গছৰ লগত আমাৰ মহিলা সকলে যিটো আচাৰ উদ্যোগ কৰি আছে, আমলখিৰ হওঁক বা বগৰী হওঁক, ঠিক এনেকুৱা ধৰণৰ গছ পুলি আমি ৰুব পাৰো নেকি? এই বিলাকস কৰিলে মই ভাবো আমাৰ অমৃত সৰোবৰ মাছ পোহা আৰু আচাৰ বনোৱা বিষয় বিলাক আমি তাত অৰ্ন্তভুক্ত কৰিব পাৰিম। 15th Finance Commissionৰ জৰিয়তে যথেষ্ট বিকাশৰ কাম হৈছে। 14th Finance Commission ভাল আছিল। মই নাজানো এইটো কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা তথাপিও মই ভাবো ৰাজ্য চৰকাৰে তেনেকুৱা এটা ৰুল কৰিব পাৰে নেকি যে 14th Finance ত আমাৰ সৰু সৰু ৰাস্তা বিলাক আমি বনাব পাৰিছিলো। interlocking concrete paver blocks দি বনাই দিছিলো যাৰ বাবে আমি ৰাইজৰ যথেষ্ট প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিলো। গোটেই অসমত এইটো প্ৰত্যেকজন বিধায়কে বিচাৰে। মই ভাবো অসমৰ প্ৰেক্ষাপটত এইটোৰ অলপ ব্যৱস্থাটো সলনি কৰি পুনৰ আমি ICBP ৰ ৰাস্তা বনাব পাৰো নেকি তাৰ ব্যৱস্তা কৰিবলৈ অনুৰোধ জনাইছো। উপাধ্যক্ষ মহোদয় মই পুনৰবাৰ কৈছো যিহেতু বেংকে সময়মতে আধাৰ চিদিং কৰি দিয়া নাই গতিকে এইটোৰ কাৰণে ফাইনেন্স মিনিষ্টাৰৰ লগত স্পেচিয়েল কনচাল্ট কৰি মণিটৰিঙৰ ব্যৱস্থা কৰাটো মই বিচাৰো। ইয়াৰ উপৰিও মই ভাবো যে এটা ক'ৰডিনেশ্যন কমিটি জিলা পৰ্য্যায়তে হওঁক বেংক, ৰেভিনিউ, ফৰেষ্টৰ, ৱাটাৰ ৰিচৰ্চৰ লগত কাৰণ পি এন আৰ ডি আদিৰ লগত এই সকলোৰে সম্পৰ্ক আছে। সেয়েহে আমি যদি এখন ষ্ট্ৰং ক'ৰডিনেশ্যন কমিটি বনাব পাৰো তেতিয়াহ'লে নিশ্চয় আমাৰ যিটো পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ সপোন দেখিছো বা চিন্তা কৰিছো এই কাম বিলাক ৰূপায়ণ কৰিব পাৰিম। মই পুনৰ বাৰ বিৰোধী দলে এই কৰ্তন প্ৰস্তাৱ অনাৰ বিৰূদ্ধে মই বিৰোধ কৰি মাননীয় ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ৰ যি দাবী মঞ্জুৰী উত্থাপন হৈছে তাত আৰু অধিক পইচা দিবৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই পি এন আৰ ডিৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে কিছু কথা ক'বলৈ ওলাইছো। মহামানৱ মহাত্মা গান্ধীৰ সপোন প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই বাস্তৱ ৰূপায়ণ কৰি তিনি খলপীয়া পঞ্চায়ত ৰাজৰ ব্যৱস্থাৰে গ্ৰামাঞ্চলৰ লোক

সকলক লোক সকলৰ উন্নয়নৰ কাৰণে যি প্ৰয়াস আৰু এই প্ৰয়াসক বৰ্তমান চৰকাৰে ও মনোনিবেশ কৰিছে। যিটো এম জি এন ৰেগা ১০০ দিনৰ কৰ্ম বিস্তৃতিকৰণ আঁচনি। এইটো এটা খুব ভাল আঁচনি আৰু এই আঁচনিৰ দ্বাৰা গ্ৰামাঞ্চলৰ দুখীয়া লোক সকল উপকৃত হৈছে। কিন্তু বৰ্তমান দেখা গৈছে যে এই আঁচনিৰ অধীনত ১০০ দিনৰ কাম পাব সেইটো বেলেগ কথা এক সপ্তাহৰ কামো পোৱা নাই। আঁচনিৰ কাম বিলাক বন্ধ হৈ আছে। বি.ডি অ'ক সুধিলে কয় বাজেট নাই। লেবাৰ বাজেট নাই। লেবাৰ বাজটৰ দোহাই দি এই আঁচনি বিলাক বন্ধ হৈ আছে। আইনত আছে যে যদি এটা বছৰত ১০০ দিনৰ জব কাৰ্ড হোল্ডাৰক কাম দিব নোৱাৰে তেতিয়াহ'লে তেওঁক পেঞ্চন দিব লাগে। পেঞ্চন ডিমাণ্ড কৰিব আহিলে ডিমাণ্ডেই কৰিব নোৱাৰে। এনেকুৱা এটা পৰ্য্যায়লৈ গৈছে। গতিকে এম জি এন ৰেগাৰ এই আঁচনি বৰ্তমান বন্ধপ্ৰায় অৱস্থা হৈ আছে। গতিকে এই আঁচনিত অধিক মনোযোগ দিব লাগে। যিহেতু এই আঁচনিখন দৰিদ্ৰতা নিৰ্মূলৰ কাৰণে এখন ভাল আঁচনি। এই আঁচনিৰ ওপৰত গুৰুত্ব দিব বুলি মই আশা কৰিছো আৰু এই পঞ্চায়তী ৰাজৰ জৰিয়তে এম জি এন ৰেগা, 14th Finance, 15th Finance বা আন আন কিছুমান আঁচনি ৰূপায়ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যিটো পি এম এ ওৱাই এই পি এম এ ওৱাই ৰ হিতাধিকাৰী সকলৰ বহুতে প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে। ১ লাখ ৩২ হাজাৰ টকা তিনিটা কিস্তিত দিয়া হয় আৰু নিজে যিখিনি কাম কৰে সেইখিনি Wages দিয়া হয়। কিন্তু বহু ক্ষেত্ৰত দেখা গৈছে যে বহু হিতাধিকাৰীয়ে Wagesৰ পইচাটো নাপায়। কেতিয়াবা কেতিয়াবা দেখা গৈছে যে বেলেগৰ একাউণ্টত পইচাটো দি তেওঁৰ নামত দিয়া দেখুৱাই আছে। মাননীয় উপাধ্যক্ষ মহোদয়, পি এম এ ওৱাইৰ ঘৰ যাৰ নামত আবণ্টন হৈছে তেওঁৰ নামত পইচাটো নোসোমাই, বেলেগৰ একাউণ্টত পইচা সোমাই পঞ্চায়ত কৰ্মী জনে পইচা উঠাই লৈ গৈছে। তথ্য সহকাৰে মোৰ তাত আছে। মোক দুগৰাকী ব্যক্তি আহি আপত্তি দৰ্শালে, লিখিত দিলে। মই কমিশ্যনাৰলৈ লিখি দিলো। সঠিক ভাৱে তদন্ত কৰিলে। তদন্তত ধৰা পৰাৰ পিছত সেই কৰ্মীজনে হিতাধিকাৰী দুজনৰ ঘৰত গৈ হাতে-ভৰিয়ে ধৰি যিটো কিস্তিৰ পইচা উঠাইছিল তাৰ লগত আৰু ৫ হাজাৰ টকা বেছিকৈ দি পইচাটো দিলে। তাৰ পিছত সেইটো পঞ্চায়তে মোৰ ৰূপহীহাট বিধান সভা সমষ্টিৰ ৰূপহী ব্লকৰ গেলেকী বুলি এটা পঞ্চায়ত আছে। সেই পঞ্চায়তত আৰু চাৰিজন হিতাধিকাৰীক তেনেকুৱা কৰিলে। বেলেগৰ একাউণ্টত পইচাটো সোমাই পইচাটো উঠাই লৈ গৈছে। তথ্য দিছে কোনটো একাউণ্টৰ পৰা গৈছে। সেই তথ্য সম্বলিত এখন আবেদন মোক দিলে।

**মাননীয় উপাধ্যক্ষ ঃ** বেনিফিচাৰী একাউণ্ট সোমোৱা নাই নেকি, বেলেগৰ একাউণ্টত সোমাইছে।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বেলেগৰ একাউণ্টত সোমাইছে। বেনিফিচাৰীৰ যিটো একাউণ্ট দিছে সেই একাউণ্টত সোমোৱা নাই। অন্য এজনৰ একাউণ্টত সোমাই দি পইচাটো উলিয়াই লৈ গৈছে। নামতো কিন্তু সেই বেনিফিচাৰীৰ। এইটো মোক দিয়াৰ পিছত মই মাননীয় মন্ত্ৰী মহোদয়ক দিলো। মন্ত্ৰী মহোদয়ে এইটো তদন্ত কৰি ব্যৱস্থা ল'বলৈ দিলে। আজি প্ৰায় বিশ দিন মান হৈ গ'ল একো খা-খবৰ নাই। যদি জনসাধৰণৰ উন্নয়ণৰ বাবে লোৱা আঁচনি বিলাক এনেকুৱা ধৰণৰ হৈ যায় আৰু এই ক্ষেত্ৰত যদি কোনো ব্যৱস্থা লোৱা নহয় তেতিয়াহ'লে কেনেকৈ এই আঁচনি বিলাকৰ সফল ৰূপায়ণ কৰিব পাৰিব। যি গৰাকীয়ে অন্যায় কৰিছে তেওঁৰ ওপৰত একশ্যন ল'ব লাগিব। তথ্য সহকাৰে দিয়া আছে। বেলেগ একাউণ্ট নাম্বাৰ দি পইচা উঠাইছে। যিজনে পইচা পাব লাগে তেওঁ পইচা পোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে তেওঁ লিখি দিয়াৰ আজি ২০ দিন পাৰ হৈ যোৱাৰ পিছতো কোনো

ব্যৱস্থা গ্ৰহণ নকৰিলে। গতিকে এই কথাটোৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে চাব লাগে। মই পি এম এচ ওৱাই ৰ আঁচনিত কেৱল মোৰ সমষ্টিতে নহয় এনেধৰণৰ ঘটনা বহু পঞ্চায়তত ঘটি আছে। যদিহে এই বিষয়টোৰ ওপৰত ভালকৈ তদন্ত কৰা হয় তেতিয়াহ'লে জোলোঙাৰ মেকুৰী ওলাই পৰিব। ইয়াৰ উপৰিও প্ৰতিটো পঞ্চায়তত এম জি এন ৰেগা আঁচনিৰ যিটো ৰেচিঅ' ৬০ঃ৪০ ৰ ওৱেজ আৰু মেটেৰিয়েলচ্ এইটো জিলা ভিত্তিত ভাগ কৰি দিয়ে। কৰ'বাত ব্লক ওৱাইজ ভাগ কৰে। এটা পঞ্চায়তত গোটেই ওৱেজৰ কাম কৰিব আৰু তেওঁ হিচাপ বেলেগ এটা দেখুৱায়, বেলেগ এটা পঞ্চায়তত কাম কৰিব সেইটো হ'ব নালাগে। যিটো ৰেচিঅ' ৬০ঃ৪০ এই ৰেচিঅ' টো প্ৰতিটো পঞ্চায়তে একে হ'ব লাগে। পঞ্চায়তে যিটো পইচা পায় সেই পইচাটো ৬০ঃ৪০ সেই পঞ্চায়তৰ ভিতৰতে থাকিব লাগে যাতে বেলেগ পঞ্চায়তত যাব নোৱাৰে। এই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। বৰ্তমান পঞ্চায়তৰ সচিব সকলক নিজ জিলাৰ বাহিৰত পোষ্টিং দিছে। ফলত এই সচিব সকলে পঞ্চায়তৰ কামবোৰ ভালকৈ চাব নোৱাৰে। কাৰোবাক হোজাইৰ পৰা নি নগাওঁত দিছে আৰু তেওঁ এদিনৰ মূৰে মূৰে পঞ্চায়তলৈ যাব আৰু এজন সচিবক ২-৩ টা পঞ্চায়তৰ সচিবৰ দায়িত্ব দিছে। তেওঁ সপ্তাহত এদিন কোনোবা এখন পঞ্চায়তলৈ যাব। গতিকে পঞ্চায়ত সচিবৰ যিটো বদলি কৰণ মই ভাবো জিলাৰ ভিতৰতে থাকিব লাগে। চৰকাৰে চৰকাৰী আবাস গৃহ দিব পৰা নাই। ফলত চৰকাৰী আবাস গৃহত থাকিব পৰা নাই। গতিকে সচিব সকলে জিলাৰ ভিতৰতে থাকিলে ভাল। ইয়াৰ উপৰিও যিবোৰ পঞ্চায়তত সচিব পদ খালী হৈ আছে সেই খালী হৈ থকা পদ সমূহ পূৰণ কৰিব লাগে যাতে এজন সচিবে তিনিটা পঞ্চায়তৰ সচিবৰ দায়িত্ব পালন কৰিব লগা নহয়। তিনিটা পঞ্চায়তৰ কাম চাবলৈ গৈ কোনো এটা কামেই ভাল নহয়। যেতিয়া দুখীয়া মানুহবোৰে জব কাৰ্ডৰ কাম বিচাৰি পঞ্চায়তলৈ যায় তেতিয়া তাত থাকিব লগীয়া সচিব জনক লগ নাপায়। ইয়াৰ উপৰিও যিসকল কৰ্মচাৰীয়ে পঞ্চায়তসমূহত কন্ট্ৰেকচুৱেল হিচাবে কাম কৰি আছে তেওঁলোকৰ মনতো ও বেয়া কিয়নো তেওঁলোক কন্ট্ৰেকচুৱেল হোৱাৰ কাৰণে ভালদৰে কামবোৰ কৰিব নোখোজে। গতিকে মই ভাবো এই কন্ট্ৰেকচুৱেল কৰ্মচাৰী সকলৰ চাকৰি নিয়মীয়া কৰি দিলে তেওঁলোকে উৎসাহেৰে কামবোৰ কৰিব পৰিব। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়তৰ যিখন আইন আছে সেই আইনমতে পঞ্চায়তৰ সভাপতি জনৰ বিৰুদ্ধে যিটো অনাস্থা প্ৰস্তাৱ আছে, সেই অনাস্থা প্ৰস্তাৱটো পঞ্চায়তৰ সদস্য সকলে দিয়ে। পঞ্চায়তৰ সদস্য সকল পোনপটীয়াভাৱে ভোটাৰৰ দ্বাৰা নিৰ্বাচিত হয় আৰু সভাপতিজনো পোনপটীয়াভাৱে নিৰ্বাচিত হয়। কিন্তু আঞ্চলিক পঞ্চায়তটো সুকীয়া। আঞ্চলিক পঞ্চায়তৰ নিৰ্বাচিত সদস্য সকলে আঞ্চলিক পঞ্চায়তৰ সভাপতি বনায়। গতিকে তেওঁলোকৰ ক্ষেত্ৰত অনাস্থা প্ৰস্তাৱ থকাটো ঠিকে আছে। কিন্তু পঞ্চায়তৰ সভাপতি জন ৰাইজৰ দ্বাৰা নিৰ্বাচিত হৈ আহে আৰু সেই সভাপতিজনৰে পঞ্চায়তৰ সদস্য সকলে অনাস্থা প্ৰস্তাৱ আনে। গতিকে এই আইনৰ ব্যৱস্থাটো সংশোধনৰ প্ৰয়োজন আছে। যদি সভাপতি জন পঞ্চায়তৰ সদস্য নিৰ্বাচিত হৈ আহি সভাপতি হয় সেইটো ঠিকে আছে। সভাপতি জন জনসাধাৰণৰ দ্বাৰা সদস্য হিচাপে নিৰ্বাচিত হৈ আহে গতিকে সেই পঞ্চায়তৰ সদস্য সকলে অনাস্থা প্ৰস্তাৱ আনি ভাঙি দিব সেইটো কেনেকৈ হ'ব। গতিকে এইটো ডেড প্লেনৰ আৰম্ভ হৈছে। এই ক্ষেত্ৰত আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে পঞ্চায়তৰ আইনখন সংশোধন কৰিব লাগে। ইয়াৰ লগতে আৰু এটা কথা ক'বলৈ খুজিছো যে পঞ্চায়তৰ প্ৰতিনিধি সকলৰ যি পাৰিতোষিক, এই পাৰিতোষিকটো নিজা উৎসৰ (আয়)পৰা দিয়া নিয়ম আছে। নিজা উৎস পঞ্চায়তত একো নাই। আজিৰ পৰা ১০

বছৰ আগৰ পঞ্চায়ত সভাপতি, আঞ্চলিক সদস্যসকলে তেওঁলোকৰ পাৰিতোষিক পোৱা নাই। চৰকাৰে 14th Finance ৰ পৰা কিছু পইছা দিছিল, তাৰ পৰা কিছু পইছা পাইছিল। গতিকে মই অনুৰোধ জনাইছো যিসকল পঞ্চায়ত প্ৰতিনিধি বকেয়া পাৰিতোষিক আছে, সেইটো যাতে চৰকাৰে তেওঁলোকক দিয়ে, তাৰ কাৰণে মই অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী, গ্ৰামোন্নয়ন ও পঞ্চায়ত বিভাগ, যিটো aligation আহিছে অলপ গুৰুত্বসহকাৰে লৈ হিতাধিকাৰীৰ একাউন্টত নোসোমাই, বেলেগ একাউন্টত সোমাইছে। কিমান দূৰ সত্য সত্যতা আপুনি এইটো প্ৰমান কৰি গুৰুত্বসহকাৰে ল'ব।

ইয়াৰ পিছত সন্মানীয় সদস্য শ্ৰী গনেশ লিম্বু।

**শ্ৰী গনেশ লিম্বু, (বৰছলা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ উপস্থাপন কৰিছে, তাৰ বিৰোধীতা কৰি মোৰ বক্তব্য আগবঢ়াব বিচাৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি যদি ২০১১ চনৰ ভাৰতবৰ্ষৰ লোকপিয়ল চাঁও, তেতিয়াহ'লে আমি দেখিবলৈ পাঁও যে ৬৮.৮৪ শতাংশ গাঁৱত মানুহে বসবাস কৰে আৰু গ্ৰাম্যাঞ্চলত বসবাস কৰা প্ৰায় ৭০ শতাংশ মানুহে কৃষি বা কৃষি অনুসংগিক যিবিলাক জীৱিকা তাৰ লগত জড়িত। এই বৃহৎ জনসংখ্যাৰ সামগ্ৰিক গ্ৰাম্য অৰ্থ ব্যৱস্থা উন্নয়নৰ কাৰণে যি বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা ভাৰত চৰকাৰৰ আইন ৭৩ তম সংশোধনীৰ জৰিয়তে ১৯৯২ চনত সংশোধন হৈছিল আৰু ইয়াৰ কাৰ্য্যকৰীকৰণ ২৪ এপ্ৰিল, ১৯৯৩ চনত। এই আইনৰ জৰিয়তে ২৯ বিভাগ পঞ্চায়তী ব্যৱস্থাত অৰ্পন কৰি পঞ্চায়ত বসবাস কৰা গ্ৰামীন অৰ্থ ব্যৱস্থাত স্বাৱলম্বীকৰণৰ কাৰণে যি ব্যৱস্থা ভাৰত বা অসম চৰকাৰে গ্ৰহণ কৰিছে, মই ভাৱো ইয়াত কিছুমান বিষয়, আজি যিহেতু কিছু বছৰ উকলি যোৱাৰ পিছত আমাৰ অভিজ্ঞতাই কিছুমান পৰামৰ্শ দিবলৈ মই বিচাৰিছোঁ।

বিশেষকৈ, আমি যদি চাঁওযে পঞ্চায়তৰ বিভিন্ন কাৰ্য্যসূচীৰ ভিতৰত এটা কাৰ্য্যসূচী হ'ল পৰিকল্পনা। পৰিকল্পনাবিহীন পঞ্চায়ত যদি হয়, তেতিয়া মই ভাৱো এটা সময়ত গৈ পঞ্চায়তৰ দ্বাৰা নিৰ্মিত আঁচনি বিলাকে হয়তো সমস্যাত পেলাব পাৰে। কিয়নো যিবিলাক গাঁওসভাত প্ৰস্তাৱ লোৱা হয় আৰু যিবিলাক action plan প্ৰস্তুত কৰা হয়, action plan ত কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত আমাৰ বিষয়াসকলে spot verification নকৰাকৈ এখন ঠাইত বহি DPR প্ৰস্তুত কৰি তেওঁলোকে যিধৰণে কামবিলাক কৰে, বহুত ঠাইত ৰাইজৰ কাৰণে যিবিলাক উপযোগী হ'ব লাগে তাৰ বিপৰীত হোৱা দেখিবলৈ পাইছোঁ। ক'ৰবাত ফিল্ডৰ মাজত construction কৰি দিয়া দেখিবলৈ পাইছোঁ, ক'ৰবাত তেওঁলোকে সেই আঁচনিখন য'ত হ'ব লাগিছিল, অলপ দ ঠাই হোৱাৰ কাৰণে বেলেগ ঠাইত বনোৱা দেখিবলৈ পাইছো। আমি দেখিছো যে গাঁওখনৰ উন্নয়নৰ ক্ষেত্ৰত আগত লৈ যোৱাৰ ক্ষেত্ৰত বা গ্ৰামীণ অঞ্চলৰ জীৱনৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত এটা ৰোড মেপ নথকাৰ কাৰণেও সমস্যাত পৰিছো। সেই কাৰণে মোৰ এটা অনুৰোধ থাকিব আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়লৈ যে আমাৰ পঞ্চায়তৰ যিবিলাক resource, সেইবিলাক যদি আমি অধ্যায়ন নকৰো আৰু এই resource বিলাক অধ্যয়ন কৰি এখন পঞ্চায়তৰ অন্তৰ্গত ১০ খন গাঁৱত এখন master plan তৈয়াৰ কৰি আমি আগ নাবাঢ়ো, তেতিয়াহ'লে মই ভাৱো যে কৰবাত নহয়, কৰবাত আমি যি আদৰ্শ গাঁৱৰ চিন্তা চৰ্চা কৰিছো, সেই গাওঁ decentralised কৰি গাঁৱৰ মানুহখিনিক আমি জীৱিকা সাধনৰ বাবে তেওঁলোকৰ আয় উৎপাদন অধিক কৰাৰ কাৰণে যিটো চিন্তা- চৰ্চা কৰিছো, এইটো এটা সময়ত সম্ভৱ নহ'ব পাৰে। সেই কাৰণে মোৰ পৰামৰ্শ থাকিব যে যিসকল পঞ্চায়তৰ লগত সংলগ্ন হৈ আছে, তেওঁলোকক শিক্ষিক কৰা যায়।

(মাননীয় অধ্যক্ষ মহোদয়ে সদন পৰিচালনা কৰে)

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জাৰৱ নিষ্কাশনৰ ক্ষেত্ৰত এটা সুন্দৰ বিস্তৃত ব্যৱস্থা ল'ব লাগে, মানুহ বিলাক শিক্ষিত কৰিব লাগে, কাৰণ জাৰৱ নিষ্কাশনৰ ব্যৱস্থা আমি হাতত লৈছো, এইটো সুন্দৰকৈ হ'ব পৰা নাই। মই ভাৱো আমাৰ ব্লকত যি vigilence ব্যৱস্থা আছে, এই vigilence committee ৰ জৰিয়তে বিভিন্ন ধৰণৰ সৰু সুৰা কাম আমি গ্ৰহণ কৰো। কিন্তু মোৰ পৰামৰ্শ থাকিব যে দিশপুৰৰ পৰা এই vigilence committee ৰ দ্বাৰা কিমান কাম ৰূপায়ন কৰা হ'ল, এইবিলাক যদি বিভাগে চাই দিয়ে, তেতিয়া মই ভাৱো vigilence ব্যৱস্থাৰ যথেষ্ট গুৰুত্ব বাঢ়িব আৰু ইয়াৰ জৰিয়তে আমি বহুত কাম কৰিব পাৰিম।

এটা সুন্দৰ IBS আঁচনি আছে। সেই IBS আঁচনিৰ জৰিয়তে যাতে আমাৰ গাঁও অঞ্চলৰ অৰ্থ-ব্যৱস্থা প্ৰতিজন house holder ক আমি দিব পাৰো, এই ক্ষেত্ৰত বিভাগে যাতে গুৰুত্ব দিয়ে। শেষত মই কব বিচাৰো যে আমাৰ ব্লক অফিচ বা পঞ্চায়ত অফিচ বিলাক যাতে এটা মডেলত নিৰ্মাণ হয়, তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাব বিচাৰোঁ।

শেষত বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, (ওদালগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগে অতিৰিক্ত মঞ্জুৰী বিচাৰি যি দাবী উত্থাপন কৰিছে, তাৰ বিৰুদ্ধে বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছোঁ।

প্ৰথমতে মই ধন্যবাদ দিম মাননীয় মুখ্যমন্ত্ৰী আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক। কাৰণ এই বছৰ আমাৰ বি টি আৰ অঞ্চলত তেওঁলোকে VCDC অফিচ বনোৱাৰ কাৰণে প্ৰায় ৪২ কোটি টকা মঞ্জুৰী কৰিছে। VCDC বুলি কঁওতে আমাৰ যিহেতু 6th Schedule area ত গাঁও পঞ্চায়ত নাই, আৰু একে status ত আমি VCDC বনাই লৈছোঁ আৰু সেই বিলাকৰ অফিচো নাই। সেয়ে আমাক ২১৩ খন VCDC অফিচ বনোৱাৰ কাৰণে মঞ্জুৰী দিছে। তাৰ কাৰণে মই তেওঁলোকক ধন্যবাদ দিছোঁ।

আমাৰ বাজেট উত্থাপন কৰোতে মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই এটা শ্লোগান দিছিল, আমাৰ গাঁও আমাৰ গৌৰৱ আৰু গ্ৰামোন্নয়ন বিভাগে আমাৰ গাঁও অঞ্চলৰ উন্নতিৰ কাৰণে কাম কৰি আছে। কাৰণ আমাৰ গাঁও অঞ্চলৰ অৰ্থ-সামাজিক দিশটো যদি বিকাশ নহয় তেতিয়াহ'লে দেশৰ বিকাশ আশা কৰাটো সম্ভৱ নহয় ।আজি গ্ৰামোন্নয়ন বিভাগে যিখিনি বাজেটত ধৰা হৈছে প্ৰায় খিনি বিভাগৰে কাম কৰা দেখিবলৈ পাইছো, যিহেতু মই বি টি আৰ অঞ্চলৰ গ্ৰামোন্নয়ন বিভাগৰ কাম খিনি চোৱা চিতা কৰো । আমাৰ লোকনিৰ্মাণ বিভাগ, কৃষি বিভাগ, সমাজ কল্যাণ বিভাগ, জলসিঞ্চন বিভাগ এই গোটেই কামটো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে কৰিব পাৰো । যি বিলাক কাম গাঁও অঞ্চলত কিছুমান কাম যেনে পি ডব্লিউ ডি ৰ ৰাস্তা এটা ১০০ মিটাৰ বা ২০০ মিটাৰ নকৰি আমাৰ গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে কৰিব পাৰো। যিখিনি কেনেল বাব ডেম্প বন্ধাৰ কাম যিটো জলসিঞ্চন বিভাগে ঢুকি নাপায় সেই খিনি কামো আমি গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে কৰিব পাৰো । ভূমি সংৰক্ষন বিভাগে ও যিখিনি কাম কৰিব নোৱাৰে সৰু সৰু কাম সেই খিনিও এইটো বিভাগৰ জৰিয়তে কৰিব পাৰো । সেই কাৰণে আমাৰ প্ৰায়বোৰ বিভাগৰ সৰু সৰু কামবোৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে কৰিবলৈ সক্ষম হও । সেইদৰে আমি গ্ৰাম্যাঞ্চলৰ উন্নয়নৰ কাম কৰি আছো । বিশেষকৈ শিক্ষা বিভাগৰ যিখিনি কাম যেনে-প্ৰসাৰগাৰকে ধৰি স্বাস্থ্যজনিত কাম খিনি

আমাৰ বি টি আৰ অঞ্চলত কৰা নাছিলে সেইখিনি কাম গ্ৰামোন্নয়ন বিভাগে পঞ্চদশ আৰু ষষ্ঠ বিত্তীয় আয়োগৰ জৰিয়তে কৰিব পাৰিছো । তাৰ উপৰিও আমাৰ যিখিনি শ্মশান ঘাটৰ বিউটিফিকেশ্যনৰ কাম আমি পঞ্চদশ বিত্তীয় আয়োগৰ জৰিয়তে গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা কৰিব পাৰিছো । যিহেতু পঞ্চদশ বিত্তীয় আয়োগটো দুটা ভাগত বিভক্ত কৰা হৈছে- টাইড ফাণ্ড আৰু আনটাইড ফাণ্ড আৰু ইয়াৰ জৰিয়তে গাওঁ অঞ্চলত পানী যোগান আৰু স্বাস্থ্য জনিত ব্যৱস্থা কৰাৰ বাবে খৰচ কৰিবলৈ সক্ষম হৈছো । আৰু গ্ৰামোন্নয়ন বিভাগৰ যিখিনি ফাণ্ড সেইখিনিৰে আমি কৰিব পাৰিছো । সেই কাৰণে এই বিভাগটো যথেষ্ট গুৰুত্ব পূৰ্ণ বিভাগ আৰু এই বিভাগটোত যথেষ্ট টকাৰ প্ৰয়োজন হয় । সেই কাৰণে মাননীয় মন্ত্ৰী ডাঙৰীয়াই অতিৰিক্ত ধনৰ মঞ্জুৰী আনিছে আৰু মই এইটোৰ সমৰ্থন কৰো । মই আশা কৰো গাওঁ অঞ্চল উন্নত হোৱাটো দৰকাৰ আৰু গাঁও বিকাশ হ'লেহে আমাৰ দেশ বিকাশ হ'ব । সেই কাৰণে বিৰোধীয়ে অনা কৰ্ত্তন প্ৰস্তাৱ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী চৰণ বড়ো। আপোনাৰ সময় পাচ মিনিট ।

**শ্ৰী চৰণ বড়ো, (মাজবাট)ঃ** অধ্যক্ষ মহোদয়, বিৰোধীৰ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুআষাৰ ক'ব বিচাৰিছো । আমাৰ গ্ৰামোন্নয়ন বিভাগত কমিউনিটি ডেভেল'পমেন্ট স্কীম হিচাপে ২০০৮ চনৰ পৰা মাত্ৰ এম জি এনৰেগা চলি আছে । আমাৰ এম জি এনৰেগাৰ উদ্দেশ্য আছিলে যে যিবিলাক লোক জ'বলেচ বা সমাজত যিবিলাকৰ কাম নাই সেই সকল লোকক এমপ্লোয়মেন্টৰ গেৰান্টী দিব লাগে আৰু ইয়াৰ দ্বাৰা আমাৰ অঞ্চল বিলাকত কমিউনিটি ডেভেল'পমেন্ট কৰিব লাগে । কিন্তু ২০০৮ চনৰ পৰা যিখিনি দেখিলো কৰবাত নহয় কৰবাত আমি এম জি এনৰেগাৰ জৰিয়তে যিমানখিনি উন্নয়ন কৰিব লাগিছিল তাত আমি পিছ পৰি আছো যেন অনুভৱ হয় । কিয়নো এই বিভাগৰ জৰিয়তে যিমান টকা খৰচ কৰো তাৰ তুলনাত আমাৰ অঞ্চলত কাম যথেষ্ট কম হোৱা যেন পাও। কৰবাত পইছাটো দুব্যৱহাৰ হয় নে অনুভৱ হয়। আমাৰ জবকাৰ্ডৰ জৰিয়তে যিহেতু কামবিলাক কৰা হয় আৰু আমি দেখা পাও কিছুমান জবকাৰ্ড অবৈধ আছে । ইয়াৰ মুখ্য কাৰণ হ'ল আমাৰ অঞ্চলত কমিউনিটি ডেভেল'পমেন্ট কৰিবৰ কাৰণে ব্লকত এটাই আঁচনি আৰু এন ৰেগাৰ পইছা জবকাৰ্ড বাঢ়িলেহে পইছাও বাঢ়ে। কিয়নো এইটো লেবাৰ বাজেট কৰি পেলায়হে হয় । যাৰ ফলত আমি জবকাৰ্ড বিলাক খেলিমেলি দেখা পাও। কিয়নো আমাৰ অঞ্চলত যদি উন্নয়ন কৰিব লাগে আমি পইছা আনিবই লাগিব । পইছা আনিব লাগিলে আমি জবকাৰ্ডৰ সংখ্যাটো বঢ়াব লাগিব আৰু তাৰ ফলত জবকাৰ্ড সমূহত খেলিমেলি দেখা পাও । লগতে জবকাৰ্ড হন্ডাৰে ফিল্ডত গৈ কাম নকৰে । এইটো এটা ডাঙৰ সমস্যা । তাৰপিছত আমাৰ যিটো ৬০:৪০ আমাৰ অসমৰ যদি পৰিৱেশটো চায় লেবাৰৰ কাৰণে ৬০ শতাংশ মেটেৰিয়েলচৰ কাৰণে ৪০ শতাংশ। কিন্তু আমাৰ লেবাৰৰ কাৰণে কাম কৰিব স্ক'প এ নাই । ৬০:৪০ হোৱাৰ কাৰণে আমি এনৰেগাৰ কাম বহুত ক্ষেত্ৰত সফল হোৱা দেখা নাযায় । তাৰ পিছত এটা হ'ল মজুৰীৰ ৰেট। এতিয়া বৰ্তমান হয়তো ৩০০ টকাকৈ চলি আছে । কিন্তু আমাৰ গাঁও বিলাকত আমি দেখা পাও যে বৰ্তমান ৩৫০ টকাৰ পৰা ৫০০ টকালৈকে যিটো খৰচ চলে, যাৰ ফলত এম জি এনৰেগাত মানুহ কাম কৰিবলৈ নাযায় । তাৰ পিছত আমাৰ যিটো পেনেন্ট সেইটো লেহেমীয়া হোৱা, জবকাৰ্ড হন্ডাৰে কাম কৰাৰ পিছতো বহুত সময় ৰখিবলগীয়া হয় আৰু তাৰ ফলত জবকাৰ্ড হন্ডাৰে কাম কৰিবৰ কাৰণে আগবাঢ়ি নাযায় । তাৰ পিছত আমাৰ কামৰ ধাৰণা সেইটোৰে আমাক কিছুমান বাইডিং কৰি দিয়ে । যাৰ ফলত কেতিয়াবা কি হয় বাধ্যত কিছুমান কৰা দেখা পাও যিটো কাম আমাক নালাগে । কিছুমান

আমাৰ প্লেন্টেচন প্ৰগ্ৰাম আহে, গাঁৱৰ ৰাস্তা বহুত সৰু সৰু। য'ত মাত্ৰ পোন্ধৰ ফুটৰ ৰাস্তা এটাতে দুটা চাইড প্লেন্টেচন কৰে তেতিয়াহ'লে ৰাস্তাৰ অৱস্থা নাথাকে । তাৰ কাৰণে মই ভাবো কিছুমান যদি আমাৰ বিভাগৰ আমাৰ অঞ্চলৰ কমিউনিটি ডেভেলপমেন্ট মনোযোগ দি কিছুমান কাম কৰিলে আমাৰ ভাল হ'ব বুলি ভাবো । আমাৰ অসম চৰকাৰখনে এম জি এনৰেগাৰ বাহিৰেও অসম চৰকাৰৰ তৰফৰ পৰা কমিউনিটি ডেভেল'পমেন্টৰ কিবা এটা আঁচনি ল'ব পাৰে নেকি ? যেনেকৈ অন্য বিভাগ বিলাকত অসম চৰকাৰ আঁচনি থাকে । ঠিক তেনেকৈ আমাৰ অসম চৰকাৰৰ ফালৰ পৰা যিবিলাক নিজাবৰীয়া আঁচনি আছে তাৰ লগত কমিউনিটি ডেভেলপমেন্টৰ আঁচনিটো সংলগ্ন কৰি ল'লে বেছি ভাল হ' বুলি ভাবো । মুখ্যমন্ত্ৰী আৱাস যোজনা অসম চৰকাৰে যিদৰে লৈছে তেনেকৈ যদি এছ অ' পি ডি ৰ পৰা বিশেষ আঁচনি লৈ ফাণ্ড আৱন্টিত কৰে তেতিয়াহ'লে কমিউনিটি ডেভেলপমেন্টৰ কাম সমূহ ভালদৰে ৰূপায়ণ হ'ব । এম জি এনৰেগাটো লাগিবই । কাৰণ যিবিলাক জবলেচ মানুহ আছে তেওঁলোকক কাম দিবই লাগিব । সেইবাবে মই এম জি এনৰেগাটো সংশোধন হোৱাটো বিচাৰো । সেয়েহে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো যে আমাৰ এম জি এনৰেগাৰ ৬০:৪০ ৰেচিঅ' টো পাৰিলে ওলোটা কৰিব লাগে । ৬০ শতাংশ মেটেৰিয়েলচৰ কাৰণে আৰু ৪০ শতাংশটো জবকাৰ্ডৰ বাবে অনুমোদন জনাব লাগে ।

তাৰোপৰি আমাৰ যিবিলাক অবৈধ জবকাৰ্ড আছে সেই বিলাক চিনাক্ত কৰি বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰপাছত এটা হ'ল payment টো delay কৰিব নালাগে আৰু এটা মই অনুৰোধ কৰিব বিচাৰো আমাৰ এম জি এমৰেগালৈ কেতিয়াবা দুখ লাগে। বানপানী আহে। আমি MGNREGA ৰ লগত Emergency কামেই কৰিব নোৱাৰো। তাৰ কাৰণে অলপ কিবা Goverment of India ক অনুৰোধ কৰি হলেও এই emergency সময়ত Job card follow নকৰাকৈ 20% মান যদি emergency কাম কৰিবৰ কাৰণে fund ৰাখো, মই ভাৱো আমি MGNREGA ৰ কাম কৰিব পাৰিম। তাৰপিছত চাৰ এটা মই অনুৰোধ কৰিম, ব্লক বিলাকত মই দেখা পাঁও এই MGNREGA ৰ যোগেদি GRS, Computer Assistent যিসকলক contractual appointment দিছে, মই দেখা পাও তেওঁলোক নহ'লে আমাৰ ব্লকসমূহ নচলে। এই হিচাপে এই দুটা পদ যদি আমি regularise কৰিব পাৰো, তেতিয়াহ'লে মই ভাল হ'ব বুলি ভাৱো। তাৰপিছত মই প্ৰধানমন্ত্ৰী আৱাসত এটা অনুৰোধ কৰিব বিচাৰিছো যিহেতু এইবাৰ আমাৰ অসম চৰকাৰৰ পৰাও দিব। Size টো যদি অকণমান বঢ়াই দিয়ে। আগৰ এটা সময়ত আমাৰ প্ৰধান মন্ত্ৰী আৱাসৰ size টো ডাঙৰ আছিল। এতিয়াটো অলপ সৰু হৈছে। অসম চৰকাৰে যিহেতু এইবাৰ ১ লাখ ঘৰ লৈছে আৰু অলপমান size টো বঢ়োৱাৰ বাবে অসম চৰকাৰৰ পৰা পইচাটো বঢ়াই দিয়ে মই ভাৱো ভাল হ'ব। আকৌ vigillence and monitoring ত আমাৰ মেম্বাৰ চেক্ৰেটাৰীবিলাক হ'ল বি.ডি.অ'। বি. ডি.অ' কাম কৰোতে যদি আমি বি. ডি অ' কে vigillence কৰিব যায়, ইয়াতে অসুবিধাটো মই দেখা পাইছো, তাৰ কাৰণে মেম্বাৰ চেক্ৰেটাৰী বিলাক আমাৰ ডি আৰ ডি level লৈ বা জিলা পৰিষদ level ৰ যদি কোনোবা অফিচাৰ সকলক যদি দিয়ে মই ভাৱো মেম্বাৰ চে ক্ৰেটাৰী ভাল হ'ব আৰু শেষত চাৰ, আমাৰ বি. টি. চি অঞ্চলত ভিচি. ডিচি আৰু ডি. এল. চি চিৰ ইলেকশ্যন নোহোৱাৰ কাৰণে আমাৰ ফাইনেঞ্চ কমিশ্যনৰ পইচা পোৱাৰ ক্ষেত্ৰত অসুবিধা হৈছে। দিয়ে বি.টি.চিক কিন্তু lump sum যিহেতু কাউঞ্চিলক দিয়া হয় তাৰ কাৰণে মই অনুৰোধ জনাইছো, ভি.চি ডি.এল চি. চি ৰ ইলেকশ্যনটো যাতে আমাৰ চৰকাৰৰ পৰা পদক্ষেপ লয় সোনকালে পাতি দিয়ে।

**माननीय अध्यक्ष ঃ** धन्यवाद। শ্ৰীপ্ৰদীপ সৰকাৰ। তিনি মিনিট।

**শ্ৰীপ্ৰদীপ সৰকাৰ, (দক্ষিণ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিৰোধী দলৰ পৰা কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই দুআষাৰ ক'বলৈ ওলাইছো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰনালয়ৰ কেতিয়াও উন্নতি সাধন নহয়। আজিৰ তাৰিখত পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ মন্ত্ৰনালয়ত এনেকুৰা প্ৰচলন হৈ আছে যে আমি এতিয়াও কল্পনা কৰিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়,২০২২-২৩ ইং বিত্তীয় বৰ্ষৰ MGNREGA আঁচনি সমূহ বঙাইগাওঁ জিলাৰ টাপাট্টাৰী উন্নয়ণ খণ্ডত মাৰ্চ মাহৰ শেষভাগত কিয় চেংশ্যন দিয়া হয়, বিত্তীয় বৰ্ষৰ প্ৰথম ভাগত কিয় চেংশ্যন দিয়া নহয় । এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমি জনামতে MGREGA Jod Card ৰ শ্ৰমিকৰ দিন হাজিৰা ১৫ দিনৰ ভিতৰত সোমাব লাগে, কিন্তু দেখা যায় এইটো ১৫ দিনৰ ভিতৰত টকাখিনি নোসোমায়। মাননীয় অধ্যক্ষ মহোদয়, MGNREGA আঁচনিৰ চেংশ্যনৰ ক্ষেত্ৰত চূড়ান্ত অনিয়ম বঙাইগাঁও জিলাৰ টাপাট্টাৰী উন্নয়ন খণ্ডত সংগঠিত হৈ আছে। কিছুমান জি পি ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ধাৰ্য্য কৰা সংখ্যাতকৈ অধিক আঁচনি আৱণ্টন দিছে আৰু কিছুমান জি. পিত জবকাৰ্ড হিতাধিকাৰী বঞ্চিত কৰি প্ৰয়োজনীয় আঁচনি চেংশ্যন দিয়া নাই। পিৰাধৰা জি. পি ত আঁচনিৰ সংখ্যা বিভাগে ধাৰ্য্য কৰাতকৈ বহুত বেছি আৰু বাকী জি. পি বিলাকত নাই। Tapattary Dev. Block ত Total Job Card ৰ সংখ্যা 19,641, ইয়াৰে ১০০ দিনৰ কাম পাইছে মাত্ৰ ১৯৮ টা পৰিয়ালে। বাকী পৰিয়ালে পৰিয়ালক কিয় ১০০ দিনৰ কাম দিব পৰা নাই। ঠিক একেই Baitamari Dev. Block ত যদি আমি চাও Job Card holder আছে ৩২, ৫০২ Active Job Card - 17, 405 তাৰ ভিতৰত মাত্ৰ ১০০ দিনৰ কাম পাইছে মাত্ৰ ৫০ টা holder ৰে। বিগত দিনত 14th Finance Commission আঁচনি অধীনৰ কামখিনি যি হৈছিল, মোৰ দৃষ্টিগোচৰ হৈছে যে As per estimate হোৱা নাই। মই বহুত জি. পি পৰিদৰ্শন কৰিছো। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'ব লাগে বুলি আশা কৰিছো। বিশেষকৈ 14th Finance Commission আঁচনিৰ Contigency ৰ যি সদ ব্যৱহাৰ হোৱ নাই এই বিষয়ে উচ্চ পৰ্য্যায়ৰ তদন্ত বিচাৰিছো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা। প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ আঁচনিৰ গৃহ আৱণ্টনৰ ক্ষেত্ৰতো বহুত যোগ্য হিতাধিকাৰী বঞ্চিত হৈছে, মোৰ সমষ্টিত বিশেষকৈ, মই চালি-জাৰি চাইছো। বিশেষকৈ Boitamari block ত যি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ ক্ষেত্ৰত ১৭০০ হিতাধিকাৰীক Boitamari Dev. Block ৰ পৰা remanded কৰা হৈছে। ইয়াৰ ভিতৰত বহুতো দুখীয়া পৰিয়াল আছে। এই যোগ্য হিতাধিকাৰীক ঘৰ প্ৰদানৰ বাবে কিবা ব্যৱস্থা আছেনে?

**মাননীয় অধ্যক্ষ ঃ** বাকীখিনি point লিখিতভাৱে দি দিব তেখেতক। ধন্যবাদ। তিনি মিনিট সময়।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো গ্ৰামোন্নয়ন আৰু গ্ৰাম উন্নয়ণ মানে স্বাভাৱিকতে আমাৰ কাৰণে গুৰুত্বপূৰ্ণ বিষয়। কাৰণ আমাৰ ৰাজ্যখনত গ্ৰামাঞ্চলে হৈছে বেছি গাঁৱত বাস কৰা মানুহে অত্যাধিক। তাৰ ভিতৰত ২৬ হাজাৰখন গাঁও আছে। এই ২৬ হাজাৰখন গাঁও কি ধৰণৰ আৰ্থিক অৱস্থা, তাৰ যোগাযোগৰ ব্যৱস্থা আৰু তাত বসবাস কৰা মানুহৰ দৈনন্দিন জীৱন সংগ্ৰাম তাৰ প্ৰয়োজন এই সকলো ক্ষেত্ৰত উন্নতি কৰাৰ কাৰণে গ্ৰামোন্নয়ন বিভাগটো যথেষ্ট গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৱে কেইবাটাও বিষয় সামৰি লয়। গৃহহীনক গৃহ দিয়া, ৰাষ্টা-ঘাট বন্ধা, পুখুৰী খন্দা এই সকলো কাম-কাজ বিশাল এটা কৰ্মযোগ্য,এই বিভাগটোত চলাৰ সুযোগ আছে। কিন্তু দুৰ্ভাগ্যজনক ভাৱে এই বিভাগটোত যিমানখিনি কৰ্মচাৰী থাকিব লাগিছিল,

সেই কৰ্মচাৰী এতিয়ালৈকে নাই। Contractual GRS, GPC ৰ দ্বাৰা কাম চলাই থকা হৈছে আনকি Secretary পৰ্য্যন্ত এই বিভাগটোত এতিয়ালৈকে নিয়োগ কৰিব নোৱাৰাটো বিভাগটোৰ এটা ডাঙৰ ব্যৰ্থতা। কিন্তু এতিয়ালৈকে কৈ আছে যে আমি ব্যৱস্থা কৰিছো, বহু বছৰটো গ'ল এতিয়াও যদি এটা বিভাগৰ প্ৰয়োজনীয় কৰ্মচাৰী নাথাকে তেতিয়াহ'লে কাম-কাজ কেনেকৈ চলিব। এই বিভাগটোৰ MNREGA ৰ আঁচনিখন আছে। আঁচনি বুলি নকওঁ, এইখন আইন তৈয়াৰ কৰি সৰ্বভাৰতত কৰ্মহীন মানুহক সংস্থাপন দিয়া আৰু তাৰ জৰিয়তে asset সৃষ্টি কৰাৰ কাৰণে এই আইন গ্ৰহণ কৰা হৈছিল UPA চৰকাৰৰ দিনত। আইন যিহেতু যথাযথভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত মই দেখিছো এই বিভাগটো সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে। যিমানখিনি মানুহক কৰ্মসংস্থাপন দিব লাগিছিল, কৰ্মদিন তেওঁলোকে সৃষ্টি কৰিব লাগিছিল, হিচাপ মতে যিমানখিনি Job Card আছে ৪১ কোটি কৰ্মদিন হ'ব লাগে কিন্তু তেওঁলোকে সৃষ্টি কৰিছে ৭ কোটি কৰ্মদিন। তাকে লৈ গৰ্ব কৰিছে আৰু এই ৭ কোটি কৰ্মদিনো PMAY ৰ ঘৰ কেইটা বন্ধাৰ কাৰণে কৰ্মদিন ৯৫ দিনৰ compalsory ব্যৱস্থাটো আছে। সেইখিনি যোগ কৰিলেহে এই কৰ্মদিনটো সৃষ্টি হৈছে। এই আইনখন প্ৰয়োগ কৰাৰ ক্ষেত্ৰত Job Card ৰ জৰিয়তে কাম দিয়াৰ যিটো ব্যৱস্থা, এই ব্যৱস্থাটো সম্পূৰ্ণভাৱে বিধস্ত হৈছে আমাৰ ৰাজ্যখনত। Job Card এতিয়া vendor ৰ হাতত থাকে, Job Card এতিয়া ঠিকাদাৰৰ হাতত থাকে। মানুহে কাম কৰিবলৈ নাযায়। Job Card, Job Card holder ৰ হাতত নাই আৰু Job Card holder ৰ হাতত নথকাৰ যুক্তিও আছে। কাৰণ ২২৯ টকা যেতিয়া তাৰ মজুৰী ধাৰ্য্য কৰা হৈছে ২২৯ টকাত কোনো মানুহে এটা দিনত কাম-কাজ কৰি নিশ্চিতভাৱে নাযাব। কাৰণ বজাৰত যথেষ্ট পৰিমাণে মজুৰিটো বৃদ্ধি হৈছে, মানুহে বেছি পৰিমাণে দিন হাজিৰা কৰি ৪-৫ শ টকালৈকে আয় কৰিব পাৰে। তেতিয়া ২২৯ টকাত এটা দিন Job Card লৈ কাম-কাজ কৰাৰ কাৰণে মানুহে আগ্ৰহী নহয়। ফলত এই Job Card যেতিয়া vendor ৰ হাতত গৈছে আৰু ঠিকাদাৰৰ হাতত গৈছে Job Card বিলাক তেনেধৰণে ব্যৱহাৰ হোৱা নাই। যিমানখিনি ব্যৱহাৰ হৈছে, সেই হিচাপটো ইয়াতে আহিছে। কিন্তু Job card holder ৰে তাৰপৰা লাভান্বিত হ'বপৰা নাই। মই আৰু এটা বিষয় উত্থাপন কৰি শেষ কৰিম। আমাৰ বৰপেটা জিলাত MNREGA ক লৈ বিভিন্ন ধৰণৰ কথা প্ৰশ্ন উত্তৰত অলপ আলোচনা-বিলোচনা হৈছে। মই সেইবিলাক টানি নানো। কিন্তু অলপতে অমৃত সৰোবৰক লৈ চৰকাৰী পক্ষৰ কেইবাজনো বক্তাই খুৱ উৎসাহেৰে কথা বতৰা পাতিছে। মই নিশ্চিতভাৱে উৎসাহিত হ'লোহেঁতেন। কিন্তু আমাৰ বৰপেটা জিলাত দেখিছো যে অমৃত সৰোবৰৰ কাৰণে আমাৰ বিভাগে তেওঁলোকৰ commissioner পৰা যিটো নিৰ্দেশ গৈছিল যে তেওঁলোকে এইক্ষেত্ৰত প্ৰতি ঘন মিটাৰত ৮৪ টকাকৈ ধাৰ্য্য কৰি নিৰ্দেশ এটা দিছিল। কিন্তু আমাৰ বৰপেটা জিলাত নাজানো কেনেকৈ কি হ'ল তাৰ জিলা উপায়ুক্তই বা কি কৰিলে, তাত প্ৰতি ঘন মিটাৰত ৬৭ টকা rate বান্ধি দিলে। কিন্তু ইতিমধ্যে vendor বিলাকক বা committee যে অমৃত সৰোবৰ খন্দা কামটো সম্পূৰ্ণ কৰি পেলালে। সম্পূৰ্ণ কৰি পেলোৱাৰ পাছত যেতিয়া rate টো ৮৪ টকাৰ পৰা ৬৭ টকাত আহিছে, এতিয়া স্বাভাৱিকতে যিসকলে এই কামৰ লগত নিয়োজিত হৈছিল তেওঁলোক ভয়ংকৰভাৱে লোকচানৰ সন্মুখীন হৈছে। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। ব্যক্তিগতভাৱে কৈছো, আজিও ক'লো, যাতে এই বিষয়টো তেওঁ নজৰ দিয়ে ন'হলে অমৃত সৰোবৰ বন্ধা কেইটা লোকচানৰ সন্মুখীন হ'ব আৰু গোটেই বিভাগটোত এটা দুৰ্নীতি চলিছে আৰু এই দুৰ্নীতিখিনি নাশ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিব নেকি? GRS; GPC আৰু সচিবক পইচা নিদিলে IAY ৰ ঘৰৰ টকা

release নকৰে এনকুৰা বহু ঘটনা ঘটিছে, ঘটিয়ে আছে। পইচা দিব লাগিব। এইটো বন্ধ কৰক ন'হলে গ্ৰামোন্নয়ন কোনোপধ্যে সম্ভৱ নহয়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যি বিৰোধীয়ে কৰ্ত্তন প্ৰস্তাৱ আনিছে, তাৰ সমৰ্থনত মই দু-আষাৰমান ক'ব বিচাৰিছো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জনকল্যাণমূলক আঁচনিসমূহৰ ভিতৰত সকলোতকৈ ফলপ্ৰসূ আৰু জনসাধাৰণ-ৱাইজ উপকৃত হোৱা আঁচনিসমূহ হৈছে প্ৰধানমন্ত্ৰী আৱাস যোজনা। এই আঁচনিখন আমাৰ পূৰ্বৰ জাতীয় কংগ্ৰেছ দলৰ এটা সপোন আছিল আৰু ইয়াৰ দ্বাৰা যিমান গৃহহীন দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহ আছিল প্ৰত্যেক জনেই ঘৰ পাইছে। এই আঁচনিৰ জৰিয়তে পূৰ্বৰ চৰকাৰে যি হিচাপে গুৰুত্ব দিছিল সেই হিচাপেই বৰ্তমানৰ চৰকাৰে এই আঁচনিৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে ধন্যবাদ জনাইছো। এই চৰকাৰে নতুন বাজেটত যি মুখ্যমন্ত্ৰী আৱাস যোজনা আনিছে ইয়াৰ দ্বাৰা বুজা যায় যে যিখিনি দৰিদ্ৰ সীমাৰেখাৰ তলত মানুহ আছে, তেওঁলোকে ঘৰ পাব। কিন্তু দেখা যায় যে প্ৰধানমন্ত্ৰী আৱাস যোজনাত যি টকা ধাৰ্য্য কৰা হয়, সেই টকাৰে মানুহে ঘৰ বনাব নোৱাৰে। কাৰণ মাত্ৰ ডেৰ লাখ টকাত এটা ঘৰ নহয়। সেয়েহে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো যাতে এই টকা অলপ বঢ়াই দিয়ে। ইয়াৰোপৰি মাননীয় মন্ত্ৰী মহোদয় আৰু এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে মোৰ লাহৰীঘাট সমষ্টিৰ তুলসীগুৰি পঞ্চায়তত গৃহ আবণ্টনৰ নামত বৃহৎ দুৰ্নীতিৰ কথা ইতিমধ্যে কেইবাটাও সংবাদ মাধ্যমত বাতৰি সম্প্ৰচাৰিত হৈছে। মৃত মহিলাৰ নামত গৃহ আবণ্টন কৰি ধন আত্মসাৎ কৰাৰ কাৰণে কিছু নাম যিবিলাক PMAY ঘৰ থাকে আৰু হিতাধিকাৰীৰ নাম মই উল্লেখ কৰিব বিচাৰিছো। এই হিতাধিকাৰীসকলৰ ভিতৰত ১, ৮,৯,৩,০,৩,২,৫,৬,১,৩,৫,৬,১,২,৪,৬,১,৩,৫,৬,০,৫,৪,১,৯ আদি ২৪ টা আই ডি ভুক্তভোগী হিতাধিকাৰীসকলৰ নামত ২০২১-২২ বিত্তীয় বৰ্ষত চৰকাৰী গৃহ আবণ্টন হয়। দৰিদ্ৰ সীমাৰেখাৰ তলৰ ভুক্তভোগী হিতাধিকাৰীসকলৰ ভিতৰত তুলসীগুৰি গাওঁ পঞ্চায়তৰ ৰূপজ্যোতি মেধি, খগেন মেধি, বিনোময় মেধি, তুলেশ্বৰ দত্ত, আমিৰুদ্দিনকে আদি কৰি মুঠ ২৪ গৰাকী হিতাধিকাৰীয়ে নিজৰ নামত ঘৰ আবণ্টন হোৱা বুলি জানিব পাৰে। আজিৰ পৰা তিনিমাহ পূৰ্বে পঞ্চায়তৰ কৰ্মচাৰীসকলে গৃহ আবণ্টন হোৱাৰ কথা স্বীকাৰ কৰে যদিও আশ্চৰ্য্যজনক কথা যে পঞ্চা য়তৰ কৰ্মচাৰীয়ে আজিকালি দিম বুলি কৈ গৃহ নিৰ্মাণ নকৰাকৈ দিন অতিবাহিত কৰি আছে। অৱশেষত ভুক্তভোগী হিতাধিকাৰী সকলে নথি-পত্ৰ উলিয়াওতে পোহৰলৈ আহে যে এই গৃহসমূহ বেলেগৰ জব কাৰ্ড ব্যৱহাৰ কৰি ধন আত্মসাৎ কৰা দেখা গৈছে। মই MGNREGA ৰ ওপৰত দু-আষাৰমান কথা ক'বলৈ বিচাৰো যিহেতু মোৰ সমষ্টিটো এটা গৰাখহনীয়া অঞ্চল। ইয়াত MGNREGA ৰ জৰিয়তে জিঅ' বেগ আৰু ৰিং বান্ধৰ কাম হৈছিল। এইটো ২০১৭-১৮ বৰ্ষলৈ হৈছিল। কিন্তু অতি গুৰুত্বপূৰ্ণ কথাটো হ'ল যে মোৰ সমষ্টিত শিয়াঁলমাৰী ষ্টেট ডিচপেনচাৰী এখন আছে, যাৰ পিছফালে এখন বিল আছে। এই বিলখন আগতে ব্ৰহ্মপুত্ৰৰ লগত সংযুক্ত আছিল। কিন্তু দুই বছৰ আগতে মথাউৰি হোৱাৰ পিছত এই বিলটো বন্ধ হৈ যায় যদিও যেতিয়া বাৰিষা সময় আহে বিলৰ পানী বেছি হয় আৰু যি খন শিয়ালমাৰী ষ্টেট ডিচপেনচাৰী আছে, তাৰ পিছফালে গৰাখহনীয়াৰ সৃষ্টি কৰে। যেতিয়া MGNREGA ৰ স্কীম আছিল তেতিয়া ৰিং বান্ধ বা জিঅ' বেগ আছিল আৰু এইবোৰ বন্ধ কৰিব পৰা এটা সুবিধা আছিল। কিন্তু এতিয়া এইবোৰ আঁচনি বন্ধ হোৱাৰ কাৰণে মই এই অঞ্চলটোৰ কাৰণে একো সুবিধা কৰিব পৰা নাই। মই

বিধায়ক হোৱাৰ পিছত এই অঞ্চলটোত মই নিজেই গৈছিলো। মোৰ সন্মূখতে এটা ঘৰ খহি পৰিলে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আপোনাৰ সময় পাৰ হৈ গৈছে, কিবা থাকিলে লিখি দিব। এতিয়া শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই কওঁক। আপোনাৰ চাৰে তিনি মিনিট সময় আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমাজ কল্যাণ বিভাগত এমেণ্ডমেণ্ট আছে, মই তাত নকওঁ। অনুগ্ৰহ কৰি মোৰ সেই সময়খিনি ইয়াত দি দিয়ক আৰু ছয় মিনিট সময় কৰি দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ চাৰি মিনিটত শেষ হ'ব। সেয়েহে পাঁচ মিনিটত শেষ কৰিবলৈ চেষ্টা কৰক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সময় কম থকাৰ বাবে মই কেৱল দুটা বিষয়তহে আলোকপাত কৰিম। এটা হ'ল-বাঘবৰ বজাৰ সম্পৰ্কে। এই বিষয়ে আগতেও মই কৈছো। এই বাঘবৰ বজাৰৰ ২০০১-০২ চনত এঘাৰ লাখ পঁয়সত্তৰ হাজাৰ টকাৰ টেণ্ডাৰ হৈছিল আৰু ২০২১-২২ চনলৈ টেণ্ডাৰ নহ'ল আৰু ব্যক্তিগতভাৱে চলি থাকে। অৰ্থাৎ বিশ বছৰত এঘাৰ লাখ পঁয়সত্তৰ হাজাৰ টকাকৈও ধৰো দুই কোটি পঁয়ত্ৰিশ লাখ টকাৰ অসম চৰকাৰে ৰাজহ হেৰুৱালে। নিয়ম মতে ইয়াতকৈ বেছি হ'ব। এই বছৰ এঘাৰ লাখ পঁয়সত্তৰ হাজাৰ টকা হ'লে ইয়াৰ পিছৰ বছৰ তেৰ লাখ হ'ব, তাৰ পিছৰ বছৰ পোন্ধৰ লাখ হ'ব। এই বছৰ আবেদন সমূহৰ সমিতিয়ে এটা গোচৰ লোৱাৰ পিছত মন্দিয়া আঞ্চলিক পঞ্চায়তে তাত মাটি কিনি চৰকাৰী বজাৰ এখন আৰম্ভ কৰিলে। কিন্তু দুৰ্ভাগ্যজনক কথা হ'ল যে এই চৰকাৰী বজাৰখন আৰম্ভ কৰাৰ পিছতো ব্যক্তিগত বজাৰখন চলি থাকিল। এই বজাৰখন কেনেকৈ চলি থাকিবলৈ পালে আৰু এই দুয়োখন বজাৰৰ মাজত দূৰত্ব খুব বেছি ডেৰ কিলোমিটাৰ। গৰু বজাৰ এখন চলিবলৈ হ'লে লাইচেঞ্চ লাগে। প্ৰাইভেট বজাৰখনো চলিবলৈ লাইচেঞ্চ কোনে দিলে? এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে উত্তৰ দিলে যে No such licence is issued. কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত নম্বৰ কৈ যাম। 03-08-2022 no. D.D.C. of Barpeta issue কৰা চিঠি নম্বৰ B.D.D-6102014 -hat, ghat, fishery etc. 447. এই নিৰ্দ্দেশ মৰ্ম্মে ব্যক্তিগত বজাৰ খন লাইচেঞ্চ দিয়া হ'ল। বিশ বছৰত প্ৰায় তিনি-চাৰি কোটি টকা আমি ৰাজহ হেৰুৱালো। এইবাৰ আঞ্চলিক পঞ্চায়ত খনে চৰকাৰী বজাৰখন আৰম্ভ কৰিছে আৰু সেই চৰকাৰী বজাৰখনক হেম্পাৰ কৰি ব্যক্তিগত বজাৰখন চলাবলৈ লাইচেঞ্চ দিয়া হ'ল। মই এইটো দাখিল কৰিম। সেই ব্যক্তিগত বজাৰখনত গৰু বজাৰ চলাবলৈ লাইচেঞ্চ দিয়াৰ পিছত বৰপেটাৰ এ ডি চি য়ে তাত পশুচিকিৎসক নিয়োগ কৰিলে। তেওঁলোকে যে লাইচেঞ্চ পাইছে সেইটো কোৰ্টৰ অৰ্ডাৰতো প্ৰতিফলিত হৈছে। কথাটো হ'ল যে লাইচেঞ্চ দিয়াৰ পিছত How the reply could be that the no such licence was issued? Can Deputy Commissioner act independantly of Zila Parishad or P&RD. P&RD ৰ সন্মতি নোহোৱাকৈ তেওঁ দিব পাৰে নেকি? যদি দিব পাৰে তেন্তে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হ'ব লাগে যে এই ব্যক্তিগত পাৰ্টীত কোন কোন বিষয়াই উচটনি দি আছে আৰু তেওঁলোকক সহায় কৰি আছে। আমি ইতিমধ্যে তিনি কোটি টকাৰ ৰাজহ হেৰুৱালো। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাইছো যে How this irresponssible reply can come from your officer. CEO Zila Parishad এ কেনেকৈ ক'ব পাৰে যে তেওঁ লাইচেঞ্চ দিয়া নাই? তেওঁ সেই বিষয়ে অৱগত। দ্বিতীয় কথাটো

হ'ল যে এই বজাৰখনৰ মাটি কিনা হ'ল। এতিয়া Sale deed NOC লাগে। আজি আঠ মাহ পাৰ হৈ গ'ল কিন্তু এতিয়ালৈকে বিক্ৰীৰ অনুমতি দিয়া নহ'ল। ইয়াৰ পিছত এটা ডাঙৰ গেং আছে, যিয়ে ব্যক্তিগত বজাৰ খনক সহায় কৰি আছে আৰু চৰকাৰী ৰাজহ হেৰুৱাই আছে। মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে এই বি জে পি ৰ এজন সদস্যই অভিযোগ দিয়াৰ কাৰণে বিষয়টোৰ আবেদন সমূহ সমিতিয়ে লৈছিল। তাৰ পিছতো এই গেংটোৱে ইমান কোটি কোটি লোকচান কৰিব পাৰে। মই আপোনাক এওঁলোকৰ বিৰুদ্ধে কঠোৰতকৈ কঠোৰতম ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনাইছো। কোটি কোটি টকা লোকচান হৈছে এই বিষয়ে CM vigilance ত অভিযোগ দিয়া হৈছে। কিন্তু ইয়াৰ ওপৰত তদন্ত হোৱা নাই, কি ডাঙৰ শক্তি ইয়াৰ আঁৰত আছে? আমাৰ 15th Finance ৰ গাইড লাইন মতে আনটাইড ফাণ্ডৰ ব্যৱহাৰৰ কাৰণে ইয়াত লিখা আছে The location specific felt need. আটাইতকৈ ডাঙৰ কথা ভাৰত চৰকাৰে কৈছে যে যিটো স্থানত যিটো দৰকাৰ আৰু ইয়াত কিছু উদাহৰণো দিছে। কিন্তু আমাৰ বৰপেটাত আনটাইড ফাণ্ডৰ পৰা আমাক ৰাস্তা-ঘাট বনাব নিদিয়ে, আৰ্থ ফিলিং কৰিব নিদিয়ে। মোৰ মন্দিয়া মডেল স্কুল, মন্দিয়া হস্পিতাল ....interrupions...

**মাননীয় অধ্যক্ষঃ** হ'ব ধন্যবাদ..........interrupions...

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** কিন্তু, Untied Fund ..........interrupions... What is this? How the CEO, Zilla Parishad can go against the guide-lines of this ....interrupions...

**মাননীয় অধ্যক্ষঃ** শ্ৰী অখিল গগৈ, last speaker......... interrupions...

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** যিটো প্ৰয়োজন হয়, সেইটোৱে ........interrupions...

**মাননীয় অধ্যক্ষঃ** হ'ব ধন্যবাদ ....interrupions...

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** গতিকে, মাননীয় মন্ত্ৰী মহোদয়, আপোনাৰ বিষয়াসকলে যাতে এনেদৰে মইমতালি কৰিব নোৱাৰে। They shoud go by the guidelines, it is the location specific ..........interrupions...

**মাননীয় অধ্যক্ষঃ** Thank you. Please sit down. ........interrupions...

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** গতিকে, এইখিনি ব্যৱস্থা ল'ব বুলি মই অনুৰোধ জনালো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, খুব খৰতীয়াকৈ ক'বলগীয়া হৈছে। পি.এম.ৱাই (গ্ৰামীণ) ৰূপায়ণৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ৩৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসম একেবাৰে তলত। তাৰ পৰিণতিত, য'ত কেন্দ্ৰীয় চৰকাৰে PMAY ঘৰৰ বাবে টকা দি আছে, তাত আমাৰ অসমৰ মুখ্যমন্ত্ৰী আৱাস যোজনা ঘোষণা কৰিবলগীয়া হৈছে। এই ক্ষেত্ৰত ই এক ডাঙৰ ব্যৰ্থতা। আমাক এতিয়ালৈকে ২০,৪৭,৭০০ টা ঘৰৰ অনুমোদন দিছে আৰু তাৰ বিপৰীতে ৮,১৯,৬৬২ টা ঘৰহে নিৰ্মাণ কৰা হৈছে। বাকীখিনি ঘৰ আমি সোনকালে নিৰ্মাণ কৰিব লাগে। বহুত মানুহৰ নাম থাকি গৈছে। গতিকে, অসমত PMAY ঘৰৰ বাবে geo tag কৰাৰ পুনৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগে। এইটো হ'ল মোৰ প্ৰথম কথা। দ্বিতীয়তে, MGNREGA ত ১০০ দিনৰ বাবে কাম দিয়াৰ যি ব্যৱস্থা, সেই ব্যৱস্থা এতিয়া ১০০% ই প্ৰহসনত পৰিণত হৈ গ'ল। ২০১৯-২০ বৰ্ষত ২৯,৯৭৯ টা, ২০২০-২১ বৰ্ষত ৭১,৬৯৯ টা, ২০২১-২২ বৰ্ষত ৫২,২০২ টা আৰু ২০২২-২৩ বৰ্ষত ৪,২০০ টা পৰিয়ালকহে ১০০ দিনৰ কাম দিছে। এইটো অসমৰ Economic Survey ত অতি স্পষ্টকৈ লিখা আছে। MGNREGA ত কাম দিয়াৰ ক্ষেত্ৰত অসম

গোটেই ভাৰতবৰ্ষৰ ৰাজ্যবোৰৰ ভিতৰত তলৰ পৰা ৫ নম্বৰত। ২০২২-২৩ বৰ্ষত যিমান মানুহে কাম বিচাৰিছিল, সেই মানুহখিনিয়ে কাম পোৱাৰ average পৰিমাণটো হ'ল ৩৩ দিন মাত্ৰ। আনহাতে, নিবনুৱা ভাত্তাও একেবাৰে শূন্য। ২০২০-২১ ত শূন্য, ২১-২২ ত শূন্য আৰু ২০২২-২৩ বৰ্ষতো শূন্য। নিবনুৱা ভাত্তা অসমত দিয়া হোৱা নাই। বৃদ্ধ পেঞ্চনৰ ক্ষেত্ৰত অসমে কেন্দ্ৰীয় চৰকাৰৰ ২০০ টকা আৰু অসমে নিজৰ 'কুশল কোঁৱৰ পেঞ্চন আঁচনি' ৰ পৰা ৩০০ টকা ৬০ ৰ পৰা ৮০ বছৰ বয়সৰ মানুহক দি আছে। অথচ বাহিৰৰ ৰাজ্যবোৰত, যানে হাৰিয়ানাত ২৭৫০ টকা বৃদ্ধ পেঞ্চন দিয়া হয়। কিন্তু, অসমত সেই বৃদ্ধ পেঞ্চনৰ পৰিমাণ ৰাজ্য চৰকাৰৰ ৩০০ টকা আৰু কেন্দ্ৰীয় চৰকাৰৰ কেৱল ২০০ টকা । গতিকে, অসমত বৃদ্ধ পেঞ্চনৰ পৰিমাণটো বৃদ্ধি কৰিবলৈ মই চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছো। ঠিক তেনেদৰে, বিধৱা পেঞ্চনটো মাৰি পেলাই অৰুণোদয় আঁচনিত লৈ যাব বিচাৰিছে। কিন্তু, অৰুণোদয় আঁচনিটো সদায় চলি থকা আঁচনি নহয়। গতিকে বিধৱা পেঞ্চনৰ নিৰ্দিষ্ট ব্যৱস্থা কৰিব লাগে। হাৰিয়ানাত ১৮০০ টকা, উত্তৰাখণ্ডত ১৫০০ টকা, দিল্লীত ২৫০০ টকা বিধৱা পেঞ্চন দিয়ে কিন্তু, এতিয়া সেই আঁচনিটো লাহে লাহে মাৰি পেলাই অৰুণোদয় আঁচনিত ভৰাই দিব বিচাৰিছে। আনহাতে, পঞ্চায়তৰ President ৰ দৰমহা ৫০০০ টকা, Vice-Presidentৰ দৰমহা ৩০০০ টকা, কাউঞ্চিলাৰৰ দৰমহা ২৫০০ টকা, ৱাৰ্ড মেম্বাৰৰ দৰমহা ১৫০০ টকা দিয়া হয়। এই দৰমহাটো বঢ়াব লাগে। ২৬,৬৫২ জন elected representative ৰ এতিয়ালৈকে ৪৩ মাহৰ remuneration পাবলৈ বাকী আছে। সেইটো দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি মই দাবী উত্থাপন কৰিছো। ইয়াৰোপৰি, গাওঁ পঞ্চায়তৰ যিসকল চাকৰিয়াল আছে, তেওঁলোক ঠিকাভিত্তিক কৰ্মচাৰী, যেনেকৈ Gram Panchayat Coordinator (GPC) সকলৰ দৰমহা মাত্ৰ ১৫,০০০ টকা, Gram Rojgar Sahayak (GRS) ৰ দৰমহা ১৫,০০০ টকা, Accredited Engineer ৰ দৰমহা ১৮,০০০-২২০০০ টকা, Computer Assistantৰ দৰমহা ১৫,০০০ টকা। এই ঠিকাভিত্তিক কৰ্মচাৰীসকলক অতি সোনকালে নিয়মীয়াকৰণৰ ব্যৱস্থা কৰিব লাগে। সমগ্ৰ অসমত Panchayat Secretary ৰ সংখ্যা আধা মানহে আছে। সেইটো অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু Computer Assistant ৰ সংখ্যাও অত্যন্ত কম আছে। অধ্যক্ষ মহোদয়, আমি দেখিছো যে আজিকালি MGNREGAত আচলতে কাম একেবাৰে নহয়। অসমত MGNREGA মাৰি পেলালে। MGNREGA ত ৯০% ঠাইত শ্ৰমিকেৰে কাম নহয়। ট্ৰেক্টৰ আৰু ডাম্পাৰেৰে কাম চলে। ২০২১ চনৰ পিছত ৰাস্তাৰ মেৰামতিৰ কাম, পকীকৰণৰ কাম বন্ধ হৈ গ'ল। আৰম্ভ কৰিব বুলি কৈ আছে, কিন্তু, কেতিয়াৰ পৰা কৰিব? অতি সোনকালে কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমি MGNREGA ৰ অধীনত বহুত ৰাস্তা বনাই পেলাব পাৰিলোহেঁতেন। কিন্তু, সেই কামটো কৰা হোৱা নাই। আনহাতে, সময়মতে material ৰ পইচা দিয়া নাই। ২০২১-২২ বৰ্ষত material ৰ বাবে অসমক এক পইচাও দিয়া নাই। ফলস্বৰূপে গোটেই কামবোৰ বন্ধ হৈ গৈছে। NREGA ৰ কামৰ অৱস্থা একেবাৰে বেয়া। গতিকে, এইটো কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মোৰ শেষৰ কথাটো হ'ল, PMAY ৰ ঘৰৰ বাবে যি টকা দিয়ে, সেই টকাৰে যি ১৮ ফুট আৰু ২৫ ফুটৰ ঘৰ বনাবলৈ দিছে, সেই ঘৰ এতিয়া নহয়। সাংঘাতিক ধৰণে মূল্যবৃদ্ধি হৈ গ'ল। Rod, চিমেণ্ট, ইটাৰ দাম বাঢ়ি গ'ল। মোৰ নিজৰ সমষ্টিতএতিয়া PMAY ৰ ঘৰ ১৮ ফুট আৰু ২৫ ফুটৰ পৰিৱৰ্তে ১৫ ফুট আৰু ২২ ফুটৰ বনাই আছে। সৰু কৰিবলগীয়া হৈছে। গতিকে, অতি সোনকালে PMAY ৰ ঘৰৰ যিটো দাম সেইটো বঢ়াব লাগে। আনহাতে, লেট্ৰিন নিৰ্মাণৰ ক্ষেত্ৰত যি ১২,৫০০ টকা দি

আছে, সেই টকাৰে কোনোপধ্যেই এটা লেট্ৰিন বনোৱা সম্ভৱ নহয়। যিহেতু মূল্যবৃদ্ধি হৈছে, এটা লেট্ৰিন নিৰ্মাণৰ বাবে অতিকমেও ৫০,০০০ টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী। আপুনি ৰিপ্লাইটো ২০ মিনিট মানত কৈ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী,পঞ্চায়ত ও গ্ৰামোন্নয়ন, ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, মই প্ৰস্তাৱ আনিছিলো যে ২০২৪ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক 'পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (গ্ৰামোন্নয়ন)' শিতানৰ প্ৰশাসনৰ অৰ্থে ৮৭৩৬৮৭.৪৫ লাখ টকা মঞ্জুৰ কৰিব লাগে। এইখিনি প্ৰস্তাৱ মই এই কাৰণেই আনিছিলো যে আমাৰ প্ৰতি গৰাকী বিধায়কে, বিশেষকৈ সুজাম উদ্দিন লস্কৰ, মৃণাল শইকীয়া, বিশ্বজিত ফুকন, নিজামুদ্দিন চৌধুৰী, সুশান্ত বুঢ়াগোঁহাই, দিগন্ত কলিতা, জাকিৰ হুছেইন সিকদাৰ, পৃথ্বিৰাজ ৰাভা, তেৰশ গোৱালা, নুৰুল হুদা, গণেশ লিম্বু, গোৱিন্দ চন্দ্ৰ বসুমতাৰী, চৰণ বড়ো, প্ৰদীপ চৰকাৰ, মনোৰঞ্জন তালুকদাৰ, ড° আছিফ মহম্মদ নজৰ, শ্বেৰমান আলী আহমেদ আৰু অখিল গগৈ, এই যিসকলে বক্তব্য ৰাখিছে আৰু সেই বক্তব্যৰ ভিতৰত যিসকলে আমাৰ বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱক বিৰোধিতা কৰিছে তেওঁলোকক মই সমৰ্থন জনাইছো আৰু যিসকলে কৰ্তন প্ৰস্তাৱ আনিছে তেওঁলোককো মই সমৰ্থন জনাইছো। কিন্তু, মই এটা কথা অতি দুখেৰে ক'বলৈ বিচাৰিছো যে আপোনালোক প্ৰত্যেকগৰাকীয়ে গ্ৰাম্য উন্নয়নৰ কথা কৈছে, PMAY ৰ কথা কৈছে, MGNREGA ৰ কথা কৈছে, কিন্তু ইয়াত কংগ্ৰেছ দলৰে হওঁক বা এ.আই.ইউ.ডি.এফৰে হওঁক বা চি.পি.এম.ৰেই হওঁক বা অখিল গগৈয়ে হওঁক বা শ্বেৰমান আলী আহমেদেই হওঁক, তেওঁলোকৰ প্ৰতিগৰাকীয়ে এনেকুৱাকৈ লিখিছে যে ৫৭ নম্বৰ মঞ্জুৰীৰ বাবে দাবী ৮৭৩৬৮৭.৪৫ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক। মইও ২০১১ চনত বিধান সভাত বিৰোধী দলৰ সদস্য আছিলো। তেতিয়া আমি কৈছিলো ১০০ টকা হ্ৰাস কৰা হওঁক, as a token, যাতে debate ত অংশগ্ৰহণ কৰিব পাৰো। আজি এইখিনি কথা অসমৰ বহুত মানুহে গম পাই মোক মেছেজ দি আছে যে বিৰোধীয়ে PMAYৰ ঘৰ কৰিব নিদিয়ে নেকি চাৰ? বিৰোধীয়ে MGNREGAৰ ঘৰ কৰিব নিদিয়ে নেকি কাৰণ তেওঁলোকে ৮৭৩৬৮৭.৪৫ লাখ টকাটো ১ টকা কৰিব দিছে, কথাটোনো কি? গতিকে, আপোনালোকে ইপিনে গ্ৰাম্য উন্নয়নৰ কথা কয় আৰু আপোনালোকেই ইপিনে এই সমুদায় টকা নোহোৱা কৰি মাত্ৰ এটকা দিব দিছে গ্ৰাম্য উন্নয়নৰ কাৰণে। আমি যেতিয়া বিৰোধীত আছিলো as a token হিচাপে আমি কৈছিলো যে ১০০ টকাৰ হ্ৰাস কৰক আৰু লগতে চৰকাৰক পৰামৰ্শ দিছিলো। কিন্তু মই এটকালৈ আনি পৰামৰ্শনো কি দিম? এটকা দিলে মোৰ পৰামৰ্শ দিয়াৰ অধিকাৰ নাথাকে। মই এশ টকা হ্ৰাস কৰাৰ পাছত পৰামৰ্শ দিব পাৰো। গতিকে এনেকুৱাকৈ যদি আপোনালোকে কৰ্তন প্ৰস্তাৱ আনে, তেতিয়াহ'লে মানুহে বেয়া পাব কাৰণ আমাৰ কাম কৰাৰ মানসিকতাটো হেৰাই যাব। এতিয়া বিভিন্ন বিষয় আহিছে। ------interruption-------

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা point of order আছে। এইটো cut motion ৰ এটা নিয়ম।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** আপোনালোকে পঞ্চায়তত মাত্ৰ ১ টকা ধৰিবলৈ দিছে। ৮,৭৩,০০০ টকাটো কমাই বিৰোধীয়ে আজি মাত্ৰ ১ টকা কৰিবলৈ দিছে। মই ৰাইজক কথাষাৰ ইয়াৰ পৰাই জনালো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে বাৰ্তাটো ভুলকৈ দিছে। -------হুলস্থূল---------

**মাননীয় অধ্যক্ষ ঃ** No argument please. আপোনালোককতো চাগে উত্তৰ নালাগে। Hon'ble Hafij Basir Ahmed.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে শুদ্ধ উত্তৰ দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** শুদ্ধ অশুদ্ধ আপুনি কেনেকৈ ক'ব?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** আমি আপোনাক দিছো, ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** মোক কেনেকৈ দিব? মই মন্ত্ৰী নহয়। Don't argue with the Speaker.Speaker য়ে যেতিয়া সদন চলাই থাকে তেতিয়া ইফালৰ পৰা প্ৰশ্ন কৰিব, সিফালৰ পৰা উত্তৰ দিব। ইয়াত অধ্যক্ষই উত্তৰ দিয়াৰ কোনো কথা নাই। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে আপোনালোকৰ যদি কিবা তথ্য আছে তেনেহ'লে লিখিত কিবা এটা কৰক। সদায় ইয়াত counter, arguement, এতিয়াই লাগে, এইবিলাক কিয়? আপোনাৰ যদি কিবা তথ্য আছে, এতিয়াই মোক দিয়ক। আপুনি Speaker ক কিয় accuse কৰি আছে? যদি এইটো style ত সদন চলিব লাগে, তেতিয়াহ'লে মোক আপুনি এতিয়াই correct তথ্যটো দিয়ক। ইয়াত মন্ত্ৰীয়ে উত্তৰ দিব whether you are satisfied or not, it is up to you.

**শ্ৰী ভৰত চন্দ্ৰ নৰহ,(নাওবৈচা) ঃ** তেখেতে cut motion ৰ policy ৰ ওপৰত কৈছে। ---------হুলস্থূল------

**মাননীয় অধ্যক্ষ ঃ** আপুনি satisfied নহ'ব পাৰে কিন্তু চৰকাৰৰ তথ্য তথ্যই হ'ব। কোনটো কাম হ'ব নহ'ব চৰকাৰে সেইটোয়ে লৈছে। তেখেতে cut motion ৰ reference তেইতো উত্তৰ দিব। Don't argue. আমাৰ সদনৰ কালচাৰ এইটো নেকি যে সদন কি, বাহিৰত কি, তাৰ কোনো পাৰ্থক্য নাই। তেতিয়া অধ্যক্ষই Decision দিব, সেইটোৱে final decision. মই কৈছো যে তেখেতে reply দি আছে, দিবলৈ দিয়ক আৰু যদি কিবা তথ্য আছে সেয়া যি concern ঠাইত দিব লাগে তাত দিয়ক। এতিয়া যদি আপোনালোকক reply নালাগে তেতিয়াহ'লে মই কৈছো motion টো pass কৰো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** তেখেতক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ**মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ সন্মানীয় সদস্য সকলে MGNREGA ৰ কথা কৈছে যে MGNREGA একেবাৰে ব্যৰ্থ হৈছে আৰু বিভিন্ন কথা আনিছে। কিন্তু অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে ২০১১-১২ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৩৫৩.৪৬ কোটি দিন, ২০১২-১৩ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৩১৪.৪ কোটি দিন, ২০১৩-১৪ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ২৯৮.৪৭ কোটি দিন আৰু তেতিয়া মই বিৰোধী দলৰ সদস্য আছিলো। সেইকাৰণে মই এইখিনি জানো। ২০১৪-১৫ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ২১০.১৮ কোটি দিন। ২০১৬ চনত যেতিয়া আমাৰ চৰকাৰ আহিলে তেতিয়া আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৪৮৬ কোটি দিন, ২০১৬-১৭ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৪৬৩.৯৫ কোটি দিন, ২০১৭-১৮ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৪৮০.৬৮ কোটি দিন, ২০১৮-১৯ চনত এই সংখ্যা বাঢ়ি গৈ আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৫৩২.৪৭ কোটি দিন আকৌ ২০১৯-২০ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৬২৩.৬ কোটি দিন, ২০২০-২১ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৯১১.৫৩ কোটি দিন, ২০২১-২২ চনত আমাৰ কৰ্মদিন সৃষ্টি হৈছিলে ৯১৬.৬১ কোটি দিন আৰু এতিয়া মাৰ্চ মাহত আমাৰ এতিয়াও

সম্পূৰ্ণ তথ্য অহা নাই। কিন্তু এতিয়ালৈ ৭৫০ কোটি দিন। আমি যোৱাকালিলৈকে ভাৰত চৰকাৰৰ হিচাপমতে পাইছো যে আমাৰ কৰ্মদিন বাঢ়ি গৈ আছে। অৰ্থাৎ ২০১১-১২ চনৰ পৰা যদি চাঁও আমাৰ কৰ্মদিন প্ৰতি বছৰে বঢ়াই নহয় দুগুণলৈ ইয়াৰ বৃদ্ধি হৈছে। গতিকে ই এইটোৱে প্ৰমাণিত কৰিছে আমাৰ এই চৰকাৰখনৰ সু-নিপুণতাৰ বাবে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি কৰ্ম সংস্কৃতি তাৰবাবে আমাৰ job card holder সকলে কাম পাবলৈ সক্ষম হৈছে। এইখিনিতে ১০০ দিনৰ কথা কৈছে। ১০০ দিনৰ কথা লিখা আছে কিন্তু আমি যদি ১০০ দিনৰ কথা কওঁ তেতিয়া ১০০ দিনৰ কাৰণে demand কৰিব লাগিব। মই যেতিয়া পঞ্চায়তৰ অফিচত যাঁও আৰু review কৰো, মই পঞ্চায়তৰ সচিব সকলক সুধো যে ১০০ দিনৰ বাবে কোনোবাই demand দিছে নেকি আৰু যদি দিছে তেতিয়াহ'লে মই কওঁ যে মোক নাম কেইটা দি দিয়া আৰু ব্লকৰ জৰিয়তে commissioner ৰ ওচৰত পঠাবা। আজি মন্ত্ৰীৰ দায়িত্ব লোৱা ২ বছৰ সম্পূৰ্ণ হ'ল কিন্তু আজিলৈকে কোনো এজন job card holder য়ে ১০০ দিনৰ কামৰ demand দিয়া দেখা নাপালো। গতিকে demand যদি নিদিয়ে তেতিয়াহ'লে মই job card holder সকলক ধৰি জোৰ জবৰ দস্তি কামত লগাব পাৰিম নেকি? গতিকে কাম কৰাৰ কাৰণে demand আহিব লাগিব। গতিকে আজি এই MGNREGA ৰ জৰিয়তে আমি যিমানখিনি কৰিলো অকল আমি বুলিয়ে নহয়, এইটো পূৰ্বৰ চৰকাৰেও ধৰিছে, এই MGNREGA ৰ জৰিয়তে এতিয়ালৈ ৫,০৪,৪৫৯ টা আঁচনি আমি সমগ্ৰ অসমত লৈছিলো। গতিকে এইটো খুব ডাঙৰ এটা asset যে ৫,০৪,৪৫৯ টা আঁচনিৰ ভিতৰত এতিয়ালৈকে ৪,০০,৭৭০ টা আঁচনি ইতিমধ্যে সম্পূৰ্ণ কৰিছো আৰু ১,০৩,৭৪২ টা আঁচনি এতিয়াও ongoing হৈ আছে। সেইকাৰণে ভাৰত চৰকাৰে আমাক নিৰ্দেশ দিয়াৰ পাছত আমি নিৰ্দেশ দিছো যে এই যিকেইটা ১,০৩,৭৪২ টা আঁচনি এতিয়াও ongoing হৈ আছে সেইকেইটাৰ কাম আগতে কৰক আৰু যিসমূহ পঞ্চায়তত ২০ টাতকৈও অধিক কাম চলি আছে তাত আমি নতুন কাম নিদিয়াৰ সিদ্ধান্ত লৈছো ভাৰত চৰকাৰৰ guide line ৰ under ত। গতিকে আমি যদি ২০২১-২২ আৰু ২০২২-২৩ চাঁও MGNREGA ত আমি কাম দিছিলো ৮০,০৪২ টা আমি সেই কাৰণে ভাৰত চৰকাৰে নিৰ্দ্দেশ দিয়াৰ পিচত আমি নিৰ্দ্দেশ দিছো এই এক লাখ তিনি হাজাৰ সাঁতশ বিয়াল্লিছটা যি স্কীম চলি আছে সেই কেইটা স্কীমৰ কাম আগতে কৰক । যিসমূহ পঞ্চায়তত বিশটাতকৈ অধিক কাম চলি আছে ভাৰত চৰকাৰৰ গাইডলাইনৰ আওাৰত আমি নতুন কাম নিদিয়াৰ সিদ্ধান্ত দিছো । আমি যদি চাও ২০২১-২২ আৰু ২০২২-২৩ চনত চাওঁ এম জি এন ৰেগাত আমি কাম দিছিলো - আশী হাজাৰ বিয়াল্লিছটা স্কীম। আৰু ইয়াৰে আমি তেৰ হাজাৰ চাৰিশ সাতাইশ টা কাম আমি কমপ্লিট কৰিছো । গতিকে ভাৰত চৰকাৰৰ গাইডলাইনৰ আধাৰত আমি কৈছো যে - যিসমূহ পঞ্চায়তত বিশটাতকৈ অধিক কাম চলি আছে তাত কাম দিলে ৰেকৰ্ডটো বেয়া দেখা যায় । গতিকে এইটো এম জি এন ৰেগা সন্দৰ্ভত মই ক'লো । আজি যদি আমি পি এম এ ৱাইৰ কথা কওঁ - আজি মোৰ বেয়া লাগিছে আমাৰ দুই এগৰাকী ট্ৰেজাৰী বেঞ্চৰ বিধায়কে কৈছে - আজি আপোনালোকে কৈ আছে যে আমাৰ পঞ্চায়তত চেক্ৰেটেৰী ক'ম আছে , জি আৰ এচ, জিপিচি ক'ম আছে বুলি কৈছে - কিন্তু ক'ম থকাৰ পিচতো আজি মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত তেখেতে যিটো কৰ্ম সংস্কৃতি সৃষ্টি কৰিলে তাৰ পিছত- আজি প্ৰধান মন্ত্ৰী আৱাস যোজনা স্কীম যদি সফল হৈছে তেন্তে পঞ্চায়তৰ প্ৰতিজন বিষয়া - কৰ্মচাৰীৰ কৰ্মউদ্যেমৰ বাবে সফল হৈছে । আমাৰ কৰ্মচাৰী

নাই বুলি কোৱা হৈছে বা আমিও কৈছো বহু পোষ্ট ভেকেন্ট আছে কিন্তু তাৰ পিছতো আমাৰ কৰ্মচাৰীসকলে দিনে নিশাই কাম কৰি যোৱা বাইশটা মাহত আমাৰ পঞ্চায়ত বিভাগৰ প্ৰিঞ্চিপাল চেক্ৰেটেৰীৰ পৰা আৰম্ভ কৰি পঞ্চায়তৰ চেক্ৰেটেৰী জিআৰ এচ লৈকে সকলোৰে কৰ্মৰ ফলত পাঁচ লাখ চাৰি হাজাৰ ঘৰ ইতিমধ্যে কমপ্লিট কৰিবলৈ সক্ষম হৈছো । এইটো এটা ডাঙৰ এটা এচীভমেন্ট । এইটো সম্ভভ হৈছে এই কাৰণে যে ভাৰত চৰকাৰে পুঁজি দিছে প্ৰধান মন্ত্ৰী মহোদয়ে টকা দিছে আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ডে ৰানৰ পৰা এই ক্ষেত্ৰত চিৰিয়াচ যে আমি ঘৰখিনি কমপ্লিট কৰিব লাগে । আমি ইতিমধ্যে ন লাখ আঠ হাজাৰ ঘৰ কমপ্লিট কৰিছো আৰু আনন্দৰে আপোনালোকক জনাবলৈ পাই সুখী হৈছো বাকী ন লাখ একৈশ হাজাৰ দুশ আঠানব্বৈ টা ঘৰৰ কাম ইতিমধ্যে অনগোয়িং হৈ আছে । আমি প্ৰচেষ্টা ৰাখিছো ব্ল'কসমূহক, পঞ্চায়তসমূহক প্ৰতিমাহে ঘৰ কমপ্লিট কৰিবলৈ টাৰগেট দিছো । আমি ৰিভিউ মিটিঙ কৰি ব্ল'কসমূহক টাৰগেট দিছো । গতিকে আমি নিশ্চিতভাৱে বাকী থকা ঘৰখিনি - ন লাখ একৈশ হাজাৰ দুশ আঠানব্বৈ টা ঘৰ আমি ২০২৪ চনৰ ৩১ মাৰ্চৰ আগে আগে পাৰিম । আমি যে এইখিনি এচীভমেন্ট লাভ কৰিলো তাৰ বাবে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে আমাৰ পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ সকলো বিষয়া -কৰ্মচাৰীক আন্তৰিক ধন্যবাদ জনাইছো আৰু চিৰজীৱন কৃতজ্ঞ হৈ থাকিম কাৰণ এনেকুৰা ৰিমাৰ্কেৰল এচীভমেন্ট যে বাইশ মাহত আমি ইমান বৃহৎ সংখ্যক ঘৰ নিৰ্মাণ কৰিব পাৰিছো । আমাৰ চেক্ৰেটেৰী আছে দুই হাজাৰ এশ সাতানব্বৈটা । আমাৰ ভেকেন্ট আছে - এক হাজাৰ উনষাঠিটা । কিন্তু ইমান ভে কেন্ট থকাৰ পিচতো কাম আমাৰ ৰৈ থকা নাই । আমি কাম কাক কৰিবলৈ দিছো- যিসমূহ আমাৰ নিউলী ৰিক্ৰুইটেড টেক্স কালেক্টৰ আছে - বি কম পাছ কৰা বহু ডেকা ল'ৰা আছে , গ্ৰাম সেৱক- গ্ৰাম সেৱিকা সকলক আমি আই চি জিপিচি হিচাপে এনগেজড কৰি আমি কাম চলাই আছো । নহ'লে আমি এইটো এচীভমেন্ট নাপালোহেঁতেন । তথাপিও যিখিনি আমাৰ ভেকেন্ট আছে , ভেকেন্টখিনিৰ বাবে ইতিমধ্যে ডাইৰেক্ট ৰিক্ৰুইটমেন্ট বোৰ্ডত জনাইছো । তেওলোকে কৈছে যে যিহেতু ফোৰ্ড গ্ৰেড- থাৰ্ড গ্ৰেড কেটেগৰীৰ এইকেইটা পোষ্ট নহয় গতিকে সুকীয়াকৈ পৰীক্ষা পাতিব লাগিব । বোৰ্ডে নিশ্চিতভাৱে ব্যৱস্থা ল'ব । এই বছৰ এপ্ৰিলত ব্যৱস্থা ল'ম বুলি আমাক জনাইছে । উপাধ্যক্ষ ডাঙৰীয়া ইয়াৰ ওপৰিও আমি দেখিছো কিছুমান লেণ্ডলেছ মানুহ আছে । লেণ্ডলেছ মানুহক আমি মাটি আবন্টণ দিছো আৰু কিছুমান আমি ক্লাষ্টাৰ বনাই দিছো । অলপ আগতে মৃনাল শইকীয়া ডাঙৰীয়াই কৈছে যে আঠটা ঘৰৰ ক্লাষ্টাৰ কৰিছো । ঠিক তেনেদৰে আমি হাইলাকান্দিত ক্লাষ্টাৰ কৰিছো । ভাৰতৰ ভিতৰত প্ৰথম অসমে হাইয়েষ্ট ১৩১ টা ঘৰৰ ক্লাষ্টাৰ কৰি জয়পুৰ ব্ল'কত এটা কলোনী বনাই আছো । এই জয়পুৰ ব্ল'কৰ কলোনীটো আগন্তুক দিনত আমাৰ এটা পৰ্যটনৰ এটা কেন্দ্ৰ হ'ব । কাৰণ ভাৰতৰ ভিতৰত অসমতে ইমান ডাঙৰ ক্লাষ্টাৰ হৈছে । এতিয়ালৈ ইউ পিত্হে ৯৬ টা ঘৰৰ ক্লাষ্টাৰ হৈছে । আমি ক্লাষ্টাৰবিলাকত ফৰ্টিন ফাইনেন্সৰ জৰিয়তে শৌচালয়ৰ ব্যৱস্থা কৰিছো , চোলাৰ লাইট ইত্যাদিৰ ব্যৱস্থা কৰিছো । আমি যদি এম জি এন ৰেগাৰ জৰিয়তে পোন্ধৰ শতাংশকৈ ধৰি ৰাস্তা বনাই দিব পাৰো তেন্তে একন সুন্দৰ কলোনী হ'ব । গতিকে আমাৰ সন্মানীয় বিধয়াকসকলক মই এবাৰ এইটো চাই আহিবলৈ আহ্বান জনাইছো । তেতিয়া তেওলোকেও নিজৰ সমষ্টিত ভূমিহীনৰ বা পৰেষ্ট লেণ্ডত থকা সকলৰ বাবে ক্লাষ্টাৰ বনাব পাৰিব। আমি কেন্দ্ৰীয় মন্ত্ৰী ৰবি শংকৰ প্ৰসাদলৈ আমি পত্ৰ লিখি জনাইছিলো অসমত মুঠ পাঁচ হাজাৰ নশ উনপঞ্চাশটা লেণ্ডলেছ ফেমেলি ফৰেষ্ট এৰিয়াত আছে তাৰ ভিতৰত দুই হাজাৰ চাৰিশ ছিয়াসি টা এচ টি আৰু চাৰিশ পচানব্বৈ টা এচ চি আৰু এক

হাজাৰ সাতশ দুটা মাইনোৰিটি আৰু ৰক হাজাৰ দুশ চৈষঠিটা বিভিন্ন সম্প্ৰদায়ৰ পৰিয়াল আছে । গতিকে এই মানুহখিনিৰ বাবে আমি ফৰেষ্টক এন ও চি দিয়াৰ বাবে ব্যৱস্থা কৰিবলৈ কৈছো । এইখিনি আমি চেষ্টা কৰিছো কিন্তু যদি নহয় আগন্তুক দিনত আমি তেওলোকক ক্লাষ্টাৰ কৰি দিয়াৰ ব্যৱস্থা কৰিম । এইখিনিতে মই বিধায়ক নুৰুল হুদা ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেখেতে খুৱ সুন্দৰ কথা এটা দাঙি ধৰিছে । আমাৰ যিটো পঞ্চায়তৰ ইলেকশ্যন চিষ্টেম আছে সেইটো সলনি কৰিব লাগে । কাৰণ পঞ্চায়ত প্ৰেঞ্চিডেন্টক নিৰ্ব্বাচন কৰে জনসাধাৰণে । তেখেতে যেতিয়া পঞ্চায়ত মেম্বাৰসকলক সন্তুষ্ট কৰিব নোৱাৰে তেতিয়া তেখেতৰ ওপৰত অনাস্থা আনে । অনাস্থা অনাৰ পিচত গণতান্ত্ৰিকভাবে নিৰ্ব্বাচিত হোৱা মানুহজনৰ সদস্য হিচাপে মৰ্য্যদা নাথাকে । যদি তেখেতৰ সদস্য হিচাপে মৰ্য্যদা নাথাকে তেতিয়া হ'লে আমি জনাদেশটো উলংঘা কৰা হয় । ইয়াক লৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন কেবিনেট চাব কমিটি গঠন কৰি দিছে । নুৰুল হুদা ডাঙৰীয়াই কোৱা এই কথা খিনি মই এই কমিটিৰ দৃষ্টিগোচৰ কৰিম । তেখেতে আৰু এটা বিষয় দাঙি ধৰিছে সেইটো হৈছে - জিপিচি । ইতিমধ্যে অধ্যক্ষ ডাঙৰীয়াই ৰুলিঙত কৈছিলে যে জিপিচিয়ে যদি নিজা একাউন্টত কোনো হিতাধিকাৰীৰ পইচা জমা ৰাখিছে- আৰু ঘুৰাইও দিছে তথাপি তেওৰ ওপৰত ব্যৱস্থা ল'ব লাগে । অলপতে আমাৰ মুখমন্ত্ৰী মহোদয়ে - যেতিয় যোৰহাটত পাঁচ লাখ মানুহক ঘৰ আবন্টণ দিছিল তেতিয়া তেখেতে স্পষ্টভাবে কৈছিলে যে যদি কোনো পঞ্চায়ত সদস্য পি এম এ ৱাই ঘৰৰ বাবে হিচাধিকাৰীৰ পৰা টকা বিচাৰে তেন্তে লগে লগে থানাত এফ আই আৰ দিব লাগে আৰু বাকীখিনি শাস্তিৰ বিধান আমাৰ দায়িত্ব। গতিকে মই আহ্বান জনাইছো যে এনে ক্ষেত্ৰত এফ আই আৰ দাখিল কৰক । আমি এটা প্ৰচেচত যাব লাগিব যিটো অভিযোগ আহিছে আমি নিশ্চয় এনকোৱাৰী কৰিম । ইতিমধ্যে এনেধৰনৰ কেচত আমাৰ বিভাগত এশতকৈও অধিক বিষয়া চাচপেণ্ড হৈছে । গতিকে আমি এই বিষয়ে অতি কঠোৰ । মহত্মা গান্ধীয়ে কৈছিলে গাওঁত ভাৰতৰ আত্মা লুকাই থাকে । আমাৰ ভাৰতৰ প্ৰধানমন্ত্ৰী মোদী মহোদয়ে কৈছে যে, আমি যেতিয়লৈকে দৰিদ্ৰ মানুহখিনিক বিকশিত কৰিব নোৱাৰিম তেতিয়ালৈকে আমি ভাৰতক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব নোৱাৰিম । আৰু সেই কাৰমে তেখেতে কৈছে - এপ্ৰোছ দা পলিটিক্স, এপ্ৰোছ দা ৰিলিজিয়ন । সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, আৰু সবকা প্ৰয়াস গতিকে সেই প্ৰয়াস থাকিলে আমি উন্নতিৰ পথত আগুৱাই যাব পাৰিম । আজি গ্ৰাম্য অঞ্চলৰ উন্নয়ণক টপ প্ৰায়োৰিটি দিয়াৰ কাৰণে আমি ফেক জৱ কাৰ্ড বন্ধ কৰাৰ বাবে আধাৰ লিংক কৰাৰ ব্যৱস্থা কৰিছো । আৰু আধাৰ লিংক কৰা সকলেহে এম জি এন ৰেগাত কাম পাব । অকল জৱ কাৰ্ড থাকিলে নহ'ব ইয়াৰ লগত আধাৰ লিংক কৰাটো মেণ্ডাটৰী কৰা হৈছে । পি এম এ ৱাই ৰ ক্ষেত্ৰতো আধাৰ লিংক মেণ্ডাটৰী কৰা হৈছে । এই ক্ষেত্ৰত যাতে অসুবিধাত নপৰে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ উপদেশ মতে আমি ' সংযোগ ' এপ লন্স কৰিছো । এই এপৰ জৰিয়তে আমি ব্ল'কত গৈ সভা কৰিছো , যিসকলৰ জৱ কাৰ্ড আছে , পি এম এ ৱাইৰ ঘৰ পাইছে- তেওলোকৰ মাজত গৈ এৱাৰনেছ কৰিছো । আমি ব্ল'কৰ মানুহ ৰাখিছো , এপৰ মানুহ ৰাখিছো , এ এচ এল এমত আমাৰ 'সখী' সকলে কৰি আছে । তেওলোকক সকাহ দিবৰ কাৰণে, বেংকত যাতে অসুবিধা নহয় আমি বেংকক মাতি আনিছো । তেখেতসকলৰ বিৰুদ্ধে বিহীত ব্যৱস্থা লোৱাৰ কাৰণে সদনৰ মজিয়াৰ পৰাই মই মোৰ বিভাগক আহ্বান জনাইছোঁ, নিৰ্দেশ দিছো। নিশ্চিত ৰূপত এইটো চৰকাৰৰ ৰাজহ লষ্ট হ'ব, কোনোবাই টকা আয় কৰিব সেইটো অন্ততঃ ড° হিমন্ত বিশ্ব শৰ্মা, ৰঞ্জিৎ কুমাৰ দাস থাকোতে এইটো হ'ব নিদিও, এইটো নিশ্চিতৰূপত জনাইছোঁ। পঞ্চদশ বিত্তীয় বৰ্ষৰ কথালৈ আহিছো, বিধায়ক সকলক

আহ্বান জনাইছোঁ, লাহৰীঘাটৰ কথাটো আছিল। লাহৰীঘাটৰ কথা এটা জনাব বিচাৰিছোঁ। লাহৰীঘাটৰ অৱস্থা এটা সময়ত কি আছিল জানেই। সেই সময়ৰ অৱস্থাৰ পৰা আজিৰ অৱস্থা নিশ্চিত ৰূপত পাৰ্থক্য হোৱাটো তেওঁ নিজে স্বীকাৰ কৰিছে। আগতে লাহৰীঘাটৰ কাৰণে বিভিন্ন কথা, তেওঁৰ কথাত আমি একে দিনে ২৪ ঘন্টাৰ ভিতৰত মানুহ এজনক তাৰ পৰা বদলীকৰণ কৰি বৰাকভেলীত দিছোঁ। কিহৰ কাৰণে দিছো, তেখেতে কৈছে যে লাহৰীঘাট ব্লকত যি দুৰ্নীতি চলি আছে সেই সকল ব্যক্তিক যদি ৰাখি থৈ দিয়ে তেতিয়াহলে মই বিধায়ক হৈও একো কৰিব নোৱাৰো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক যেতিয়া এই কথাটো জনালো, তেতিয়া ২৪ ঘন্টাৰ ভিতৰত তেওঁক তাৰ পৰা withdraw কৰিছোঁ। কিয় কৰিছোঁ এই সততাটো আছে। লাহৰীঘাটৰ লগত ভাৰতীয় জনতা পাৰ্টীৰ ভোটৰ সম্পৰ্ক নাই, কিন্তু সম্পৰ্ক আছে মাটিৰ, সম্পৰ্ক আছে দেশৰ, সেই কাৰণে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ যি আদৰ্শ সেই আদৰ্শৰ আধাৰতে আমি লাহৰীঘাটতো সমপৰিমাণে দূৰ্নীতিমুক্ত ব্লক এটা কৰিবৰ কাৰণে ব্যৱস্থা কৰি আছোঁ।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট) ঃ** PMAY-G ঘৰৰ মৃত মহিলা হিতাধিকাৰীৰ নামত বেলেগে পইচা লৈ আছে।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মই সেইটো কথা ইতিমধ্যে কৈছো, তথাপি আৰু এবাৰ কওঁ যে PMAY-G ঘৰৰ নামত যদি তেনেকুৱাকৈ টকা লৈছে, যি সকল হিতাধিকীৰ, হিতাধিকীৰ সকলৰ পৰা direct complain লৈ আপুনি এটা মোৰ বিভাগত দিয়ক আৰু এটা পুলিচ থানাত দিয়ক, পুলিচে যি ব্যৱস্থা কৰিব লাগে কৰিব আৰু মোক দিয়ক আপুনি তথ্য প্ৰমাণ সহকাৰে, নিশ্চিতৰূপত আমি ৪৮ ঘন্টাৰ ভিতৰত ব্যৱস্থা কৰিম, কিন্তু হিতাধিকাৰীয়ে directly complain আমাক দিব লাগিব। মৃতৰ নামত যদি লৈছে আপুনি এটা complain দিয়ক। আপুনি অলপ আগতে সংখ্যাগত কৈ দিছে, মই বিভাগক এটা আহ্বান জনাইছো, যে আমাৰ বিধায়ক ডাঙৰীয়াৰ যিখন আবেদন হ'ব সেই আবেদনৰ আধাৰত তৎকালীনভাৱে যাতে বিভাগীয় ব্যৱস্থা কৰাৰ লগতে আমি বিভাগেও যাতে FIR lodge কৰো, মই আমাৰ বিভাগক ইতিমধ্যে এই বিষয়টো আহ্বান জনাইছোঁ। ইতিমধ্যে দুই চাৰি দিনৰ ভিতৰতে লাহৰীঘাট সমষ্টিত আমাৰ বিভাগৰ মানুহ গৈ আপোনাৰ লগত আলাপ কৰি সেই সকল মানুহৰ লগত তদন্ত ব্যৱস্থাৰ ঘোষণা কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, যি মৃত মহিলা ব্যক্তি ঢুকোৱাৰ পিছত তেওঁৰ যদি স্বামী জীয়াই থাকে, সেই ঘৰটো shift কৰিব পৰা, transfer কৰিব পৰা ব্যৱস্থা আছে নে নাই? যিহেতু পত্নীৰ নামত ঘৰটো অনুমোদন হয়।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** Legal Heir Certificate যেতিয়া ওলাব তেতিয়া যাক চাৰ্টিফাই কৰে, সাধাৰণতে অবিবাহিত মহিলা থাকিলে আমি সেইটোক preference দিওঁ, মাউৰা ল'ৰা-ছোৱালী থাকিলেও দিওঁ, গতিকে Legal Heir Certificate তেওঁলোকে আনিব লাগিব আৰু তাত যাৰ নাম থাকে আমি সেই চাই পিছত আনিব লাগিব। তেতিয়া হলে এই problemটো solve হৈ যাব।

**ডাঃ আচিফ মহম্মদ নাজাৰ,(লাহৰীঘাট) ঃ** PMAY-G ঘৰৰ মৃত মহিলা হিতাধিকাৰীৰ নামত বেলেগে পইচাটো আত্মসাৎ কৰি আছে।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** বেলেগে আত্মসাৎ কৰি আছে। গতিকে এইটো criminal case হ'ব। আপুনি লিখিতভাৱে দিয়ক। লিখিত ভাৱে দিলে আমাৰ বিষয়া এজন depute কৰি দিম, আপোনাৰ তাত গৈ সেই অনাৰ লগে লগে on the spot

আপোনালোকে FIR দিব, আমাৰ মানুহে FIR তাত দিব, দি এই দুখীয়া মানুহক যিটো থগোৰা, তেনেকুৰা দুই চাৰিটা মেচেজ গ'লে ভাল। কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাৰে বাৰে কৈ আছে কিন্তু মানুহে মোক whatsapp ত দি থাকে। আমাৰ জাকিৰেও স্বাস্থ্যৰ কথা কৈছে, মই সেই কাৰণে আজি কালি প্ৰতিদিনে কিমানটা ঘৰ সম্পূৰ্ণ কৰি আছো, কিমান ধান-চাউল কিনি আছো, মই আজিকালি সেইটোও জনা হৈছো, কাৰণ কিয় সেই ৰাতিপুৰা এঘন্টা feedback দিয়ে, গতিকে মই বিভাগৰ লগত ৰাতিপুৰা সেইখিনি সময় কাম কৰো, নিজৰ স্বাস্থ্যৰো কাম কৰো।

**শ্ৰীনিজানুৰ ৰহমান, (গৌৰীপুৰ) ঃ** ছাৰ, ধুবুৰী জিলাত complain হৈ গৈছে, আপুনি এক্চন লোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মই এক্চন ল'ব নোৱাৰো হয় পুলিচে ল'ব বা বিষয়াই হে ল'ব। আপুনি থানাটো দিব এটা কপি। আপুনি সচেতন নাগৰিক, সচেতনৰ ভুমিকা পালন নকৰে। You go to the Police Station আৰু FIR lodge কৰিব।

**শ্ৰীনিজানুৰ ৰহমান, (গৌৰীপুৰ) ঃ** ছাৰ, ৪ টা ৫ টা FIR lodge কৰা হৈছে, ডি চি কো অভিযোগ দিয়া আছে। একো এক্চন লোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** যেতিয়া পুলিচৰ কেছ এটা জুদিচিয়েলত গুচি যায় তাৰ পিছত আমি একো কৰিব নোৱাৰোঁ। বিভাগৰ ফালৰ পৰা আমি যাক suspend কৰিব লাগে তাক কৰি আছোঁ। কিন্তু কোৰ্টে যেতিয়ালৈকে একো নকয়, কাৰণ যিহেতুকে থানাত দিয়াৰ পিছত জুদিচিয়েল মতে আহি গ'ল। জুদিচিয়েল হোৱাৰ পিছত বিশেষ একো কৰিব নোৱাৰো। কিন্তু আমাৰ বিষয়া গৰাকীৰ গাফিলটিৰ কাৰণে আমি যি কৰিব লাগে কৰি আছো। মই এই সদনত বিধায়ক সকলক এটা আহ্বান জনাম, মই দেখিছো আমাৰ 15th finance ৰ টকা, বিভিন্ন আমাৰ পঞ্চায়তে নিজৰ নিজৰ আঁচনি ধৰি তেওঁলোকে খৰচ কৰে। খৰচ কৰে ভালে কৰিছে, ৰাস্তাঘাট কৰিছে, বিভিন্ন কাম কৰিছে। আমাৰ নাহকটীয়াৰ বিধায়ক মন্ত্ৰী বিমল বৰা ডাঙৰীয়া যোৱাবাৰ কি কৰিছিল যে, গোটেই স্কুল সমূহ মেৰামতি কৰিছিল15th finance ৰ জৰিয়তে। ঠিক তেনেকুৰাকৈ মই পৰহি গৈ বজালীত লগ পালো, মই প্ৰায় ডেৰকোটি টকা মোৰ সমষ্টিত থকা ৭২ টা স্কুলত গৈ কাৰ কি অভাৱ আছে, কাৰোবাৰ টিনপাত ফুটা আছে, লগতে টিনপাট সলনি কৰি dynaroof টিনপাট লগাই দিছোঁ, কাৰোবাৰ চিলিং দিব লগা আছে, এনেকুৰাকৈ ৭২ টা স্কুলত মই প্ৰায় ১ কোটি ২৫ লাখ 15th finance ৰ টকা দি সম্পূৰ্ণ স্কুল খিনি কাম কৰাৰ ব্যৱস্থা কৰিছো। পৰৱৰ্তী সময়ত যি সমূহ অঙ্গনবাড়ী কেন্দ্ৰ আছে, কাৰণ আমাৰ বাইদেওৱে দিব নোৱাৰে কাৰণ মাটি specification নাথাকে, তেনেকুৰা অঙ্গনবাড়ী কেন্দ্ৰকো আমি দিয়াৰ কাৰণে ব্যৱস্থা কৰিছোঁ।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** ছাৰ, গাইড লাইনটো অলপ সলনি হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** Please. মাননীয় সদস্য reply complete কৰিব দিয়ক।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** Debate নহয় এইবিলাকত।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** আমাৰ প্ৰথম প্ৰায়ৰিটিটো সেইটো আছিল। মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে সৰু সুৰা যি বিলাক কাম মেৰামতিৰ কামৰ কাৰণে আমি এম এল এ ফাণ্ড দিব নোৱাৰো। গতিকে মেৰামতিৰ কামৰ কাৰণে যিহেতুকে এম এল এ ফাণ্ড দিব নোৱাৰে 15th finance ৰ পৰা দিলে অন্ততঃ স্কুলখিনি ভাল হ'ব। গতিকে স্কুল খিনি ভাল

হোৱাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক পৰামৰ্শ দিছিল আৰু সেইটোৰ আধাৰত আমি ইতিমধ্যে, আপোনালোকেও যদি বি ডি অ' এজনক মাতি, কাৰণ এইকেইদিনত কাম বোৰ চলি আছে, যদি চেচনো দি দিয়ে নোৱাৰিব, তেতিয়া আপোনালোকে ২০২২-২৩ ৰ দ্বিতীয় কিস্তিলৈ যাব লাগিব। এতিয়াই যদি বি ডি অ' সকলক দি দিয়ে তেতিয়া হলে আপোনালোকৰ নিজৰ নিজৰ সমষ্টিত থকা স্কুল সমূহ সুন্দৰকৈ, এক লাখ, দুই লাখ টকাকৈ আমি দিছোঁ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** চি ই অ' য়ে এলাউ নকৰিলে।

**মাননীয় উপাধ্যক্ষ ঃ** Please. শ্বেৰমান আলী আহমেদ ডাঙৰীয়া।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** আপুনি বি ডি অ'ক মাতিব, মাতি সেইটো কৰিব, সেইটো কৰিলে মই ভাৱো যে শিক্ষা বিভাগৰ কাৰণে এটা সকাহ দিয়া হ'ব। অঙ্গনবাড়ীৰ যেতিয়া আমি কাম লম য'ত স্পেচিফিক হৈ নাথাকে, বাইদেউৰে য'ত কৰিব নোৱাৰে, সেইখিনি আমি যাতে কৰো, তাৰ কাৰণে আপোনালোকক অনুৰোধ জনাই আপোনালোকে যি কৰ্তন প্ৰস্তাৱ আনিছে, আপোনালোকে গ্ৰাম্য অঞ্চলৰ ৰাইজৰ স্বাৰ্থত কাৰণ নহ'লে এই প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ সমূহ, আপোনালোকে উঠাই যাতে তাকে আহ্বান জনাইছোঁ। ধন্যবাদ।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** ছাৰ, পাইপ লাইনত যি বোৰ পইচা সোমাইছে সেইবোৰ আঁচনি ক্লোজ নহয়। নতুন আঁচনিটো যিহেতুকে পোৱা নাই, পাইপ লাইনত ইতিমধ্যে সোমাই গৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** ইতিমধ্যে মেটেৰেলচ্ৰ কথা কৈছে, ২০১৯-২০ ৰ পৰা২০২২-২৩ লৈ মুঠ ফাণ্ড ২১৪ কোটি আজি কিছুদিন আগতে মুকলি কৰি দিছোঁ। গতিকে আপোনালোকৰ কাম কৰিব বহুতে মই দেখিছো, মই সেইদিনা পৰমানন্দ ৰাজবংশী ডাঙৰীয়াৰ লগত গ'লো, তেখেতে মোক ক'লে যে আমাৰ ইয়াতে মেটেৰেলচ্ৰ পইচা পোৱা নাই, মই বি ডি অ' ক সুধিলো, কিয় কৰা নাই, তেওঁ নিজে কলে যে ছাৰ মই ২০২২-২৩ ৰ পাইপ লাইন কৰা নাই। ঠিক তেনেদৰে এপ্লাই যদি নকৰে মোৰ কমিচনাৰ জনে কেনেকৈ দিব পাৰিব? যি সকল পাইপ লাইনত আছে তেওঁলোক নিশ্চিতভাৱে তেওঁলোকে পাইছে, যাৰ কাৰণে ২১৪ কোটি টকা। সেইটো হ'ব পাৰে, ডাঙৰ কথা নহয়, কিন্তু এটা দিন হলেও পাব অন্ততঃ। এতিয়া যি সকলে পাইপ লাইনত দিয়া নাই, পাইপ লাইন দিম, মই আপোনালোকক আহ্বান জনাই মোৰ বক্তব্য শেষ কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়াটো সকলো বিধায়কৰে দায়িত্ব। গতিকে মই ভাবো সকলো বিধায়কে যদি এই দায়িত্ব পালন কৰে, এতিয়া যি সকল বিধায়কে দুৰ্নীতিৰ কথা কৈ আছে সেই বিলাক দূৰ হ'ব। এতিয়া মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ আপোনালোকে আপোনালোকৰ কৰ্তন প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰিব নেকি?

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে, আমিও বিচাৰো যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে অসমৰ গ্ৰাম্যঞ্চলৰ চিত্ৰখন পৰিবৰ্তন কৰিব পাৰি। এই বিভাগত যথেষ্ট টকাৰ দৰকাৰ আছে। এই বিভাগৰ দ্বাৰা হে গ্ৰাম্যাঞ্চলৰ পৰিবৰ্তন হ'ব। মন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো যে, আমাৰ যি সকল বিডিও বা কৰ্মচাৰী আছে, তেখেত সকলক অলপ নিয়মীয়া কৰাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে চকু দিব লাগিব। মোৰ জুৰীয়া ব্লকত ২৩ মাহত ১৪ বাৰ বিডিও বদলি হৈছে। এইটো Guinness Book of World Records ত উঠিব লগীয়া কথা উপাধ্যক্ষ মহোদয়। এই ১ টকালৈ বা ১০০ টকালৈ কিয় হ্ৰাস

কৰা হ'ল উক্ত বিভাগৰ বাবে আৱন্টিত পুঁজিটো, এইটো হ'ল আমাৰ সদনৰ যিখন নিয়মাৱলী আছে তাতে এইটো সন্নিবিষ্ট আছে। সদন পৰিচালনা বিধিত কৰ্তন প্ৰস্তাৱৰ ফৰ্মেটত এইদৰে আছে। গতিকে বাজেটৰ ধন ১ টকালৈ হ্ৰাস কৰাৰ কথা কোৱা মানে বিৰোধীয়ে গ্ৰামোন্নয়নৰ একো কাম নিবিচাৰে বুলি মন্ত্ৰীয়ে কোৱা কথাটো যুক্তিহীন। তেখেতে এই বক্তব্য প্ৰত্যাহাৰ কৰিব লাগিব।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো ।তেখেতে যিমান ধুনীয়াকৈ ক'লে যে বিদ্যালয়বোৰ মেৰামতি কৰিছে। আমাৰ Untied fund টো স্থানীয় অসুবিধাবোৰ দূৰ কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰো য'ত যেনেকৈ প্ৰয়োজন। মোৰ তাত প্ৰয়োজন হৈছে গৰাখহনীয়া ৰোধ কৰিব লাগে CEO নিদিয়ে। প্ৰয়োজন হৈছে মডেল স্কুলৰ মাটি পূৰণ কৰিব লাগে তেতিয়া তেখেতে কয় 15th Finance ৰ পইচা দিব নোৱাৰি। এই ধৰণৰ অসুবিধাৰ বাবে আমি বহু কাম কৰিব পৰা নাই। মোৰ বাঘবৰত এতিয়া প্ৰধান সমস্যাটো হৈছে মডেল স্কুলৰ মাটি পূৰণ, মডেল হস্পিতালৰ মাটি পূৰণ, বাঘবৰ ডিগ্ৰী কলেজৰ মাটি পূৰণ (Earth Filling)। আজি মাটি পূৰণ নোহোৱাৰ বাবে মোৰ IB ত PWD কাম-কাজবোৰ কৰিব পৰা নাই। জ্যোতি বিষ্ণু প্ৰকল্প কেন্দ্ৰৰ আন্তঃগাঁথনি হোৱা নাই। যাতে গাইডলাইন মতে হে যায়। If, necessary let there be a direction from Commissioner all over the State to follow the guidelines, with this word, I would like to Withdraw and thank you.

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে মোৰ চেম্বাৰলৈ আহিব মই লগে লগে টেলিফোন কৰি দিম।

**মাননীয় উপাধ্যক্ষঃ** কৰ্তন প্ৰস্তাৱ উঠাই লোৱাৰ ক্ষেত্ৰত সদনৰ অনুমতি আছে নে, সদনৰ অনুমতি সাপেক্ষে কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। মই এতিয়া মঞ্জুৰী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল ২০২৪ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটো মঞ্জুৰী নং ৫৭ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন সম্পৰ্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৮,৭৩৬৮৭.৫০ লাখ হাজাৰ টকা মঞ্জুৰী কৰিব লাগে। যি সকল মাননীয় সদস্য প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল আৰু দাবী মঞ্জুৰী নং ৫৭ টো গৃহীত হ'ল। এতিয়া মঞ্জুৰী নং ৩৯। নাৰী আৰু শিশু কল্যাণ বিভাগ। এতিয়া মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াই প্ৰস্তাৱ কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে

মই প্ৰস্তাৱ কৰিব খোজো যে ২০২৪ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক মহিলা আৰু শিশু কল্যাণ শিতানৰ প্ৰশাসনৰ অৰ্থে ৩০৪৯৮৬.১২ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া ৩৯ নং মঞ্জুৰী প্ৰস্তাৱটোৰ তলত উল্লেখ কৰা মাননীয় সদস্য সকলৰ নামত ৫ টা কৰ্তন প্ৰস্তাৱ আছে। মই মাননীয় সদস্য সকলক প্ৰস্তাৱকেইটা উত্থাপন কৰিবলৈ অনুৰোধ জনালো। শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকল, শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকল, মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ, মাননীয় সদস্য শ্ৰী অখিল

গগৈ, মাননীয় সদস্য শ্ৰী  শ্বেৰমান আলী আহমেদ। তেখেত সকলে কৰ্তন প্ৰস্তাৱ উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** Hon'ble Deputy Speaker sir, That the total provision of Rs. 304986-12 lakh under Grant No. 39 in respect of "Women & Child Development" at pages 85-163 volume-II, part-XII of the Budget for 2023-2024 be reduced to Re.1.00 i.e., the amount of the whole Garnt of Rs. 304986.12 lakh do stand reduced to Re.1.00.

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** Hon'ble Deputy Speaker sir, for Grant No. 39 we the members of AIUDF would move, That the total provision of Rs. 304986-12 lakh under Grant No. 39 in respect of "Women & Child Development" at pages 85-163 volume-II, part-XII of the Budget for 2023-2024 be reduced to Re.1.00 i.e., the amount of the whole Garnt of Rs. 304986.12 lakh do stand reduced to Re.1.00. Thank you.

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** Hon'ble Deputy Speaker sir, That the total provision of Rs. 304986-12 lakh under Grant No. 39 in respect of "Women & Child Development" at pages 85-163 volume-II, part-XII of the Budget for 2023-2024 be reduced to Re.1.00 i.e., the amount of the whole Garnt of Rs. 304986.12 lakh do stand reduced to Re.1.00.

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** Hon'ble Deputy Speaker sir, That the total provision of Rs. 304986-12 lakh under Grant No. 39 in respect of "Women & Child Development" at pages 85-163 volume-II, part-XII of the Budget for 2023-2024 be reduced to Re.1.00 i.e., the amount of the whole Garnt of Rs. 304986.12 lakh do stand reduced to Re.1.00.

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Hon'ble Deputy Speaker sir, That the total provision of Rs. 304986-12 lakh under Grant No. 39 in respect of "Women & Child Development" at pages 85-163 volume-II, part-XII of the Budget for 2023-2024 be reduced to Re.1.00 i.e., the amount of the whole Garnt of Rs. 304986.12 lakh do stand reduced to Re.1.00.

**শ্ৰীমতী নন্দিতা দাস, (বকো)ঃ** মাননীয় উপাধ্যক্ষ মহোদয় আমি কৰ্তন প্ৰস্তাৱ আনিছো। পৰম্পৰাগত ভাবে এইটোৰ প্ৰয়োজনীয়তা আছে। সেই কাৰণে আনিছো যে যদিও এই বিভাগত বেছি পইচা ইয়াত মঞ্জুৰী হোৱাটো বিচাৰো। এই বিভাগটো এনেকুৱা এটা বিভাগ যিটো বিভাগে সমগ্ৰ মহিলা , শিশু, জ্যেষ্ঠ নাগৰিক, দিব্যাংগ তথা তৃতীয় লিঙ্গৰ লোকৰ বিষয়ে যিবিলাক উন্নয়নমুলক আঁচনি এই বিভাগে সকলোখিনি আঁচনি আচলতে ইয়াত সামৰি লয়। আমাৰ সৌভাগ্য যে আমাৰ অসম চৰকাৰৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানী তেখেত মহিলা আৰু Woman and Child Development বিভাগৰো মন্ত্ৰী। এই কাৰণে আমি এই সুযোগতেক'ব বিচাৰো যে তেখেতে যাতে বেছি বেছি ধন এই বিভাগটোলৈ এলোকেশ্যন দি তেখেতে বিভাগৰ সকলোখিনি উন্নয়নৰ কাম যাতে কৰে। আমি দেখিছো যে এইবাৰ বাজেটত এই বিভাগলৈ যিমান খিনি টকা আৱন্টন কৰা হৈছে । সেই টকাখিনি ৰেভিনিউ শিতানত বেছি আছে আৰু কেপিটেল শিতানত অলপ কম আছে। ৰেভিনিউ শিতানত ২৭৬২.১১কোটি টকা আৰু কেপিটেল শিতানত ২৮৭.৭৫ কোটি টকা । ৰেভিনিউ শিতানত বেছি দিছে কিন্তু আমি বিচাৰিছিলো যে কেপিটেল শিতানতহে আচলতে টকাটো বেছি আৱন্টন হ'ব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়,আমি দেখিছো যে যোৱাবেলি বাজেটত যিমান টকা ধাৰ্য্য কৰা আছিল বহুত গুৰুত্বপুৰ্ণ শিতানত, এইবাৰ কিন্তু টকা কম পৰিমানে ধৰা গৈছে। কিছু কিছু শিতান এনেকুৱা হৈছে, যিবোৰ শিতানত পইচা ধৰাই হোৱা নাই, ধাৰ্য্য কৰাই হোৱা নাই। সেইখিনি বিষয় সদনৰ মজিয়াত উপস্থাপন কৰিব বিচাৰিছো, মাননীয় উপাধ্যক্ষ মহোদয়, ২০২২-২৩ বৰ্ষত welfare of handicap যিটো শিতান, সেইটো শিতানত ইয়াত ধনৰ পৰিমাণ আছিল ১৮৬.২৬ কোটি টকা এই বাৰ উক্ত শিতানত কোনো ধন কিন্তু ধাৰ্য্য কৰা নাই। ২০২২-২৩ বৰ্ষত Child welfare শিতানত যিটো ধন ধাৰ্য্য কৰিছিল, সেইটো আছিল ১৬৭৫.৫৮ কোটি টকা। এইবাৰ এই শিতানত ধাৰ্য্য কৰা হৈছে ১৩৩৯.২৯ কোটি টকা। অৰ্থাৎ ৩৩৫.২৯ কোটি টকা কমিল। ২০২২-২৩ চনত schedule caste component plan, তাতে ধাৰ্য্য কৰা আছিল ৪২.৯৪ কোটি টকা । এইবাৰ ধাৰ্য্য কৰা হৈছে ২৫.২৮ কোটি টকা অৰ্থাৎ এইবাৰ কমিল ১৭.৬৬ কোটি টকা।

২০২২-২৩ বৰ্ষত Tribal area sub plan শিতানত যিটো ধন ধাৰ্য্য কৰিছিল, ৭২.৬০ কোটি টকা এইবাৰ ২০২৩-২৪ চনত ধাৰ্য্য কৰা হৈছে ৪৪.২৫ কোটি টকা । অৰ্থাৎ এইবাৰ কমিল ২৮.৩৫ কোটি টকা। উপাধ্যক্ষ মহোদয়, আমাৰ nutrition যিটো বিষয় শিশু বা মহিলাৰ ক্ষেত্ৰত হওঁক যিটো ICDS project ৰ দ্বাৰা এই আঁচনিটো চলি থাকে। এই আঁচনিবোৰত আচলতে অধিক ধন ধৰিব লাগে। কিন্তু এইবাৰ বাজেটত শিশু আৰু মহিলাৰ বাবে অতি দৰকাৰী গুৰুত্বপূৰ্ণ লাগতিয়াল শিতান হ'ল distribution of nutrition food, এই শিতানত যোৱা বেলি ধাৰ্য্য কৰা ধনৰ পৰিমাণ আছিল ১১৮৮.৩৯ কোটি টকা এইবাৰ ধাৰ্য্য কৰা হৈছে ১০২৩.৪০ কোটি টকা অৰ্থাৎ কমিল ১৬৫.৪৯ কোটি টকা। এইটো আচলতে কমিব নালাগিছিল। মাননীয় উপাধ্যক্ষ মহোদয়, দীনদয়াল দিব্যাঙ্গ পেঞ্চন শিতানত যোৱাবাৰ ধাৰ্য্য কৰা ধনৰ পৰিমাণ আছিল ১৩৭.২৬ কোটি টকা। এইবাৰ এই শিতানত কোনো ধন ধাৰ্য্য কৰা নহ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, দীনদয়াল দিব্যাঙ্গ পুনৰ সংস্থাপন অধীনত যোৱাবাৰ ধাৰ্য্য কৰা ধনৰ পৰিমাণ আছিল ৩.৮০ কোটি টকা। এইবাৰ এই শিতানত কোনো ধন ধাৰ্য্য কৰা নহ'ল। মানসিক বিকাৰগ্ৰস্ত লোকৰ গৃহৰ বাবে যোৱাবাৰ ধাৰ্য্য কৰা ধনৰ পৰিমাণ আছিল ২.৮৫ কোটি টকা। এইবাৰ এই শিতানত কোনো ধন ধাৰ্য্য কৰা নহ'ল। ঠিক তেনেদৰে আমাৰ 'বেটি বচাওঁ বেটি পঢ়াওঁ' যিটো খুব বহল ভাবে প্ৰচাৰ কৰা কেন্দ্ৰীয়

চৰকাৰৰ এটা আঁচনি। এই আঁচনিৰ শিতানত যোৰাবাৰ ধাৰ্য্য কৰা ধনৰ পৰিমাণ আছিল ৮.৯০ কোটি টকা এইবাৰ ধাৰ্য্য কৰা ধনৰ পৰিমাণ ৮.০১ কোটি টকা। তাৰ মানে ৯০ লাখ টকা ইয়াত কমিল। এইটো ছবি মই এই কাৰণেই দাঙি ধৰিলো যিহেতু এই বিষয়টো সমগ্ৰ 50% of the population অসমক represent কৰি মহিলা, শিশু, দিব্যাংগ, তৃতীয় লিংগ জ্যেষ্ঠ নাগৰিক সকলোকে সামৰি এই বিভাগটোত বিভিন্ন আঁচনি ৰূপায়ণ কৰা হয়। এই ক্ষেত্ৰত এই বিভাগটোত বেছিকৈ পইচা দি এই বিভাগৰ আচলতে উন্নয়নৰ কাম বিলাক কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এতিয়া child trafficking টো খুব গুৰুত্বপুৰ্ণ আৰু চিন্তনীয় বিষয় হৈ পৰিছে। এই child trafficking ৰ ক্ষেত্ৰত যিখিনি পইচা ইয়াত আৱন্টন দিয়া হৈছে, জিলা পৰ্য্যায়ত যিবিলাক আছে, Anti human trafficking unit , এই জিলা পৰ্য্যায়ত এচ পি সকলে এই ইউনিটবোৰ নিয়ন্ত্ৰন কৰে, জিলা পৰ্য্যায়ত মাত্ৰ ২ লাখ টকা দিয়া আছে, এই টকাটো একেবাৰে পৰ্য্যাপ্ত নহয়, এই টকাটো আচলতে বৃদ্ধি কৰিব লাগে। ঠিক তেনেদৰে malnutrition ৰ ক্ষেত্ৰত আমাৰ অসমৰ অৱস্থা খুবেই বেয়া । আমাৰ NFS, National Family Health Service ৰ যিটো ২০১৯-২১ ৰিৰ্পট আমি এইটো পাইছো  তাতে পাঁচ বছৰ বয়সৰ তলৰ কম ওজনৰ শিশু আছে, ২৮.৯ শতাংশ below under weight হৈ আছে। ৬ ৰ পৰা ১৫ মাহৰ  যিবোৰ শিশু আছে তেওঁলোকৰ ৩৫.৭ শতাংশ শিশুৱে এনিমিয়াত ভুগি আছে। মহিলা সকলৰ অৱস্থা খুবেই বেয়া, যিটো body mass index যিটো মহিলা সকলৰ তথ্যত পোৱা গৈছে যে ২৫.৭ শতাংশ মহিলা body mass index  below normal ত আছে। এইটো হৈছে আমাৰ সামগ্ৰিক এখন ছবি। মাননীয় উপাধ্যক্ষ মহোদয়, চাইল্ড মেৰেজৰ ক্ষেত্ৰত বাজেটত ২০০ কোটি টকা ধৰা হৈছে। এই টকাটো কি ধৰণে ব্যৱহাৰ কৰা হ'ব এইটো কিন্তু ইয়াত গম পোৱা নাযায়। মাননীয় উপাধ্যক্ষ মহোদয়, আমি বিচাৰো যে, সময় ইমান তাকৰ ইয়াত গোটেইখিনি কথা, ইয়াৰ আলোচনাৰ প্ৰয়োজন আছে। দিব্যাংগ সকলৰ শিক্ষা অনুষ্ঠান, তেওঁলোকৰ এইবোৰত পইচা দিয়া হোৱা নাই। মহিলা সকলৰ ট্ৰেনিং চেন্টাৰবোৰত আমাৰ এই সকলোবোৰ দিশ চাই চিতি  আমি সকলোৰে বিচাৰো যে এই বিভাগত, এই হেড বিলাকত ধন আৱণ্টন কৰক । যিবোৰ হেডত পইচা দিয়া নাই আৰু যাতে বেছি পইচা দি এই বিভাগবোৰৰ জৰিয়তে সামগ্ৰিকভাৱে অসমৰ শিশু, মহিলা, দিব্যাংগ, জ্যেষ্ঠজন সকলোৰে যাতে উন্নয়নৰ দিশে আগবাঢ়ি যাব পাৰে তাৰ কাৰণে মন্ত্ৰী মহোদয়ে চেষ্টা কৰে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।  মাননীয় সদস্য উৎপল বৰা , খুব কম সময় তিনি মিনিট মানত শেষ কৰি দিব, আৰু তিনি গৰাকী সদস্য আছে। ন'হলে উত্তৰটো নাহিব।

**শ্ৰী উৎপল বৰা, (গহপুৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ সন্মানীয় বিত্ত মন্ত্ৰী তথা নাৰী আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীয়ে যি বাজেটত ৩৪৯৮৮.১২ লাখ টকা বিচাৰি যি মঞ্জুৰী উত্থাপন কৰিছে তাত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে, সেই কৰ্তন প্ৰস্তাৱক মই বিৰোধিতা কৰি দুআষাৰ ক'বলৈ ওলাইছো। উপাধ্যক্ষ মহোদয়, আমাৰ  Woman & Child Development Department টো আচলতে মানৱ সমাজৰ কাৰণে আমি মেৰুদণ্ড হিচাপে ভাবিব লাগিব। যেতিয়ালৈকে আমাৰ শিশু সকলক সুস্বাস্থ্যৰ অধিকাৰী কৰি তুলিব নোৱাৰো তেতিয়ালৈকে আমি ভৱিষ্যতে শিশু জনৰ পৰা ভাল মানৱ সম্পদ গঢ় লৈ উঠিব বুলি আমি আশা কৰিব নোৱাৰো। এই কাৰণে নাৰী আৰু শিশু কল্যাণ বিভাগৰ জৰিয়তে যি  আৱন্টন দিছে সেই আৱন্টনৰ পুঁজি আৰু বঢ়াবহে লাগে, কমোৱাৰ প্ৰশ্ন আহিব নোৱাৰে। বিৰোধীয়ে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে

যি কৰ্তন প্ৰস্তাৱ আনিছে তাক মই বিৰোধিতা কৰি ক'বলৈ ওলাইছো যে আমাৰ অংগনবাদী যিখিনি চেন্টাৰ অসমত আছে। সেই কেন্দ্ৰ বিলাকৰ অৱস্থা ২০১৬ চনত আমাৰ চৰকাৰ অহাৰ আগলৈকে যথেষ্ট পুতৌজনক অৱস্থাত আছিল। এজন শিশুৱে মাকৰ কোলাৰ পৰা ওলাই আহি যেতিয়া বাস্তৱ জগতখনৰ লগত চিনাকি হ'বলৈ আহে তেতিয়া বাস্তৱ জগতৰ বস্তু বিলাকৰ লগত চিনাকি হোৱাৰ প্ৰথম খোজটোৱেই অংগনবাদী চেন্টাৰ বিলাকৰ লগত দিয়ে। আৰু তাত আহি শিশুজনে ভাল বস্তু দেখাৰ বিপৰীতে তাত হয়তো এখন ফটা ফ্লৰ বা টিনপাটৰ পানী পৰা ঘৰ এটা দেখিবলৈ পাইছিল। কিন্তু আজি আমাৰ চৰকাৰখনে এই বিভাগৰ জৰিয়তে আজি অংগনবাদী চেন্টাৰ বিলাক পুনৰ নিৰ্মাণ কৰিবৰ কাৰণে মডেল অংগনবাদী চেন্টাৰ নিদা বা আৰ আই ডি এফ বা বিভিন্ন ধৰণৰ শিতানৰ পৰা নিৰ্মাণ কৰিবলৈ ওলাইছে। এই অংগনবাড়ী চেণ্টাৰ বিলাক পুনৰ নিৰ্মাণ কৰি, এটা ভাল পৰিবেশৰ নিৰ্মাণ কৰি যাতে ভৱিষ্যতৰ আহিব লগীয়া শিশুবোৰক এটা ভাল মানৰ সম্পদ গঢ়িবৰ কাৰণে প্ৰয়াস কৰিব পাৰে তাৰ কাৰণে এটা প্ৰচেষ্টা হাতত ল'বলৈ বিশেষভাৱে অনুৰোধ জনাইছো। আজি পোষণ স্কীম আমাৰ ৰাষ্ট্ৰীয় পোষণ অভিযানৰ জৰিয়তে আজি আমাৰ মাননীয় বিৰোধী সদস্য গৰকীয়ে malnutrition ৰ কথা, পুষ্টিহীনতাৰ কথা কৈছে। ইয়াৰ জৰিয়তে আমাৰ ২০২১ চনৰ ৰাষ্ট্ৰীয় পোষণ অভিযানৰ জৰিয়তে আৰম্ভ কৰা শিশু সকলৰ সুখাদ্যৰ যাতে পুষ্টিহীনতাত ভুগিব নালাগে, পুষ্টিকৰ খাদ্য খোৱাৰ কাৰণে আজি অংগনবাড়ী ৱৰ্কাৰ, হেল্পাৰ সকলৰ জৰিয়তে চি ডি পি অ' সকলে বিভিন্ন গ্ৰাচৰুটত কামখিনি কৰিবলৈ গৈ আছে আৰু ইয়াৰ জৰিয়তে আজি আমাৰ আই এম আৰ বা ইনফেণ্ট ম'ৰটেলিটি ৰেট এইটো যথেষ্ট কমি আহিছে আৰু লগতে আমি malnutrition ৰ পৰা পুষ্টিহীনতাৰ পৰা আমাৰ শিশু সকলক উদ্ধাৰ কৰিবৰ বা গৰ্ভৱতী মহিলা সকলক মৃত্যু মুখৰ পৰা ৰক্ষা কৰাৰ কাৰণে এক বিশেষ প্ৰচেষ্টা গ্ৰহণ কৰিছে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰক আমি বিশেষভাৱে ধন্যবাদ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই এটি অনুৰোধ জনাব বিচাৰিছো যিহেতু আমাৰ মডেল অংগনবাড়ী কেন্দ্ৰ বিলাক নিৰ্মাণ হৈ আছে এই মডেল অংগনবাড়ী কেন্দ্ৰ বিলাকক যাতে New Education Policy ত হাইস্কুল, হায়াৰ চেকেণ্ডাৰী বিলাকৰ লগত যদি সুবিধা হয়, ডিচটেঞ্চ যদি মেইনটেইন হয় তেতিয়াহ'লে তাৰ কাৰণে সেই কেম্পাচতে বনায়। New Education Policy ত আমাৰ যিটো ব্যৱস্থা আছে from Nurssery to Higher Secondary Level লৈকে যাতে শিক্ষা ব্যৱস্থাটো একেখন প্ৰতিষ্ঠানতে হ'ব পাৰে তাৰ বাবে বিভাগক আমি এই কথাটো আহ্বান জনাইছো যে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। আমাৰ ফিজিকেলী চেলেঞ্জ যিসকল শিশু আছে এই শিশু সকলক আমাৰ জিলাত যদিও অংগনবাড়ী ৱৰ্কাৰসকলৰ জৰিয়তে কৰা হয় এইক্ষেত্ৰত মই ভাবিছো আমাৰ প্ৰত্যেকখন জিলাত যাতে এই চেণ্টাৰটো খুব ভাল কৰে। ডাক্তৰ যিগৰাকী আছে এটা ডেট দিয়া হয়। এইখিনি বিভাগে বিশেষ তৎপৰতা লৈছে আৰু ব্যৱস্থা লৈ ফিজিকেলী চেলেঞ্জ শিশু সকলক বা যদি কোনোবা ব্যক্তি ৰৈ গৈছে তেওঁলোকক যাতে ফিজিকেলী চেলেঞ্জৰ সুবিধাৰ পৰা এখন চাৰ্টিফিকেট পায় তাৰ বাবে যথেষ্ট সুবিধা কৰি দিব বুলি আশা কৰিছো আৰু এটা কথা আহ্বান কৰাৰ লগতে মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আমাৰ বহুতো চি ডি পি অ' অফিচ আমাৰ সমষ্টি বিলাকত ৰেণ্টেড হাউচত আছে। আজিৰ তাৰিখত আমাৰ এমালগেমেশ্যনৰ পিছত বহুতো বিদ্যালয়, এনেকুৱা বিদ্যালয় আছে যে এম ই, এল পি বহুতো বিদ্যালয় এমালগেমেশ্যনৰ পিছত এবানদ'ন অৱস্থাত আছে। সেই বিদ্যালয় বিলাকত যদি চি ডি পি অ' অফিচ বিলাকক লৈ যাব পৰা হয় তেতিয়া হ'লে চৰকাৰৰ ইক'নমিকেলী

চাইডৰ পৰাও লাভবান হ'ব আৰু এবানদ'ন স্কুল বিলাক জঁহি-খহি যোৱাৰ পৰা ভাল হ'ব বুলি আশা কৰি মন্ত্ৰী মহোদয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে চি ডি পি অ' অফিচ বিলাক কনভিনিয়েণ্ট প্লেচত যাতে যিবিলাক after amalgamation school আছে সেইবিলাকত ব্যৱহাৰ কৰিবৰ কাৰণে এটা অনুৰোধ জনালো। আজি অংগনবাড়ী চেণ্টাৰৰ ৱৰ্কাৰ আৰু হেল্পাৰৰ ক্ষেত্ৰত কোৱালিফিকেশ্যনৰ ওপৰত যথেষ্ট গুৰুত্ব দি মেৰিট কনচিডাৰেশ্যন কৰিছে। কিন্তু এটা কথা দেখিবলৈ পাইছো যে ডিষ্টিংশ্যন পোৱা, মাষ্টাৰ ডিগ্ৰী বা টেট চিলেকশ্যন পোৱা বহু কেণ্ডিডেটে হাইয়াৰ চেকেণ্ডাৰী লেভেলত ৱৰ্কাৰ আৰু হেল্পাৰৰ ইণ্টাৰভিউত বহে। এই ক্ষেত্ৰত যিটো কোৱালিফিকেশ্যন বিচাৰে সেই কোৱালিফিকেশ্যনতকৈ বহু অভাৰ কোৱালিফাইড মানুহে যেতিয়া এপ্লাই কৰে তাত মেৰিট কনচিডাৰেশ্যন যিহেতু হয় তেওঁলোক চিলেকশ্যনত আহে। চতুৰ্থ বৰ্গৰ ক্ষেত্ৰত যিটো কথা কৈছে চৰকাৰে সেই ক্ষেত্ৰত অকনমান দৃষ্টিগোচৰ কৰি হাইয়াৰ চেকেণ্ডাৰী আৰু হাইস্কুল লেভেলত পাচ কৰা কেণ্ডিডেট সকলক যাতে মেৰিট বেচিচত চিলেকশ্যন কৰে এইটো মই অনুৰোধ ৰাখিম। পুনৰ বাৰ কাটমোশ্যনত ক'বলৈ দিয়াৰ বাবে মই মাননীয় উপাধ্যক্ষ মহোদয় আপোনাক ধন্যবাদ জনাই বিভাগক আৰু যাতে অধিক পুঁজি আবণ্টন দি এই বিভাগটোক যাতে শক্তিশালী কৰিব পাৰে, টনকিয়াল কৰিব পাৰে তাৰ বাবে বিৰোধীৰ এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য আপোনাৰ এটা শব্দ ডিচএবল তাৰ ঠাইত আপুনি যদি দিব্যাংগ জন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছে যে most beautiful gift of god এই শব্দটো দিলে ভাল হ'ব। এতিয়া মাননীয় সদস্য মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Women and Child Development টো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ আৰু এই বিভাগৰ অন্তৰ্গত যোৱা ২০২২-২৩ বিত্তীয় বৰ্ষত মাননীয়া মন্ত্ৰী মহোদয়াই অসমৰ বিভিন্ন জিলাত আই চি ডি এচ প্ৰজেক্টৰ অন্তৰ্গত অংগনবাড়ী চেণ্টাৰ সমূহ উন্নতি কৰাৰ কাৰণে যি ২৫ লাখ টকাকৈ অভিলাষী আঁচনি লৈছে মডেল স্কুল বিলাকত দিয়াৰ কাৰণে সেইটো যথেষ্ট ভাল আঁচনি আৰু ইয়াৰ জৰিয়তে মডেল অংগনবাড়ী সমূহ আগন্তুক বৰ্ষৰ পৰা যিহেতু আমাৰ New Education Policy আৰম্ভ হ'ব তাৰ কাৰণে আমাৰ এল পি স্কুল বোৰে ভাল কাম কৰিব। সময় কম হোৱাৰ কাৰণে মই কেৱল দুটামান কথা ক'ব বিচাৰিছো। এই আই .চি. ডি.এচ প্ৰজেক্টবোৰৰ আৰু অংগনবাড়ীৰ যিবোৰ কেন্দ্ৰ আছে তাত হেল্পাৰ আৰু ৱৰ্কাৰ থাকে। এই হেল্পাৰ আৰু ৱৰ্কাৰবোৰে যথেষ্ট ভাল কাম কৰে। তেওঁলোকে কেৱল শিক্ষকতাৰ কামটোৰে নহয় তেখেতে সকলে অন্যান্য বিভাগৰ কিছুমান কামো কৰি আছে। যেনে - ৰেচন কাৰ্ডৰ কাম, ভোটাৰ লিষ্টৰ কাম, ফিজিকেলী চেলেঞ্জ পাৰশ্যনক আইডেণ্টিফাই কৰা কাম, ইলেকশ্যন মেটাৰৰ কাম, অৰুণোদয়ৰ কাম ইত্যাদি যথেষ্ট কাম কৰাৰ উপৰিও অন্যান্য কিছুমান আনুসংগিক কামো এই কৰ্মীসকলে কৰি আছে। কিন্তু তেওঁলোকৰ দৰমহাৰ ফালে যদি চাঁও তেতিয়াহ'লে অসমৰ ভিতৰত আটাইতকৈ বেছি কষ্ট কৰা কৰ্মীসকল হ'ল এই অংগনবাড়ী কেন্দ্ৰৰ কৰ্মীসকল। আটাইতকৈ কম দৰমহা পোৱা ব্যক্তি সকলেই হ'ল এই অংগনবাড়ীৰ কৰ্মী সকল। মাননীয়া মন্ত্ৰী মহোদয়াক মই অনুৰোধ কৰিব বিচাৰিছো যে যিহেতু আপোনালোকে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ মিলি এই কৰ্মী সকলক দৰমহা দি আছে, এই অংগনবাড়ী কৰ্মী সকলৰ দৰমহাৰ পেটাৰ্ণটো হৈছে ৱৰ্কাৰ সকলে কেন্দ্ৰীয় চৰকাৰৰ পৰা পায় ৪,৫০০ টকা আৰু ৰাজ্য চৰকাৰৰ পৰা পায় ২,০০০ টকা। হেল্পাৰ সকলে কেন্দ্ৰীয় চৰকাৰৰ পৰা পায় ২,২৫০ টকা

আৰু ৰাজ্য চৰকাৰৰ পৰা পায় ১,০০০ টকা। এই ৬৫০০ টকা আৰু ৩,২৫০ টকা একেবাৰে নিম্ন মানৰ দৰমহা বুলি ক'ব পাৰি। এই বিধান সভাত যিহেতু মাননীয়া মন্ত্ৰী মহোদয়া উপস্থিত আছে গতিকে মই অনুৰোধ কৰিম যে আমি যি অৰুণোদয় আঁচনিৰ অধীনত ১,২৫০ টকা দি আছো এতিয়া সেইটো ১৪৫০ টকা হ'লগৈ এইটো ভাল কথা। সেয়েহে মই ক'ব বিচাৰিছো যে এই অংগনবাড়ী কেন্দ্ৰৰ হেল্পাৰ আৰু ৱৰ্কাৰ সকলক যদি এই অৰুণোদয় আঁচনিৰ জৰিয়তে এই টকা দিয়া হয় তেতিয়াহ'লে তেওঁলোকৰ দৰমহাতো ভাল হ'ল হেতেন। মই বিভগীয় মন্ত্ৰী মহোদয়ক আৰু এটা অনুৰোধ কৰিম যে কেন্দ্ৰীয় চৰকাৰলৈ এটা প্ৰস্তাৱ পঠাব লাগে যে ৪,৫০০ টকা আৰু ২,২৫০ টকা এইটো অতি কম দৰমহা। গতিকে এই দৰমহাৰ পৰিমাণ বৃদ্ধি কৰিব লাগে। এই কৰ্মীসকলে যি কষ্ট কৰে তাৰ উচিত প্ৰতিদান পাব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত দুটা আই চি ডি এচ প্ৰজেক্ট আছে। এটা দলগাঁও আই চি ডি এচ প্ৰজেক্ট আৰু আনটো বেচিমাৰী আই চি ডি এচ প্ৰজেক্ট। এই দুটা আই চি ডি এচ প্ৰজেক্টৰ কাৰ্য্যালয় বৰ্তমান ভাৰা ঘৰত চলি আছে। অসমৰ প্ৰত্যেকটো সমষ্টিতে কম বেছি পৰিমাণে চৰকাৰী মাটি আছে। মই মাননীয়া মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিম যে আপোনালোকৰ বিভাগৰ ফালৰ পৰা যদিহে এখন নটিচ বা এটা অৰ্ডাৰ পাচ কৰি দিয়ে যে য'ত চৰকাৰী মাটি আছে তাত এই আই চি ডি এচ প্ৰজেক্টৰ কাৰ্য্যালয় সমূহ স্থায়ীভাৱে প্ৰতিষ্ঠা কৰি দিয়ে। এই আই চি ডি এচ প্ৰজেক্টৰ কাৰ্য্যালয়ৰ ভাৰাৰ নামত ৩০-৫০ হাজাৰ টকা গৈ আছে। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিম যে চৰকাৰৰ ৰাজহ বৃদ্ধি কৰিবৰ কাৰণে বা ৰক্ষাৰ কাৰণে এই আই চি ডি এচ প্ৰজেক্ট কেইটাৰ কাৰণে মাটি যোগান ধৰি নিজাকৈ ঘৰ বনাই দিব লাগে। মোৰ দলগাঁও সমষ্টিত ৫৬৯ টা, দলগাঁও শিয়ালমাৰী আই চি ডি এচ প্ৰজেক্টৰ অন্তৰ্গত অংগনবাড়ী কেন্দ্ৰ আছে আৰু বেছিমাৰী আই চি ডি এচ ৰ প্ৰজেক্টৰ অন্তৰ্গত ৮৮ টা অংগনবাড়ী কেন্দ্ৰ আছে। ইয়াৰে এতিয়ালৈকে ২৪১ টা অংগনবাড়ী কেন্দ্ৰ জৰাজীৰ্ণ অৱস্থাত আছে। তাত ঘৰ নাই, কেৱল এখন চালিহে আছে, বেৰ আদি নাই। তাৰে ৫৮ টা অংগনবাড়ী কেন্দ্ৰ বেছিমাৰী আই চি ডি এচ প্ৰজেক্টৰ অন্তৰ্গত। তাত কোনো ঘৰেই নাই। কেৱল ওপৰত টিং খিনিহে আছে আৰু ২৬ টা অংগনবাড়ী কেন্দ্ৰ দলগাঁও আৰু শিয়ালমাৰী আই চি ডি এচ প্ৰজেক্টৰ ভিতৰত। ২৬ টা কেন্দ্ৰত মাটিয়েই নাই। ১২ টা অংগনবাড়ী কেন্দ্ৰৰ অধীনত থকা বেছিমাৰী আই চি ডি এচৰ মাটি নাই। গতিকে মই মাননীয়া মন্ত্ৰী মহোদয়াক অনুৰোধ কৰিম যিহেতু চৰকাৰী মাটি আছে যদি আপোনালোকে চাৰ্কোল অফিচাৰক আৰু অঙ্গনবাড়ী বিভাগৰ ICDS project যি বিষয়াসকল আছে, তেখেতসকলক যদি অৰ্ডাৰ দিয়ে। মাটি যোগাৰ কৰি নিজৰ ঠাইত বিভাগে কাম আৰম্ভ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ৰূপজ্যোতি কূৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি মোক এই শিতানত ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছোঁ। বিৰোধী যি কৰ্তন প্ৰস্তাৱ আনিছে, ইয়াৰ বিৰোধীতা কৰিছো।

আজি ভগৱান বিষ্ণুৰ সপ্তম অৱতাৰ ৰাম ভগৱানৰ জন্মদিন। এই সময়ত এটা প্ৰাৰ্থনা গাই ল'ব বিচাৰিছোঁ।

Kaushalya, Dashrath Ke Nandan
Ram Lalat Pe Shobhit Chandan
Raghupati Ki Jay Bole Lakshman
Ram Siya Ka Ho Abhinandan

Anjani Putra Pade Hain Charan Mein
Ram Siya Japte Tan Man Mein

Mangal Bhavan Amangal Hari
Dravahu Sudasrath Ajir Bihari
Ram Siya Ram, Siya Ram
Jay Jay Ram
Ram Siya Ram, Siya Ram
Jay Jay Ram
Ram Siya Ram, Siya Ram
Jay Jay Ram

মাননীয় উপাধ্যক্ষ মহোদয়, আমি যদি চাওঁ আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰৰ বিশেষকৈ বৃদ্ধ আৰু লক্ষীস্বৰূপা বিত্তমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত বৰ্তমান আমাৰ মহিলা আৰু শিশু কল্যাণ, এই গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্বত আছে। আজি যদি চাওঁ, বিশেষকৈ যিখন অসমত বোমা ফুটিছিল, ইয়াত যি ধৰ্ণা প্ৰতিবাদ হৈছিল, তেতিয়া বিশেষকৈ মহিলা আৰু শিশুসকলে ভুগিব লগিয়া হৈছিল। আজি AFSPA আইন অসমৰ প্ৰায় ২৫ খন জিলাৰ পৰা withdraw কৰা হৈছে। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া, মাননীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ। আজি অসমলৈ শান্তি আনিছে। আজি মহিলা সকলে চকুপানী মুজিব লগা হোৱা নাই। আজি কোনো শিশুৱে অঙ্গনবাড়ী কেন্দ্ৰলৈ নোযোৱাকৈ থাকিবলগীয়া হোৱা নাই। স্কুলৰ পৰা তেওঁলোকে বঞ্চিত হোৱা নাই। আজি বিশেষকৈ মহিলা আৰু শিশুৰ ক্ষেত্ৰত ভাৰতীয় জনতা পাৰ্টীয়ে যি কাম কৰিছে, সেইটো সলাগ ল'বই লাগিব।

আজি যদি চাই চাহ বাগনৰ শ্ৰমিকৰ এদিনৰ মজুৰী পাই আছিলে ১৩৭ টকা, বৰ্তমান চৰকাৰে বৃদ্ধি কৰি ২৩২ টকা কৰিলে। এতিয়া ৯০ শতাংশ মহিলাই চাহপাত তোলে। জৰকাৰ্ডত ২২৯ টকাকৈ চলি আছিল, বৰ্তমান চৰকাৰে বৃদ্ধি কৰি ২৩৮ টকা কৰিলে। আজি জৰকাৰ্ডত ৯০ শতাংশ মহিলাসকলে কাম কৰে। বিহুৰ লগত জৰিত মহিলা সকল এতিয়া ১.৫০ লাখ টকাকৈ বিহু সমিতিক দি এই খন চৰকাৰে যি গুৰুত্ব দিছে। আজি জল জীৱন মিছনৰ জৰিয়তে ঘৰে ঘৰে পানী পোৱাৰ ব্যৱস্থা কৰা হৈছে। এইবিলাকৰ ক্ষেত্ৰত আগৰ চৰকাৰে কোনো ধৰণৰ গুৰুত্ব দিয়া হোৱা নাছিল। আজি মহিলাসকলক এইখন চৰকাৰে প্ৰকৃতাৰ্থত সন্মান জনাইছেঁ। আগতে বোমা ফুটিছিল, গুলি ফুটিছিল, আগৰ চৰকাৰে বড়ো চুক্তি, আদিবাসী চুক্তি, কাৰ্বি চুক্তি আনিবলৈ চেষ্টা নকৰিলে। Micro Finance ৰ ক্ষেত্ৰত এইখন চৰকাৰে ১০ লাখতকৈ অধিক মহিলাক সন্মান জনাই আঁচনি দিয়াটো সলাগ ল'বই লাগিব। Free text book দেউতাক সকলে কামত গুছি যায়, মাক সকলে সন্তানক স্কুল পঠিয়াবলৈ চিন্তা হৈছিল। এতিয়া free text book, free admission, অৰুণোদয় আঁচনি ইত্যাদি দিছে। আজি অঙ্গনবাড়ী কেন্দ্ৰ খুলিছে। বৰ্তমান চৰকাৰে অসম গৌৰৱ, অসম ভৈৰৱ আঁচনি আনিছে। স্ব-নিৰ্ভশীল নাৰী, আত্মনিৰ্ভশীল নাৰী ইত্যাদি দিছে। IMR rate ৰোধ কৰিবলৈ চেষ্টা কৰিছে। চাহ বাগানৰ গৰ্ভৱতী মহিলা সকলক আজি ১২ হাজাৰ টকাকৈ ৬ মাহৰ কাৰণে মাহে মাহে দিছে। আজি Health আঁচনিয়ে হওঁক, দিব্যাংগৰ কাৰণে আঁচনিয়ে হওঁক, NGO স্থাপিত কৰি হওঁক, Child & Woman Trafficking ৰোধ কৰাৰ কাৰণে আঁচনি লোৱা, Woman

help line number, Ujjala আঁচনি, সখী আঁচনি, Swadher greh, নাৰী শক্তি পুৰস্কাৰৰ যোগেদিয়ে হওঁক, স্ত্ৰী শক্তি পুৰস্কাৰৰ যোগেদিয়ে হওঁক, মহিলা পুলিচ volunteer যোগেদিয়ে হওঁক, মহিলা শক্তি কেন্দ্ৰ, নিৰ্ভয়া আঁচনিৰ যোগেদিয়ে হওঁক, এইখন চৰকাৰে যি কৰিছে, তাৰ সলাগ ল'বই লাগিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)**ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱ আনিছোঁ, কাৰণ এই বিভাগটোৰ ওপৰত আমাৰ ৰাজ্যখনৰ বিকাশটো নিৰ্ভৰ কৰে । কিন্তু বৰ দূৰ্ভাগ্যজনক ভাৱে এই বিভাগটোৰ ব্যৰ্থতাৰ কাৰণে আমাৰ ৰাজ্যৰ বিকাশটো বাধাগ্ৰস্ত হৈছে। মই দেখিছো যে আমাৰ ৰাজ্যখনত আজি অঙ্গনবাড়ী কৰ্মীসকলে ৬,৫০০ টকাত কাম কৰিব লগা হৈছে। ৰাজ্যিক শ্বেয়াৰ মাত্ৰ ২,০০০ টকা, ইয়াৰ বিপৰীতে আমি বিভিন্ন ৰাজ্যত দেখিছো যে যিধৰণে অঙ্গনবাড়ী কৰ্মীসকলক ৰাজ্যৰ ফালৰ পৰা তেওঁলোকৰ মজুৰী বৃদ্ধি কৰিছে, তেলেংগনাত ৯,১৫০ টাকলৈকে দিয়ে, হাৰিয়ানাৰ কথা, দিল্লীৰ কথা আমি উল্লেখ কৰিব পাৰো। কিন্তু আমাৰ ৰাজ্যখনৰ বাবে মই বাজেট বিতৰ্কতো তেওঁলোকৰ মাননি বৃদ্ধিৰ কৰাৰ ক্ষেত্ৰত কৈছিলো। এই বিষয়টো সম্পূৰ্ণভাৱে আওকাণ কৰিছে বিভাগে আৰু এই সমস্যাটো জীয়াই ৰাখিছে, অঙ্গনবাড়ী কৰ্মীসকলে নিৰ্য্যাতিত অৱস্থাত আছে।

কিন্তু এই বিভাগটোৰ আন কিছুমান কথা বতৰা, যিটো আমি দেখিছো maternity death এতিয়া 47 out of 1000 যদি হয়, MMR ৰ ক্ষেত্ৰত highest in country বা আজি শিশুৰ মৃত্যুৰ হাৰ যদি average গোটেই ভাৰতবৰ্ষত ৪০ হয়, আমাৰ ইয়াতে 48 out of 1000, কিয় আমি achieve কৰিব পৰা নাই। ইমান দক্ষ চৰকাৰ, এতিয়া ৰাম নৱমীৰ দিনাখনো যদি এই কথাবতৰা বিলাকৰ কোনো সদ উত্তৰ নাপাওঁ, তেতিয়া হলে স্বাভাৱিকতে অসুবিধা হয়। কিয় আমাৰ এই ব্যৰ্থতা । এতিয়া মই আৰু এটা বিষয়লৈকে দৃষ্টিগোচৰ কৰিব বিচাৰিছো আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়লৈকে। অসম চৰকাৰৰ বিভিন্ন বিভাগৰ কাম-কাজ যেতিয়া আমি পৰ্য্যালোচনা কৰো, মই আটাইতকৈ এই বিভাগটোত বৈষম্যটো দেখিছো বিৰোধী পক্ষৰ প্ৰতি। সাংঘাটিক বৈষম্য। মোৰ সমষ্টিত অঙ্গনবাড়ী কেন্দ্ৰ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এতিয়ালৈকে মাত্ৰ দুটা হৈছে । কিন্তু মই জানো বিভিন্ন বিধায়কৰ সমষ্টিত ২১, ২২, ২৫, ৩০ টা হৈছে। এনেকুৱা কথাটো হ'ব নালাগিছিল। আনকি মুখ্যমন্ত্ৰীৰ নিজস্ব বিভাগটো বিৰোধী পক্ষক অলপমান ইফাল সিফাল হ'লেও বিৰোধী পক্ষৰ প্ৰতি এটা অনুকম্পা থাকে। তেওঁলোকে সেই ব্যৱস্থা কৰে । কিন্তু এই মন্ত্ৰী গৰাকীয়ে এনেকুৱা বৈষম্য কৰিছে এতিয়া এটা কুদৃষ্টান্ত হৈ থাকিব এই সমষ্টিত । এইটোৱে যদি বৈষম্য হয় .........

(সদন হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি বহক। আপোনালোকে বহক ।

..............(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে অঙ্গনবাড়ী কেন্দ্ৰ অনুমোদন নজনায়। মন্ত্ৰী ডাঙৰীয়ানী আছে তেখেতে উত্তৰ দিব। আপোনালোকে বহক ।

................(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি বহক। আপোনাকোলে গণ্ডগোল নকৰিব ।

................(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি এক মিনিটত শেষ কৰক।

.........(সদনত হুলস্থুল)

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ উপাধ্যক্ষ মহোদয়, আমি যেতিয়া শপত লৈছিলো আমাৰ মুখ্যমন্ত্ৰীয়ে সেইদিনাখন বিধান সভাত ঠিয় হৈ কৈছিল যে আমি ভাইব্ৰেন্ট ডেম'ক্ৰেচিলৈ কে যাব বিচাৰিছো।

(সদন হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আপুনি বহক ।

(সদন হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপোনালোকে বহক ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (বিধায়ক)ঃ** উপাধ্যক্ষ মহোদয়, বুঢ়া আঙুলি দেখুৱাই আছে ।

............(সদন হুলস্থুল)..........

**মাননীয় উপাধ্যক্ষ ঃ** সদন পাচ মিনিট সময়ৰ বাবে স্থগিত ৰখা হ'ল।

**(সদনত উপবিষ্ট মাননীয় উপাধ্যক্ষ, ডাঃ নোমল মমিন)**

**মাননীয় উপাধ্যক্ষ ঃ** Hon'ble Parliamentary Affairs Minister.

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়. মোৰ অলপ ক'বলগীয়া আছে।

**.............(সদনত হুলস্থূল)..............**

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মই কাজিয়া কৰিব বিচৰা নাই।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ,(সৰভোগ) ঃ** মই কাজিয়া নকৰো। কিন্তু মোক বুঢ়া আঙুলি দেখুৱাইছে, অবাইচ মাত মাতিছে, এইটো এটা ব্যৱস্থা ল'ব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** অবাইচ মাত যদি আছে, Expunge কৰি দিব লাগে।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** অবাইচ মাত মাতিছে, প্ৰথমতে এইটো এটা ব্যৱস্থা ল'ব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** যদি তেনেকুৰা হৈছে Everything will be Expunged.

**(সদনত হুলস্থূল)**

**শ্ৰীমনোৰঞ্জন তালুকদাৰ,(সৰভোগ) ঃ** খাৰিজ কৰিব লাগে আৰু বুঢ়া আঙুলি দেখুৱাটো বন্ধ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীঅখিল গগৈ তিনি মিনিটত শেষ কৰিব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সময়টো যিহেতু কম মই পোনে পোনে যাওঁ। ২৩ ডিচেম্বৰ, ২০১৫ তাৰিখৰ দিনা অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকা সকলক regularise কৰিব লাগে বুলি আৰু যেতিয়ালৈকে regularise নহ'ব, তেওঁলোকৰ দৰমহা বৃদ্ধি কৰিব লাগে বুলি এটা প্ৰস্তাৱ director social welfare department এ চৰকাৰলৈ প্ৰেৰণ কৰিছিল। উপাধ্যক্ষ মহোদয়, প্ৰথমতে ক'ব খুজিছো, অসম অঙ্গনবাড়ী কৰ্মী সহায়িকা সন্থা সেই মিটিং খনত মইও আছিলো social welfare Director ৰ লগত। তেতিয়া প্ৰস্তাৱ লৈছিল। প্ৰস্তাৱৰ সম্পূৰ্ণ ক'পি, official proposal মোৰ হাতত আছে। গতিকে মই প্ৰথমে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো অসমৰ অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ চাকৰি আৰু তেওঁলোকৰ দৰমহা যেতিয়ালৈকে নিয়মীয়া নহয়, তেতিয়ালৈকে বৃদ্ধি কৰিবলৈ অনুৰোধ জনাইছো। অঙ্গনবাড়ী কৰ্মী সকলে আজিৰ দিনটোত অসমত ৬৫০০ টকা দৰমহা পায়। সেৰাৰ ফলস্বৰূপে ৬৫০০ টকা remuneration পায়। তাৰে ৪৫০০ টকা কেন্দ্ৰীয় চৰকাৰে আৰু ২০০০ টকা

অসম চৰকাৰে দিয়ে। অঙ্গনবাড়ী সহায়িকা সকলে ২২৫০ টকা পায় কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু অসম চৰকাৰৰ পৰা ১০০০ টকা পায়। মুঠতে ৩২৫০ টকা পায়। কিন্তু আমি দেখিছো যে, ২৩ তাৰিখে লোকসভাত যি প্ৰশ্নৰ উত্তৰ দিছে, সেই লোকসভাত দিয়া প্ৰশ্ন উত্তৰ দেখিছো যে State share বিলাকৰ ক্ষেত্ৰত অন্য ৰাজ্যবিলাকে বহুত বেছিকৈ দিছে। যেনেকৈ তেলেংগানাই State share কৰ্মীৰ কাৰণে ৯১৫০ টকা extra দিছে আৰু অঙ্গনবাড়ী সহায়িকাৰ কাৰণে ৫৫৫০ টকা দিছে। গতিকে তেলেংগানাত বহুত বেছি দৰমহা অঙ্গনবাড়ী কৰ্মী সহায়িকা সকলে পায়। ঠিক তেনেকৈ দিল্লী, কেৰেলাতো অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকা বিলাকৰ যিটো remuneration, সেইটো যথেষ্ট বেছি । আজিৰ দিনটোত কোনো মানুহে সেৱায়ে বা চাকৰিয়ে কৰক, যি নকৰক কিয় লাগিলে ৬৫০০ টকা আৰু ৩২৫০ টকাৰে এতিয়াও পৰিয়াল চলোৱাটো সম্ভৱ নহয়। এইটো যদি কৰিবলৈ দিয়ে, তেতিয়াহ'লে এই ব্যৱস্থাতো ভালকৈ নচলিব, শিশু সকলৰ প্ৰতি প্ৰকৃত প্ৰতিপালন নহ'ব আৰু দুৰ্নীতি হ'ব। গতিকে মই বিভাগক অনুৰোধ জনাইছো, এইটোৰ এটা অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। দ্বিতীয় কথাটো হ'ল, আজি কেন্দ্ৰীয় চৰকাৰে লোকসভাত দিয়া এটা প্ৰশ্নৰ উত্তৰত যোৱা ২৪ মাৰ্চ তাৰিখৰ দিনা দেখুৱাইছে যে অসমত Stunted যিসকল মানুহ আছে, যিসকলৰ বয়সটো চাই উচ্চতাটো বৃদ্ধি হোৱা নাই তেনেকুৱা মানুহৰ সংখ্যাৰ ক্ষেত্ৰত অসম ৮ নম্বৰত আহি গৈছে। এইটো খুব বেয়া হৈছে। এতিয়া অসমৰ 35.3% মানুহ এনেকুৱা অৱস্থাত আছে। ঠিক তেনেকৈ under weight ত আছে 32.8% মানুহ। অসম এইক্ষেত্ৰত ভাৰতৰ ভিতৰত সপ্তম। আনহাতে weight ৰ ক্ষেত্ৰত যাৰ বয়স অনুপাতে height টো বৃদ্ধি হোৱা নাই সেইটোৰ ক্ষেত্ৰত দেখা গৈছে যে, অসম পঞ্চম। Malnutrition ৰ কাৰণে অসমৰ শিশু সকলৰ যি অৱস্থা, সেইটো অত্যন্ত ভয়ানক। গতিকে গোটেই বিষয়টো বিবেচনা কৰি Social Welfare Department ক এখন স্বাধীন গণতান্ত্ৰিক দেশৰ নাগৰিকৰ শিশু সকলক দিবলগীয়া ব্যৱস্থাবিলাক দিবৰ কাৰণে দাবী উত্থাপন কৰিছো আৰু শেষত সন্মানীয় বিধায়ক শ্ৰীমনোৰঞ্জন তালুকদাৰে সকলোকে অঙ্গনবাড়ী কেন্দ্ৰবিলাক সমানে দিয়া উচিত বুলি উত্থাপন কৰা কথাটো গুৰুত্ব দিয়াটো দৰকাৰ। কাৰণ আমাৰ বিৰোধী পক্ষৰ মডেল অঙ্গনবাড়ী কেন্দ্ৰবিলাক কমকৈ বনায়। আমাৰ অঞ্চলত শিশু বিলাকে বেয়া ঠাইত থাকিব লাগে নেকি ?

**माननीय উপাধ্যক্ষ ঃ** You are asking for more Anganbadi Centre but you are not taking their reply.

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** সেইকাৰণে মই অনুৰোধ কৰিছো, সকলোৰে প্ৰতি সমান বিচাৰ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী দুৰ্গা দাস বড়ো ডাঙৰীয়া।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কেৱল দীঘলীয়া কৰিব খোজা নাই। দুটামান কথা ক'ব খুজিছো। কেইবাগৰাকীও বক্তাই বিভিন্ন ধৰণৰ বিষয় ৰাখিলে ইয়াত। সকলোৱে সকলো কথা কৈ আছে। মডেল অঙ্গনবাড়ী কেন্দ্ৰ বিলাক যিহেতু বিত্তমন্ত্ৰী ডাঙৰীয়ানী তথা Social Welfare Minister যে ইমান সুন্দৰকৈ, বনাইছে, ভাৰতবৰ্ষৰ ক'ৰবাত ইমান সুন্দৰ হৈছে নে নাই , ইমান facility থকা হৈছে নে নাই মই নাজানো। আনকি English medium school বিলাকতো ল'ৰা-ছোৱালীক বহিবলৈ চকী-মেজৰ যিখিনি সুবিধা দিছে, লেট্ৰিনৰ পৰা আৰম্ভ কৰি, মই ভাৱো এইটো এটা অত্যাধুনিক চেণ্টাৰ হৈছে আৰু এই অত্যাধুনিক চেণ্টাৰটোৰ কাৰণে মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো।

এতিয়া কথাটো হৈছে অত্যাধুনিক চেণ্টাৰ বিলাকত ইতিমধ্যে যিসমূহ অঙ্গনবাড়ী সহায়িকা আৰু কৰ্মী আছে তাত মোৰ ক'বলগীয়া একো নাই। কিন্তু যাৰ কাৰণে এই কেন্দ্ৰসমূহ উন্নত কৰা হৈছে, তাৰ এটা লক্ষ্য আৰু উদ্দেশ্য নিশ্চয় চৰকাৰৰ আছে। ভৱিষ্যতে যিকোনো অঙ্গনবাড়ী চেণ্টাৰত appointment বিলাক minimum matriculate মহিলাক দিব লাগে। কাৰণ তেওঁলোকে শিক্ষা প্ৰদান কৰিব। আজি High School, College, University ত ল'ৰা-ছোৱালীক পঢ়োৱা আটাইতকৈ সহজ কথা। কিন্তু অঙ্গনবাড়ী কেন্দ্ৰত এটা মাতৃসুলভ মনোভাৱ লৈ মহিলা সকলে কাম কৰিব লাগে। নিজৰ সন্তানৰ নিচিনাকৈ চাবলগীয়া হয়। গতিকে appontment দিওঁতে তেওঁলোকৰ চিন্তা-চৰ্চা অতি matured হ'ব লাগে। কিন্তু বহুত অঙ্গনবাড়ী কেন্দ্ৰত দেখিছো তেওঁলোকে যাব লাগে কাৰণে যায়, তেওঁলোকে কৰিব লাগে কাৰণে কৰে। গতিকে সেইটোৰ এটা reform কৰিব লগা হৈছে। শেষ কথাটো হৈছে যে, অলপ আগতে মাননীয় সদস্য এগৰাকীয়ে কৈছে যিসমূহ অঙ্গনবাড়ী কেন্দ্ৰ এতিয়াও ভাড়াঘৰত আছে, যিসমূহত এতিয়াও বিদ্যুৎ সংযোগ হোৱা নাই, যিসমূহ মাটি নাই তেওঁলোকক systematically উপায়ুক্তৰ জৰিয়তে বা বিধায়ক সকলক জড়িত কৰি তেওঁলোকে পোৱাৰ কাৰণে ব্যৱস্থা কৰি দিব লাগে, অন্তঃত minimum যিখিনি মাটি আছে ক'ৰবাত তেওঁলোকক attach কৰি দিব লাগে। শেষত মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম এনে বহুত চেণ্টাৰ আছে য'ত ১০ টাও শিশু নাই। তেনেকুৱা nearest centre বিলাক লগ লগাই যদি ১০ টাতকৈ অধিক কৰিব পাৰে, তেতিয়া বেছি ভাল হয়। গতিকে এইখিনি suggesstion প্ৰদান কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া, আপুনি Panchyat and Rural Development ত কওঁতে ইয়াত নকওঁ বুলি কৈছিল। মাননীয়া মন্ত্ৰী।

**শ্ৰী অজন্তা নেওগ, (মন্ত্ৰী, বিত্ত, শিশু আৰু মহিলা কল্যাণ ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে, তাৰ সপক্ষে-বিপক্ষে মাননীয় সদস্য সকলে ইয়াত কৈছে। ইয়াত অংশ গ্ৰহণ কৰা নন্দিতা দাস ডাঙৰীয়ানী, উৎপল বৰা, মজিবুৰ ৰহমান, ৰূপজ্যোতি কুৰ্মী, মনোৰঞ্জন তালুকদাৰ, অখিল গগৈ, দুৰ্গা দাস বড়ো ডাঙৰীয়াক মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ বিধান সভাত এটা পৰম্পৰা আছে যে কৰ্তন প্ৰস্তাৱৰ জৰিয়তে শাসক-বিৰোধী সকলোৰে বিভাগটোৰ ওপৰত কিছু আলোচনা কৰে আৰু এইটো চলি আহিছে। মই সুদীৰ্ঘ কালছোৱাত কৰ্তন প্ৰস্তাৱৰ কথাবোৰ চাই আহিছো। মাননীয় সদস্য সকলক বিনম্ৰভাৱে এইটোৱেই অনুৰোধ জনাব বিচাৰিছো যে কৰ্তন প্ৰস্তাৱ হৈছে আমাৰ এটা মাধ্যম আৰু এই মাধ্যমৰ জৰিয়তে আমি কেতিয়াবা প্ৰশ্নোত্তৰ কালত কিছুমান কথা ক'ব নোৱাৰো। সেই বিভাগটোৰ গোটেইখিনি কথা ইয়াত খৰচিমাৰি আপোনালোকে ক'ব পাৰে আৰু মন্ত্ৰী গৰাকীয়েও আপোনালোকৰ সমালোচনাৰ পৰা পজিটিভ আৰু নিগেটিভ দুয়োটা বিভাগৰ বিষয়ে জানিব পাৰে। এইটোৱেই কৰ্তন প্ৰস্তাৱৰ মূল উদ্দেশ্য আৰু সেইটোক মই সকলো সদস্যকে গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনাইছো। সেইটোৱেই হৈছে সুস্থ গণতন্ত্ৰ। আমি গণতন্ত্ৰক কওঁ যে "ৰাইজৰ বাবে, ৰাইজৰ দ্বাৰা, ৰাইজৰ চৰকাৰ"। গণতন্ত্ৰৰ মূল উদ্দেশ্য হৈছে সদনখনক আমি ক'বলগীয়া কথাখিনি আলোচনা কৰা। শাসকীয় দলৰ সদস্যসকলে তেওঁলোকৰ কথাখিনি ক'ব আৰু বিৰোধী পক্ষৰ সদস্য সকলে তেওঁলোকৰ কথাখিনি ক'ব। যাতে আলাপ-আলোচনাৰ মাজেদি গণতন্ত্ৰটো ভাইব্ৰেণ্ট হয় আৰু আগুৱাই যায়। সেইটোকে ডেম'ক্ৰেচি ভাইব্ৰেণ্ট বুলি কওঁ। ইয়াত আপোনালোকে কম সময়ৰ ভিতৰতে কথাখিনি উত্থাপন কৰিছে। কিন্তু মই আপোনালোকৰ মনৰ কথাখিনি কিছু হ'লেও বুজি

উঠিছো। কাৰণ এই বিধান সভাত থকাৰ পৰাই মোৰ এটা অভিজ্ঞতা হৈছে আৰু সদস্যসকলে কি কথা কয়, সেইটো কৰ্তন প্ৰস্তাৱৰ দ্বাৰা জানিবলৈ মই ও উৎসুক হৈ থাকো। মই এটা কথা ক'ব বিচাৰিছো যে যোৱা দুটা বছৰত এই বিভাগটোৰ দায়িত্ব লোৱাৰ পিছত আমি চিন্তা কৰিলো যে এই বিভাগটোক আমি কেনেধৰণে আগুৱাই লৈ যাব পাৰিম আৰু সেই লক্ষ্য আৰু উদ্দেশ্য লৈ আমি আগুৱাই গ'লো। এই বিভাগটো মহিলা আৰু শিশু সকলৰ অতি গুৰুত্বপূৰ্ণ বিভাগ। আমাৰ ৰাজ্যখনৰ পঞ্চাশ শতাংশ মহিলা আছে আৰু বৃহৎ সংখ্যক শিশু আছে। আমাৰ ৰাজ্যখনৰ মূল ফাউণ্ডেশ্যনটোৱেই হৈছে এই বিভাগ আৰু এই বিভাগটোৰ যথেষ্ট গুৰুত্ব আছে। এই বিভাগটোত মহিলা আৰু শিশুসকলক আগুৱাই লৈ যাবৰ বাবে আমাৰ যিখিনি প্ৰত্যাহ্বান আছে, সেইখিনি এতিয়া কৰিবৰ বাবে আমি Road Map কেনেকৈ তৈয়াৰ কৰিব পাৰো সেইখিনি চিন্তা কৰিছিলো। সেই কাৰণে তিনিটা গুৰুত্বপূৰ্ণ পদক্ষেপ আমি গ্ৰহণ কৰিছিলো। প্ৰথম পদক্ষেপটো হৈছে- আমাৰ যিখিনি অংগনবাদী কেন্দ্ৰ আছে, সেই অংগনবাদী কেন্দ্ৰৰ জৰিয়তে শিশু আৰু মহিলা কল্যাণ বিভাগে আগতে আমি সমাজ কল্যাণ বিভাগক বুলি কৈছিলো। সেই বিভাগটোৱে কেনেকৈ দৰিদ্ৰ মহিলা , গৰ্ভৱতী মহিলা আৰু শিশুসকলক স্পৰ্শ কৰিব পাৰে তাৰ বাবে আমি এই মাধ্যমেৰে যাব বিচাৰিছো। আমাৰ ৰাজ্যখনত বৰ্তমান প্ৰায় ৬১ হাজাৰ কম-বেছি পৰিমাণে অংগনবাদী কেন্দ্ৰ আছে। এই অংগনবাদী কেন্দ্ৰ বিলাক মই দেখিলো যে সামগ্ৰিকভাৱে ইয়াৰ আন্তঃগাঁথনিবিলাক দুৰ্বল। সেই দুৰ্বল আন্তঃগাঁথনি আমি সৱল কৰিব লাগিব আৰু তেতিয়াহে আমি এই কেন্দ্ৰসমূহৰ দ্বাৰা সামগ্ৰিকভাৱে মহিলা আৰু শিশুসকলৰ কথা চিন্তা কৰিব পাৰিম। তাৰ বাবে আমি প্ৰথম পদক্ষেপ হিচাপে আমি মডেল অংগনবাদী কেন্দ্ৰসমূহৰ স্থাপনৰ কথা চিন্তা কৰিলো। প্ৰথম পৰ্য্যায়ত মই এক হাজাৰটা অংগনবাদী কেন্দ্ৰ দিলো। আজি যিখিনি কথা মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈছে আগৰ বিধান সভাতো কৰ্তন প্ৰস্তাৱত আপোনালোকে কোৱা মোৰ মনত পৰিছে। মই তেতিয়াও কৈছিলো যে মোক কিছু সময় দিব লাগিব। যোৱা সময়ছোৱাত মই এইখিনি কাম আৰম্ভ কৰিছিলো। আপোনালোকৰ মনত এইখিনি কথাই খো-দুৱাই আছে যে আমি বিৰোধী বিধায়ক সকলে কিমান মডেল অংগনবাদী কেন্দ্ৰ পাইছো। সেইখিনি সময়ত আমি ক'লো যে আমি মডেল অংগনবাদী কেন্দ্ৰ তৈয়াৰ কৰিম। যোৱা সময়ছোৱাত আমি তিনি হাজাৰটা অনুমোদন পালো আৰু এতিয়া আমাৰ মুঠতে অনুমোদন হ'ল- চাৰি হাজাৰটা। ইয়াত মই প্ৰায়োৰিটী খণ্ড কৰিছিলো চাহ বাগানসমূহ। চাহ বাগানসমূহত মই কোনো শাসক-বিৰোধী চোৱা নাই। আমাৰ আঠ শ খন চাহ বাগিছা আছে আৰু তাৰ দাঁতি কাষৰীয়া কিছুমান অঞ্চল আছে। আমাৰ বিভাগৰ প্ৰথম প্ৰায়োৰিটী আছিল চাহ বাগিচাসমূহ। কাৰণ আপোনালোকে জানে যে চাহ বাগিচাসমূহৰ অঞ্চলবোৰত প্ৰসূতি মৃত্যুৰ হাৰ আটাইতকৈ বেছি, শিশু মৃত্যুৰ হাৰ বেছি। সেইকাৰণে চাহ বাগিচা অঞ্চলসমূহত আমি প্ৰায়োৰিটী কৰিলো আৰু সামগ্ৰিকভাৱে তাত আমি অংগনবাদী কেন্দ্ৰ বনাবলৈ চেষ্টা কৰিছো। যোৱাবাৰ এক হাজাৰ টা অংগনবাদী কেন্দ্ৰ প্ৰথম পৰ্য্যায়ত দিছিলো। মই মন্ত্ৰী হিচাপে বিভিন্ন সময়ত আছিলো। কিন্তু এক হাজাৰ টা যি মডেল অংগনবাদী কেন্দ্ৰ স্থাপন কৰা হ'ল তাত মোৰ এটা আত্মসন্তুষ্টি আছে। ইমান সুন্দৰকৈ মডেল অংগনবাদী কেন্দ্ৰ বিধায়ক সকলে স্থাপন কৰিছে, তাৰ বাবে মই অসমৰ সকলো বিধায়ক, জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰিছো। ইমান সুন্দৰ মডেল অংগনবাদী কেন্দ্ৰ ভাৰতৰ ক'ত স্থাপন হৈছে মই নাজানো। কিন্তু মাননীয় মন্ত্ৰী স্মৃতি ইৰাণী ডাঙৰীয়ানীয়ে দিল্লীত এবাৰ ৰিভিউ লৈছিল। সেই ৰিভিউত মই যেতিয়া প্ৰেজেনটেশ্যন দিছিলো আৰু তাত অন্যান্য ৰাজ্যৰ মন্ত্ৰী সকলো আছিল। সেই প্ৰেজেনটেশ্যন চাই তেতিয়া আমাৰ স্মৃতি

ইৰাণী বাইদেউৱে কৈছিল যে অসমৰ নিচিনা এখন মজলীয়া ৰাজ্যই আঢ়ৈশ কোটি টকাৰে মডেল অংগনবাড়ী কেন্দ্ৰ তৈয়াৰ কৰিছে। বাকী ৰাজ্যবিলাকেও আজি অসমক অনুসৰণ কৰিব লাগে। তাৰ পিছৰ পৰ্য্যায়ত আমি আকৌ তিনি হাজাৰ লৈছো। মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰ মই বিৰোধী পক্ষৰ বিধায়ক সকলক জনাইছো যে প্ৰথমৰ পৰা এতিয়ালৈকে যিখিনি অনুমোদন হ'ল, প্ৰত্যেকজন বিধায়কৰ সমষ্টিতে বিশ টা কৈ অনুমোদন দিছো। তাৰ গাইড লাইনবোৰ আজি আছে আৰু উপায়ুক্ত সকললৈ আমি পঠিয়াই দিছো আৰু পইচাসমূহো আমি ইতিমধ্যে দিছো। এই বিধানসভাৰ পৰা আপোনালোক যোৱাৰ পিছত আপোনালোকৰ সমষ্টিত নিৰ্মাণ কাৰ্য্যবোৰ আৰম্ভ হ'ব। দ্বিতীয় কথাটো হ'ল যে মোৰ নীতিটো কি আছিল? আন্তঃগাঁথনি ভাল হ'ব লাগিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে আমাৰ একষষ্ঠী হাজাৰ অংগনবাদী কেন্দ্ৰ আছে আৰু আমাৰ কাৰ্য্যকালত বিশ হাজাৰ অংগনবাদী কেন্দ্ৰ স্থাপন কৰিবৰ বাবে সংকল্প লৈছো। দুৰ্গা দাস বড়ো ডাঙৰীয়াই অতি সুন্দৰভাৱে কৈছে। আমি একেলগে হয়তো সেই অংগনবাদী কেন্দ্ৰসমূহ একেলগে নিৰ্মাণ কৰিব নোৱাৰিম। ইয়াৰ বাবে আমি আৰু এটা আনুষাংগিকভাৱে সংকল্প লৈছো। সেইটো হৈছে প্ৰত্যেকটো কেন্দ্ৰতে আমি বিষয়াসকল পঠিয়াই আছো আৰু দহটা শিশুৰ তলত যি অংগনবাদী কেন্দ্ৰ আছে, সেইখিনি আমি ভৱিষ্যতে ৰেশ্যনেলাইজ কৰিবৰ বাবে চেষ্টা কৰিম। তেতিয়াহ'লে আমাৰ এটা লক্ষ্যত উপনীত হ'বৰ বাবে সুবিধা হ'ব। পিছৰ পৰ্য্যায়ত মাননীয় বিধায়কসকলৰ পৰা মই সহায় বিচাৰিম যে আপোনালোকৰ সমষ্টিত দহটাতকৈ তলৰ শিশু থকা কোনকেইটা অংগনবাদী কেন্দ্ৰ ৰেশ্যনেলাইজ কৰিলে সুবিধা হ'ব? এই কথাটো ও মই বিধান সভাত নিশ্চিত কৰিছো যে কোনো অংগনবাদী কেন্দ্ৰৰ কৰ্মী বা সহায়িকাৰ কামৰ অসুবিধা নহয়। নহ'লে তেওঁলোকে ভাৱিব যে অংগনবাদী কেন্দ্ৰসমূহৰ ৰেশ্যনেলাইজ হ'লে তেওঁলোকৰ সেৱা আগবঢ়োৱাত কিবা অসুবিধা হ'ব। তেওঁলোকে কাম কৰি থাকিব আৰু তেওঁলোকৰ কামৰ কোনো অসুবিধা নহয়। আমি ৰেশ্যনেলাইজ এই কাৰণেই কৰিব লাগিব যে দহটাৰ তলত কৰ'বাত শিশু থাকিলে সেই অংগনবাদী কেন্দ্ৰটো কেনেদৰে লাভ হ'ব সেই কথাটোও আপোনালোকে চাব লাগিব। তৃতীয় কথাটো হ'ল যে আমি ইয়াত যিখিনি নিউট্ৰিশ্যন দিওঁ, তাত আগতে আমি চাউল দিওঁতে সেই চাউলসমূহ তেওঁলোকৰ কেন্দ্ৰত দিয়া হৈছিল। কিন্তু এতিয়া তাৰ সলনি আমি সম্পূৰ্ণভাৱে এই পুঁজিখিনি ডি-চেণ্ট্ৰেলাইজ কৰিছো। উপায়ুক্তসকলক আমি নিৰ্দেশ দিছো। উপায়ুক্তসকলক পুঁজিবোৰ দিওঁ আৰু তেওঁলোকে ডি-চেণ্ট্ৰেলি অংগনবাদী কেন্দ্ৰসমূহক দিয়ে। আমি দিয়া পুঁজিসমূহেৰে তেওঁলোকে এফ চি আইৰ পৰা চাউল কিনে। এফ চি আইৰ পৰা চাউল কিনাৰ লগে লগে যিখিনি ধন ৰাহি হ'ব সেই ৰাহি হোৱা ধনেৰে তেওঁলোকে কণী বা শাক-পাচলি দিব পাৰিব। আমি সম্পূৰ্ণভাৱে ডিচেণ্ট্ৰেলাইজ কৰি এই পুঁজিখিনি দিছো। মই আপোনালোকক যেতিয়া ব্যক্তিগতভাৱে লগ পাইছিলো তেতিয়াও কৈছিলো যে দায়িত্ব কিন্তু আপোনালোকৰো আছে। আমি সকলোৱে দায়বদ্ধভাৱে এই কামখিনি কৰিব লাগিব। আমাৰ যিখিনি অংগনবাদী কেন্দ্ৰ আছে আমি তালৈ কেইবাৰ গৈছো। আপোনালোকে আপোনালোকৰ ব্যস্ততামূলক Schedule ৰ সময় উলিয়াই সেই কেন্দ্ৰসমূহ যাতে পৰিদৰ্শন কৰে আৰু তেতিয়া আপোনালোকে তাৰ সমস্যাবিলাক গম পাব। আমি তেওঁলোকক খাদ্য দিওঁতে খিচিৰি দিওঁ আৰু এতিয়া হালোৱা, পায়সো দিব পাৰে। মই চাহ বাগানৰ কেইবাটাও কেন্দ্ৰ পৰিদৰ্শন কৰিছিলো আৰু তাত মই দেখিলো যে ল'ৰা-ছোৱালীসকলে নিমখীয়া বস্তু খাবলৈ ভাল পায়। কিন্তু এটা কথা ঠিক যে এই খাদ্যাভ্যাসৰ তাৰতম্য আছে। আমি নিমখ বেছিকৈ খাবলৈ ভাল পাওঁ। চাহ বাগানসমূহৰ খাদ্যাভ্যাসটো কি? আপোনালোকে নিজেই জানে যে তাত মানুহে লাল চাহ নিমখেৰে

খাবলৈ ভাল পায়। তেওঁলোকে প্ৰ'টিন, ভিটামিন, মিনাৰেল আদি নলয়। আপোনালোকে দেখিব যে গ্ৰামাঞ্চলৰ অংগনবাড়ী কেন্দ্ৰ সমূহৰ শিশুসকলৰ স্বাস্থ্য সুস্থ হয়। তেওঁলোকৰ খাদ্যাভ্যাসটো ভাল। বাৰীৰ শাক বা মাছ, ফল-মূল আদি তেওঁলোকে খায়। চাহ বাগান অঞ্চলসমূহত খাদ্যাভ্যাসৰ কাৰণে আমাৰ যি সজাগতা থাকিব লাগে, সেইখিনি নথকাৰ কাৰণে আমাৰ শিশুসকলৰ এনেকুৱা অৱস্থা হৈছে। ইয়াৰ বাবে এটা Massive Awareness লাগিব। মই সকলো মাননীয় সদস্যক এই অভিযানত অংশ ল'বৰ বাবে অনুৰোধ জনালো। পোষণ অভিযানৰ ক্ষেত্ৰত মই আপোনালোকক গৌৰৱেৰে ক'ব পাৰো যে আমাৰ চৰকাৰ অহাৰ পিছত চেপ্তেম্বৰৰ এক তাৰিখৰ পৰা চেপ্তেম্বৰৰ ত্ৰিশ তাৰিখলৈ এটা সম্পূৰ্ণ মাহ আমি পোষণ অভিযান কৰিছিলো। আমি বিষয়াসকলক কৈছিলো যে আমাৰ বিধায়কসকলক লগত ল'ব লাগে আৰু বিধায়ক সকল এই অভিযানত বাটকটীয়া হ'ব লাগে। মই ক'বলৈ পাই ভাল পাইছো যে এই বিধান সভাৰ বহুতো বিধায়কে পোষণ অভিযানত অংশ গ্ৰহণ কৰিছে আৰু অতি সফলতাৰে ভাৰতবৰ্ষৰ ভিতৰতে পোষণ অভিযানখন আগুৱাই লৈ যাবলৈ সমৰ্থ হৈছো। এই মহিলা আৰু শিশু সকলৰ বাবে আমাৰ যি যাত্ৰা সেই যাত্ৰাত আমি সকলোৰে সহভাগী হ'ব লাগিব। আজি আপোনালোকে বিভিন্ন সমস্যাৰ কথা কৈছে। আমি এই সমস্যাসমূহ চিহ্নিত কৰিব লাগিব। যেতিয়া এজন ৰোগীৰ বেমাৰ হয় আৰু আমি সঠিকভাৱে যদি বেমাৰটো চিহ্নিত নকৰো আমি যিমানেই ভিটামিন বা অন্য কিবা নোখোৱাও একো লাভ নহ'ব। আজি অসমত মহিলা আৰু প্ৰসূতিৰ মৃত্যু হৈছে, শিশু সকল অপৈণত হৈছে, তাৰ মূল গুৰিটো হৈছে বাল্য বিবাহ। আমি এই কথাবোৰ আগতেই চাব লাগিছিল। কিন্তু ইয়াৰ বাবে কিছু সময় লাগিল। এতিয়া পয়সত্তৰ বছৰ পাৰ হৈ গ'ল আৰু আমি এতিয়া উপলব্ধি কৰিছো যে এতিয়া আমি আগবাঢ়িবৰ হ'ল। সেই কাৰণে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত বাল্য বিবাহৰ ক্ষেত্ৰত কঠোৰ হৈছে। বহুতেই কৈছে বাল্য বিবাহৰ ক্ষেত্ৰত কঠোৰ হৈছে। আমি ইয়াতকৈও বেছি কঠোৰ হ'ব লাগিব। আমি বাল্য বিবাহক গুৰুত্ব দিব লাগিব। বাল্য বিবাহ সামাজিক ব্যাধি। বাল্য বিবাহ নিৰ্মূল কৰাৰ কাৰণে চৰকাৰৰ যি প্ৰচেষ্টা তাত শাসক-বিৰোধী সকলোকে অংশ ল'বৰ বাবে আহ্বান জনাইছো। আজি বাল্য বিবাহৰ ফল কি হৈছে? অধ্যক্ষ মহোদয়? সেইদিনা সদনত আমি সকলোৱে এই কথাখিনি স্বীকাৰ কৰিছিলো। শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই কৈছে আৰু কালি তেখেতে এটা প্ৰস্তাৱো আনিছিল। বাল্যবিবাহ ৰোধ নকৰিলে, ১১ বছৰীয়া ছোৱালী এজনীয়ে যদি গৰ্ভধাৰণ কৰে তেন্তে  তেওঁৰ সন্তানটো অপুষ্ট নহ'বনে? সেইকাৰণে আজি যদি এই মূল কাৰণটো নিৰ্মূল কৰিব নোৱাৰো, আমি বিচাৰি থকা সমাজখন পাম নেকি? সেইকাৰণে এইবাৰ বাজেটত ২০০ কোটি টকা ৰাখিছো। তালুকদাৰ ডাঙৰীয়াই বিভাগটো ব্যৰ্থ বিভাগ বুলি কৈছে। মই নাজানো যে বিভাগটো ব্যৰ্থ বিভাগ নে সফল বিভাগ, কিন্তু বিভাগটোক এটা ৰূপ দিবলৈ আমি আন্তৰিক প্ৰচেষ্টা গ্ৰহণ কৰিছো। আমাৰ সদস্যা নন্দিতা দাস ডাঙৰীয়ানীয়ে বাল্যবিবাহৰ ক্ষেত্ৰত কেনেধৰণে কাম কৰিব তাৰ বিষয়ে উত্থাপন কৰিছে। আমি পিছৰ পৰ্যায়ত ইয়াৰ গোটেইখিনি  detail Guide-line আনিম। এই মিছনখন এখন সফল মিছন হিচাপে গঢ়ি তুলিবলৈ আমি সকলোৱে আন্তৰিকতাৰে কাম কৰিম। তেওঁ পুঁজিৰ কথাও কৈছে। এতিয়া মোৰ বিভাগটোৰ নাম হৈছে Women & Child Development Department, আগতে সমাজ কল্যাণ বিভাগ আছিল। এই বিভাগটো দুভাগ কৰা হৈছে, আপোনালোকে জানেই। এতিয়া Social Justice Department হৈছে। যিখিনি পুঁজিৰ আৱণ্টন  নিদিয়ে বুলি আপুনি কৈছে, সেই পুঁজিবোৰ বাজেটত Social Justice বিভাগত আৱণ্টন কৰা হৈছে। বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এই গোটেইখিনি কথা জানে। আপোনালোকে

যিখিনি সমস্যাৰ কথা ক'লে, কিছু আন্তঃগাঁথনিৰ কথা সুন্দৰভাৱে কৈছে যে CDPO ৰ অফিচবোৰ নিৰ্মাণ হ'ব লাগে। এই ক্ষেত্ৰত ময়ো একমত। ভৱিষ্যতে এই বিষয়ত মই নিশ্চিতভাৱে চিন্তা -চৰ্চা কৰিম। অধ্যক্ষ মহোদয়, মই এটা কথা ঘোষণা কৰিবলৈ পাই ভাল পাইছো যে অহা সময়ছোৱাত Awareness Programme এটা কৰাৰ বাবে আমি সিদ্ধান্ত গ্ৰহণ কৰিছো। এই Awareness Programme টো আমি বিশেষভাৱে চাহ-বাগিচা অঞ্চল আৰু চৰ এলেকাবোৰত কৰিম। বহুতো বিধায়কে চৰ অঞ্চলবোৰৰ কথা কয়। গতিকে, মই নিজেও উপলব্ধি কৰিছো যে চৰাঞ্চলবোৰত আমি যাব লাগে, তাত Awareness campaign কৰিব লাগে আৰু এই কথাবোৰৰ বিষয়ে মহিলা সকলক সজাগ কৰিব লাগে। ইয়াৰ পিছৰ পৰ্যায়ত আমি চৰাঞ্চলত আৰু চাহ-বাগিচা অঞ্চলত নিজেই যাম আৰু বিভিন্ন শিতানত Awareness Programme কৰিম যাতে ৰাজ্যখনৰ কোনো এটা অঞ্চল এনে সামাজিক ব্যাধিৰ চিকাৰ হ'ব নালাগে। মই বহুত বেছি ক'ব বিচৰা নাই অধ্যক্ষ মহোদয়।। পাঁচ মিনিট সময় হয়তো আছে। সুদীৰ্ঘ দিন ধৰি সংসদীয় ৰাজনীতিত আছো, মই কেতিয়াও বৈষম্য কৰা নাই। মোৰ মনলৈ কেতিয়াও অহা নাই যে শাসকীয়ক বেছি আৰু বিৰোধীক কম পুঁজি দিব লাগে। সামগ্ৰিকভাৱে অসমৰ বিকাশ হ'ব লাগে, উন্নতি হ'ব লাগে। যিসকল দৰিদ্ৰ মহিলা, দৰিদ্ৰ শিশু, তেওঁলোকৰ বাবে অহা পুঁজিবোৰৰ সদ্ ব্যৱহাৰ হ'ব লাগে। সেই কাৰণে নিৰ্দ্দিষ্ট লক্ষ্যৰে যাব বিচাৰিছো অধ্যক্ষ মহোদয়। চাহ-বাগিচা অঞ্চলবোৰক prirority কৰি লৈছো, আপোনালোকে জানে। সেয়েহে, মই মাননীয় বিধায়কসকলক পুনৰবাৰ অনুৰোধ জনাইছো যে আপোনালোকে সমাজ কল্যাণ বিভাগৰ যিবোৰ অংগনবাড়ী কেন্দ্ৰ আছে, সেইবোৰ নিয়মীয়াকৈ ভিজিট কৰিবলৈ চেষ্টা কৰক। আনহাতে, প্ৰধানমন্ত্ৰীৰ যিখন Conclave হৈছিল, তাত প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অনুৰোধ ৰাখিছিল যে Adopt one Anganwadi Centre. সেয়েহে, মই বিধায়কসকলক বিনম্ৰ ভাৱে অনুৰোধ জনাঁও যে এটা অংগনবাড়ী কেন্দ্ৰ আপোনালোকে গোদ লওক। কিছুমানে যিদৰে ল'ৰা-ছোৱালী গোদ লয়, ঠিক তেনেকৈ আমাৰ অংগনবাড়ী কেন্দ্ৰ এটা বিধায়কসকলে গোদ লওক আৰু সেই কেন্দ্ৰটোত আপোনালোকে ল'ৰা-ছোৱালীৰ জন্মদিনৰ পৰা আদি কৰি সকলো চোৱা-চিতাৰ ভাৰ আপোনালোকে লওক ....interruptions....

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাঁও)ঃ** অধ্যক্ষ মহোদয়, মই ৫ টা অংগনবাড়ী কেন্দ্ৰ লৈছো।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্তমন্ত্ৰী)ঃ** হয়, ধন্যবাদ। মই ক'বলৈ ভাল পাইছো যে অসমৰ বিভিন্ন NGO বা বিভিন্ন অনুষ্ঠানে এতিয়ালৈকে আমাৰ প্ৰায় ১৫ হাজাৰটা অংগনবাড়ী কেন্দ্ৰত কেৱল আন্তঃগাঁথনি নহয়, বিভিন্ন ধৰণৰ সহযোগিতা আগবঢ়াইছে। গতিকে, বিধান সভাৰ সকলো মাননীয় সদস্যই তেখেত সকলৰ সামৰ্থ্য অনুসাৰে অংগনবাড়ী কেন্দ্ৰবোৰ গোদ ল'বলৈ অনুৰোধ জনাইছো। এইটো এটা সামাজিক বিপ্লৱ হ'ব লাগে আৰু সকলো ধৰণৰ মানুহক মই এই বিধান সভাৰ জৰিয়তে অংগনবাড়ী কেন্দ্ৰবোৰ গোদ ল'বলৈ অনুৰোধ জনাইছো। অংগনবাড়ী কৰ্মী-সহায়িকাৰ ক্ষেত্ৰত মই ক'ব বিচাৰো যে অসমেই প্ৰথম ৰাজ্য যিখন ৰাজ্যই অংগনবাড়ী কৰ্মীসকলৰ অৱসৰৰ বয়স নিৰ্ণয় কৰিছো। এই বিষয়ে অখিল গগৈ ডাঙৰীয়াই নিশ্চয় জানে। সেইদিনাখন অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ অংগনবাদী কৰ্মী, সহায়িকাসকলক Terminal benefit দিছে আৰু ভাৰতবৰ্ষৰ ভিতৰত অসমেই প্ৰথম Terminal benefit দিয়া ৰাজ্য। অংগনবাড়ী কৰ্মী-সহায়িকাসকলৰ যি অৱদান সেই অৱদানক আমি স্বীকৃতি দিছো। আপোনালোকে জানি ভাল পাব যে এগৰাকী অংগনবাদী কৰ্মীৰ অৱসৰ হ'লে ৪ লাখ তেওঁলোকক দিয়াৰ ব্যৱস্থা মই কৰিছো। Mini Anganwadi কেন্দ্ৰৰ কৰ্মীক ৩ লাখ আৰু সহায়িকা সকলক ২ লাখ টকা

দিয়াৰ ব্যৱস্থা কৰা হৈছে। এইবছৰ আমি তেওঁলোকৰ Terminal benefit ৰ বাবে ২৬.৭৮ কোটি টকা তেওঁলোকক একেদিনাই মোকলাই দিছো আৰু এই বিত্তীয় বৰ্ষতো মই ৯০ কোটি টকা ৰাখিছো। তালুকদাৰ ডাঙৰীয়া, বিভাগে কিবা কৰিছে নে নাই আপুনি নিজেই জানিব। অধ্যক্ষ মহোদয়, এটা সঠিক পথেৰে এই বিভাগটো আমি যাব বিচাৰিছো। আমাৰ সমস্যা আছে। এতিয়াও আমি যথেষ্টখিনি কৰিবলগীয়া আছে। যিসকল অংগনবাদী কৰ্মী আৰু সহায়িকাই আন্তৰিকতাৰে আৰু সেৱাৰ মনোভাৱেৰে এই বিভাগটোত তেওঁলোকে সেৱা আগবঢ়াইছে, চৰকাৰখনৰ তেওঁলোকৰ ওপৰত সদিচ্ছা আছে। প্ৰথমতে কৈছো যে এটা পৰিৱেশ সৃষ্টি কৰিবলৈ, আন্তঃগাঁথনি সৃষ্টি কৰিবলৈ, শ্ৰী মতী নন্দিতা দাস ডাঙৰীয়ানীয়ে Revenue আৰু Capital ৰ কথা কৈছে, তেওঁ কি ভাৱে চাইছে মই নাজানো, আমি যে এই construction কৰিলো, তাৰ বাবে ১০০০ কোটি টকা নিৰ্ধাৰণ কৰিছো। এইবাৰ এইটো highest amount । কোনো বাজেটতে ১০০০ কোটি টকা construction ৰ বাবে সমাজ কল্যাণ বিভাগে ধৰা নাই। পুঁজিৰ ক্ষেত্ৰত আপোনালোকে চাব, মই যিখিনি পুঁজি কৰ্তন প্ৰস্তাৱত আজি আনিলো, সেই পুঁজিখিনি আজি পৰিপূৰক দাবী মঞ্জুৰীৰ পৰা প্ৰায় ৫০০ কোটি টকা দিছিলো। তাত ৩৪১.৩২ কোটি টকা আমাক আচলতে SNA Account তৈয়াৰ কৰিবলৈ দিছিল আৰু আমি SNA Bank Account কৰিলো। এই একাউণ্ট কৰি State Exchequer ত এই পইচাখিনি আমি জমা দিছো। সেইখিনি আচলতে আমাৰ এটা নিয়মীয়াকৰণ। আমি book transfer কৰিলো। বাকী ১৫৮ কোটি টকা আছিল, সেইখিনি আমি কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ কিস্তি পোৱাৰ লগে লগে তেওঁলোকক জমা কৰি দিম। আমাৰ বিভাগবোৰে টকা খৰচ কৰিব নোৱাৰে, সময়মতে UC দিব নোৱাৰে, কিন্তু, মহিলা আৰু শিশু কল্যাণ বিভাগে যোৱা বছৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা যিমানখিনি পুঁজি পাইছিল, তাৰ পৰা গোটেইখিনি খৰচ কৰিছিল, UC দিছিল আৰু তাৰ বাবে আমি অতিৰিক্ত ভাৱে এই পুঁজিখিনি পাইছো। যাৰ বাবে original বাজেটত allocation নাছিল কিন্তু, Supplementary demand দি allocationখিনি ল'লো। অধ্যক্ষ মহোদয়, মই বিনম্ৰভাৱে পুনৰ সকলো মাননীয় সদস্যক এইখিনি কথাই কৈছো যে মহিলা আৰু শিশু কল্যাণ বিভাগ সঁচাকৈয়ে এটা সংবেদনশীল বিভাগ, য'ত মাতৃসকল, তেওঁলোকৰ স্বাস্থ্য আৰু ৰাজ্যখনৰ ভৱিষ্যত জড়িত হৈ আছে। গতিকে, এই গোটেইখিনি কথা মনত ৰাখি সকলোৰে collectively ইয়াৰ যিখিনি আমাৰ আঁচনি আছে, যিখিনি অংগনবাড়ী কেন্দ্ৰ আছে বা যিখিনি আঁচনি আমি আপোনালোকক দিছো সেইখিনি সম্পূৰ্ণভাৱে, আন্তৰিকতাৰে তাত মনিটৰিং কৰি, কাৰণ ইয়াত Construction Committee ৰ মনিটৰিঙৰ দায়িত্ব বিধায়কসকলৰ আছে। মই এইটো কথাও কৈছো যে Construction Committee ত আমি দিছো। কোনে কাম কৰিব আমি নাজানো। কিন্তু, Construction Committee এখনে কৰিব আৰু Construction Committee ৰ কামখিনি চোৱাৰ দায়িত্ব মাননীয় বিধায়কসকলৰ। সেইখিনিকে কৈ পুনৰ বাৰ মই আপোনালোকে অনা এই কৰ্তন প্ৰস্তাৱটো withdraw কৰিবলৈ আপোনালোকক অনুৰোধ জনাই মোৰ ক'বলগীয়াখিনি ইমানতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আপোনালোকে উঠাই ল'ব নে? .....interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** এটা বাক্য সুধিব পাৰিম নে?

**মাননীয় অধ্যক্ষঃ** সোধক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়ানীক এটা কথা সুধিব খুজিছো যে অংগনবাড়ী

কৰ্মী আৰু সহায়িকাৰ মাননিৰ কথা একো নক'লে, মাননী বৃদ্ধি কৰাৰ কথাটো যদি অলপ কৈ দিয়ে ভাল হ'ব। দ্বিতীয়তে; এই যিটো মডেল অংগনবাড়ী কেন্দ্ৰ, আমাৰ সৰুপথাৰ সমষ্টিয়ে প্ৰথমবাৰতে ৩৯ টা পাইছিল। সকলো বিৰোধী দলে মিলি মুঠ ৩১ টা পাইছে। আমাক ২০ টা দিছে ......interruptions...

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সৰুপথাৰ সমষ্টিয়ে পোৱা নাই, তেওঁ ভুল তথ্য কৈছে ..interruptions...

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ)ঃ** চাৰ, total adjustmentটো কেতিয়া কৰি দিব? ইমানখিনি আমাক কেতিয়া দি দিব?..interruptions...

**শ্ৰীৰূপক শৰ্মা, (নগাঁও)ঃ** অধ্যক্ষ মহোদয়, তেখেতে ভুল তথ্য দাঙি ধৰিছে ....interruptions....

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সৰুপথাৰ সমষ্টিক কিয় টাৰ্গেট কৰিছে নাজানো.....interruptions....

**শ্ৰীমতী অজন্তা নেওগ, (বিত্তমন্ত্ৰী)ঃ** মই ....interruptions.... দিম, আপোনালোকে পাই থাকিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়,বাইদেউক মই এটা কথা ক'ব বিচাৰিছো, ২০১৯-২০ ত অৰুন্ধতীত এক তোলা সোণ, এটা ভাল scheme আছিল, সেইটো বন্ধ হৈ গ'ল......interruptions...

**মাননীয় অধ্যক্ষঃ** এতিয়া সময় ২ বাজিছে সেয়েহে অধিক আলোচনা নহয়। গতিকে মই বাকী থকা সকলো দাবী মঞ্জুৰী গিলটিনত দিলো। মই এতিয়া মঞ্জুৰী নং ১, ২, ৩ ,৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪,২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৪০, ৪১, ৪২, ৪৩, ৪৪,৪৫, ৪৬, ৪৭,৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৬,৬৭,৬৮, ৬৯, ৭০, ৭১,৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯ আৰু ৮০। সদনৰ অনুমোদনৰ বাবে আগবঢ়ালো।

যিসকল মাননীয় সদস্য-সদস্যা মঞ্জুৰী প্ৰস্তাৱ সমূহৰ সপক্ষে আছে কওক হয়, যিসকল যিসকল মাননীয় সদস্য-সদস্যা মঞ্জুৰী প্ৰস্তাৱটোৰ বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দাবী মঞ্জুৰী নং ১, ২, ৩ ,৪, ৫, ৬, ৭ ,৮,৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪,২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৪০, ৪১, ৪২, ৪৩, ৪৪,৪৫, ৪৬, ৪৭,৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৬,৬৭,৬৮, ৬৯, ৭০, ৭১,৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯ আৰু ৮০ গৃহীত হ'ল।

এতিয়া ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল -

Under the provision of Article 207(1) of the Constitution of India, I Shri Gulap Chand Katariya, Governor of Assam recommend that the introduction of 'The Assam Appropriation no. 2 Bill, 2023' in the Assam Legislative Assembly. মাননীয় বিত্ত মন্ত্ৰী ।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে 'The Assam Appropriation no. 2 Bill, 2023' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ অনুমতি আছেনে? যিসকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে কওক হয়, যিসকল  যিসকল মাননীয় সদস্য-সদস্যা  প্ৰস্তাৱটোৰ  বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

এতিয়া ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল  -

Under the provision of Article 207(3) of the Constitution of India, I Shri Gulap Chand Katariya, Governor of Assam recommend that the introduction of 'The Assam Appropriation no. 2 Bill, 2023' be taken into consideration by the Assam Legislative Assembly.
মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াণী।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে 'The Assam Appropriation no. 2 Bill, 2023' বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।
**মাননীয় অধ্যক্ষঃ** মই এতিয়া বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখন  বিবেচনা কৰাত সদনৰ সন্মতি আছেনে? যিসকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে কওক হয়, যিসকল  যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক। ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিবেচনাৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফা দুটাৰ লগতে অনুসূচীখনৰ  সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল  যিসকল মাননীয় সদস্য-সদস্যা দফা দুটাৰ লগতে অনুসূচীখনৰ  বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনৰ ২ আৰু ৩ নং দফা দুটাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম আৰু পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে কওক হয়, যিসকল  যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১ নং দফা, সংক্ষিপ্ত নাম আৰু পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।
**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Appropriation no. 2 Bill, 2023' পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।
**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।  প্ৰস্তাৱটো হ'ল 'The Assam Appropriation no. 2 Bill, 2023' পাৰিত কৰা হওক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱৰ  সপক্ষে আছে কওক হয়, যিসকল  যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

The House Adjourned till 9 am, 31st March, 2023.